# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

২১সংখ্যক, ২০১৯-২০ বৰ্ষ



সম্পাদক
যতীন দাস

## বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় সঙ্গীত

ৰচনা ঃ ড০ পৰাগ কুমাৰ ভট্টাচাৰ্য
সুৰ ঃ ড০ নীলকমল বৰদলৈ

মহাপ্ৰাণৰ প্ৰতীতি সামৰি
সেউজ সভাত জিলিকে জ্ঞানৰ আলয়
ই যে শত শতৰ সাধনা তীৰ্থ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

কত বুৰঞ্জী বুকুত সাৰটি
বৈ যায় বৈ যায় জলজলী নৈ
পাহাৰপাৰাৰ কত লোক-গাঁথা
কল্ কল্ সুৰে আজিও আছে কৈ ।

স্বৰ্গদেউ আহিলে নগৰখন বেঢ়িলে।
ঘটালে দ্ৰোহীয়ে যেতিয়া প্ৰলয়
দুৰ্জেয় দুৰ্জ্ঞেয় এই অলকাপুৰী
দুষ্কৃতি দানৱে চলায় তাণ্ডৱ
শ্বহীদৰ প্ৰাণত শৃঙ্খল চিঙাৰ
উজলিল তেজৰ ভীষণ ভমক।

সংস্কৃতি সৌধ সাজিবলৈ লাগে
ত্যাগৰ মণি প্ৰাণৰ বাখৰ
কত খনিকৰে বুকুৰ হেঁপাহেৰে
লিখিলে ইয়াতেই তাৰেই আখৰ
ই যে আমাৰ বুকুৰ বীজমন্ত্ৰ
আমাৰ সুৰৰ মূৰ্ছনালয়।

## Vision & Mission
## B. P. Chaliha College
## Nagarbera

**Vision :**

The college has a vision to make it a vibrant centre of higher education having a healthy blend of traditional and modern courses in under graduate and Post graduate level in order to prepare the students with all relevant knowledge and skills for their maximum social efficiency. It also aims at making this institution a centre of perpetual power which would keep on contributing its uniterrupted power for social transformation in the days to come.

**Mission :**

Bimala Prasad Chaliha College, Nagarbera has been working with the mission to make quality higher education available to economically backward and geographically isolated people of this area to create adequate opportunity for their easy exposure to the national maintream. The college will strive for integrated development of the students inclusive of intellectual, moral and cultural upliftment. It cherishes to foster the spirit of dicipline and self reliance among the youths to face challenges of time.

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

২১সংখ্যক, ২০১৯-২০ বৰ্ষ

সম্পাদক

যতীন দাস

# Bimala Prasad Chaliha College Magazine

21st Edition, 2[illegible]2020



## Bimala Prasad Chaliha College Magazine

Published by Bimala Prasad Chaliha College Student Teacher's Recreation Centre and Student Union.

### Editorial Board:

**PRESIDENT:**
Dr. B. B. Panda, Principal

**ADVISORS:**
Dr. Dhiresh Chakravarty
Amzad Hussain
Nur Alam

**EDITOR:**
Jatin Das

**TEACHER-IN-CHARGE:**
Dr. Alaka Hujuri
Dr. Anjan Jyoti Borah

**TEACHER MEMBERS:**
Dr. Trailokya Deka
Dr. Diganta Kalita

**STUDENT MEMBERS:**
Jintu Das (President, BPCCSU)
Sultan Ahmed (General Secretary, BPCCSU)
Puja Kalita
(Secretary, Girls' Common Room, BPCCSU)




**COVER DESIGN AND ART:**
Dhritasri Talukdar

Printed at: Gauhati University Press
Guwahati-14

**DISCLAIMER:**
"Authors are responsible for their content of article. Further authors are directly liable for any legal prosecution against their content of writings, if arise."

# উচ্ছৰ্গা

ক’ভিড অতিমাৰীত মৃত্যু বৰণ কৰা
প্ৰতিজনলৈ
মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাটো
উচ্ছৰ্গা কৰা হ’ল ।

# শ্ৰদ্ধাঞ্জলি



**স্বৰ্গীয় উদয়  তালুকদাৰদেৱলৈ**

**জন্ম ঃ ১৯৩৪ ইং চন**

**মৃত্যু ঃ  ১৫  ফেব্ৰুৱাৰী, ২০১৮ ইং চন**

# শুভেচ্ছা বাণী



দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত নগৰবেৰাত স্থাপিত বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ বার্ষিক আলোচনীখনৰ ২১ সংখ্যক সংখ্যাটি অচিৰে প্রকাশ পাব বুলি জানিব পাৰি আমি নথৈ আনন্দিত হৈছো। এই ছেগতে আলোচনীখনৰ সম্পাদনাৰ লগত জড়িত শ্রদ্ধাৰ ব্যক্তি সকলৰ লগতে বিভিন্ন লিখনি আদি আগবঢ়াই আলোচনীখন সমৃদ্ধ কৰা লেখক-লেখিকা সকলকো মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী তথা শিক্ষক-শিক্ষয়িত্রী সকলৰ জ্ঞানলব্ধ চিন্তা-চেতনা তথা ভাব প্রকাশ কৰাৰ এক সহজ আৰু সুন্দৰতম মাধ্যম। জুই শালত গঢ়িলে কমাৰ শালত গঢ়িব পৰাৰ নিচিনাকৈ বিদ্যালয় বা মহাবিদ্যালয় আলোচনীত লিখা মেলাৰ অভ্যাস কৰিয়েই ছাত্র-ছাত্রীসকলে এটা সময়ত সাহিত্যৰ ক্ষেত্রখনত নিজকে প্রতিষ্ঠিত কৰিব পাৰে। তদুপৰি মহাবিদ্যালয়ৰ আলোচনীখনত মহাবিদ্যালয়খনৰ যাত্ৰাপথৰ একো একোটা বছৰৰ সামগ্রিক কাম-কাজৰ এটি ৰূপ ৰেখা প্রতিফলিত হৈ থাকে। ইয়ে মহাবিদ্যালয়খনৰ ইতিহাস ৰচনাত বা অঞ্চলটোৰ ইতিহাস ৰচনাত এক অন্যতম সমল হব পাৰে। সেয়ে প্রকাশিত আলোচনী সমূহৰ কিছুসংখ্যক সংখ্যা সযতনে মহাবিদ্যালয়ৰ পুথিভঁৰালত সংৰক্ষণ কৰি ৰখাৰ নিশ্চয় প্রয়োজন আছে।

আমি আশা কৰিছো ছাত্র-ছাত্রী তথা অধ্যাপক-অধ্যাপিকা সকলৰ সমন্বিত প্রচেষ্টাত বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনীখন প্রতি বছৰে সর্বাঙ্গসুন্দৰ ৰূপত প্রকাশ পাই থাকিব। এই খিনিতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ প্রতিও আমাৰ এটি অনুৰোধ তেখেত সকলে যেন বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ শৈক্ষিক, বৌদ্ধিক তথা ক্রীড়াৰ ক্ষেত্রখনক এক উৎকর্ষৰ কেন্দ্র হিচাপে গঢ়ি তোলাৰ ক্ষেত্রত যত্নবান হয়, যাতে এই মহাবিদ্যালয়খন ৰাজ্যৰ ভিতৰতে এখন জাকত জিলিকা অনুষ্ঠান হিচাপে পৰিগণিত হয় আৰু অঞ্চলবাসী ৰাইজেও যেন এই মহাবিদ্যালয়খনক লৈ গৌৰৱ কৰিব পাৰে।

চৰৈৰতি ! চৰৈৰতি ! চৰৈৰতি ।।

**শ্রীলক্ষীকান্ত শর্মা**
সভাপতি
বিমলা প্রসাদ চলিহা মহাবিদ্যালয়
পৰিচালনা সমিতি, নগৰবেৰা



M.A.,Ph.D. LLB

Finance, Transformation & Development
Education, Health & Family Welfare and
Public Works Department.

# Message

It gives me immense pleasure to learn that B. P. Chaliha College, Nagarbera is going to publish the 21st edition of its college magazine.

For any education institution its annual magazine is an integral part of its ensemble, as it reflects its scholastic as well as non-scholastic achievements in a vivid way. Besides it also helps to act as a whetstone to hone the literary skills of many budding talents in topics covering all walks of life.

I would like to convey my heartiest best wishes for the august publication and hope that B. P. Chaliha College will continue its noble mission for enriching the academic environment of the state in the days to come.

( HIMANTA BISWA SARMA )

E-Block, 3rd Floor, Janata Bhawan, Dispur, Guwahati - 781006, Assam
Tel No : 0361-2237315, Fax. : 0361-2237012
e-mail : himantab@hotmail.com/himantabsarmaoffice@gmail.com

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
Phone : +91-361-2570412 (O) 2570408 (R)
Fax : +91-361-2675515
E-mail : vc@gauhati.ac.in
pjhandique@rediffmail.com



# Message

I have the pleasure to offer my appreciation to the B. P. Chaliha College, Nagarbera for its effort to publish the 21st Edition of the Annual College Magazine for the year 2019-20. The College Magazine incorporates articles of the college students and the faculty members. I believe this publication will be a strong medium for both the students and the faculty members of the college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and the teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be accepted by the readers.

P. J. Handique

**( Pratap Jyoti Handique )**

Date : 14-12-2020

Address : Gopinath Bardoloi Nagar
Jalukbari, Guwahati - 781014
Assam : India

Phone : 0361-2570412

Web : www.gauhati.ac.in

Office of the Principal & Secretary

# B.P.CHALIHA COLLEGE, NAGARBERA

P.O. : NAGARBERA,
Dist : Kamrup (Assam)
PIN : 781 127
Estd : 1972

Ph : 03623-245001
Cell : 94352-63936
Fax : 03623-245001
E-mail : bpccnagarbera1972@gmail.com
Web site : www.bpchalihacollege.org

Memo No.

Date 25/2/21

From :

**Dr. B.B.Panda**, M.A, M.Phil.,Ph.D.
*Principal/Secretary*
*B.P.Chaliha College, Nagarbera*



## Principal's Message

It gives me immense pleasure to learn about the publication of the twenty- first issue of our college magazine. It is a prime signifier of the rich cultural and literary tradition of our college. Various departments of the college have strived hard to keep the literary spirit alive by publishing periodicals, newsletters and coming up with versions of wall magazine regularly. A magazine not only encapsulates the literary talents of the students, it is a reflection of the socio- cultural aspirations of a society. People belonging to various socio- cultural backgrounds converge in a common academic environment and provide a holistic consciousness to the college environment through their network of inter-personal interactions. In these troubled times, where the world is heavily affected by Corona, these kind of pursuits are praiseworthy. With the traditional paper format facing existential crisis owing to the proliferation of the digital format, the magazine has a huge responsibility in re-asserting the aesthetic importance of the conventional format and reiterate the merits of co- existence of both the formats in the contemporary times. I am sure the magazine will come out with flying colours and will mirror the precocious talent of our students and the immense hard work of the faculty supervisors in the editorial board. I wish the magazine all success.

B.B.Panda

Dr. B.B.Panda
(Principal)

Principal
B.P. Chaliha College
Nagarbera, Kamrup

# আলোচনী বিভাগৰ শিক্ষক তত্বাৱধায়কৰ কলমেৰে . . .





ছাত্ৰজীৱন সন্ধিক্ষণৰ সময়; নিৰন্তৰ গতিশীলতাৰ মাজত নিজৰ গতি স্থিৰ কৰাৰ, লক্ষ্য প্ৰাপ্তিৰ আখৰাৰ সময়; প্ৰবল প্ৰত্যাহ্বান তথা সুযোগৰো সময় ছাত্ৰকাল। সভ্যতাৰ অগ্ৰগতিৰ উপহাৰ (অভিশাপ?) 4G/5G ৰ দৌৰত নিজৰ শিপাদাল মজবুত কৰি জীৱন গঢ়াৰ, স্ব-অন্বেষনৰ সময় এয়া। প্ৰশ্ন হয় যে চৌপাশৰ স্খলিত মানৱতাৰ খণ্ডচিত্ৰ, মুল্যবোধৰ অবক্ষয় তথা স্বকীয়তাৰ স্বীকৃতি বিচাৰি ভাতৃঘাতী হ'বলৈও কুণ্ঠাবোধ নকৰা এই সময়ত কিদৰে গঢ়িব আজিৰ ছাত্ৰই নিজৰ ভৱিষ্যত? প্ৰাচুৰ্য্য আৰু সমৃদ্ধিয়ে চকু চাট মাৰি ধৰা চিক্‌মিক্‌নিত কিদৰে স্থিৰ হব মুল্যবোধৰ লক্ষ্য ? এৰা, আজিৰ প্ৰজন্মই সততে মনত ৰাখিব লাগিব যে-চিৰাতন কলাৰে সু-সভ্য ভাৰতীয় জাতি আমি; বৈদিক শিক্ষাৰ ভেটিত প্ৰতিস্থিত আমাৰ পুৰ্বপুৰুষৰ জ্ঞানৰ ভাণ্ডাৰ । সভ্যতাক পোহৰ দেখুৱাব পৰা এটা অগ্ৰনী, স্বভিমানী জাতিৰ উত্তৰসুৰী আমি। পথভ্ৰষ্ট নহয়, পথদ্ৰষ্টা হ'ব লাগিব আমি। আমাৰ জাতিৰ, দেশৰ তথা অঞ্চলৰ উত্তৰণত তেওঁলোকৰ দায়বদ্ধতা অপৰিসীম। শিক্ষানুষ্ঠানৰ শৈক্ষিক বাতাবৰণ তথা সাহিত্য-সংস্কৃতিৰ প্ৰসাৰতো ছাত্ৰ-ছাত্ৰীসকলৰ কৰণীয় যথেষ্ট আছে।

মহাবিদ্যালয়ৰ আলোচনী এখন সেইসময়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ চিন্তা-চেতনাৰ প্ৰকাশ; চিৰপ্ৰবাহিত সময়-দুঃসময়ৰ মাজেৰে মহাবিদ্যালয় এখনে পাৰ কৰি অহা ঘটনা প্ৰবাহৰ দলিল। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী খনৰ এয়া ২১ সংখ্যক প্ৰকাশ। এই সংখ্যাটি প্ৰকাশৰ কালছোৱাত সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টিকাৰী ক'ৰণা অতিমাৰীৰ আৰ্বিভাৱ হয়; বন্ধ হয় চিৰাচৰিত পাঠদান প্ৰক্ৰিয়া । তাৰ ফলশ্ৰুতিত আলোচনী খনৰ প্ৰকাশৰ প্ৰস্তুতিও স্তব্ধ হৈ পৰে। সুদীৰ্ঘ সময় এক কঠিন পৰিস্থিতিৰ স'তে সহবাস কৰি আমি প্ৰায় স্বাভাবিক জীৱন যাত্ৰালৈ ঘুৰি আহিছো। গতিকে কিছু পলমকৈ হ'লেও আলোচনীখনৰ প্ৰকাশৰ বাট প্ৰশস্ত হৈছে, তাৰ বাবে আমি আশ্বস্ত।

তত্বাৱধায়ক শিক্ষক হিছাপে আলোচনীখন চোৱা-চিতা কৰা এই সময়চোৱাত আমি বাৰুকৈয়ে অনুভৱ কৰিছিলো যে এই ক্ষেত্ৰ খনলৈ ছাত্ৰ-ছাত্ৰী সকলৰ আগ্ৰহ যথাযথ নহয়; হয়তো অনুশীলনৰ তথা প্ৰয়োজনীয় মঞ্চৰ অভাৱে তেওঁ লোকক আত্মবিশ্বাসী, আগ্ৰহী কৰিব পৰা নাই। শিক্ষক, পথপ্ৰদৰ্শক হিচাপে তাত আমাৰ কৰণীয় খিনিৰো বিশ্লেষনৰ প্ৰয়োজন আছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গঢ় লৈ উঠা সাহিত্য সংস্কৃতিৰ চিন্তা-চৰ্চা সেই অনুষ্ঠানটিৰ শৈক্ষিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। নিসন্দেহে সাহিত্য চৰ্চাৰ অনুকুল বাতাবৰণে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শিল্প তথা সাহিত্যৰ প্ৰসাৰ সাধন কৰাত সহায় কৰিব।

ভিন্ন শিতানৰ লিখনিসমুহেৰে ছাত্ৰ-ছাত্ৰী সকলে আলোচনীখন সজাবলৈ চেষ্টা কৰিছে। আশা কৰিছোঁ তেওঁলোকৰ এই প্ৰয়াস পৰৱৰ্তী সময়ত আৰু অধিক মননশীল, সৃষ্টিশীল হব; সুন্দৰ হব। নৱ নৱ চিন্তাৰে সমৃদ্ধ হওঁক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনী। আমাৰ অফুৰন্ত শুভকামনা- মহাবিদ্যালয়ৰ অগ্ৰগতিৰ, উত্তৰনৰ বাৰ্তাবাহক হওঁক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনীখন। শেষত মহাবিদ্যালয়ৰ এই ২১ সংখ্যক আলোচনীখনৰ লগত জড়িত থকা সদৌটিলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

**ড° অলকা হুজুৰী**
**ড° অঞ্জন জ্যোতি বৰা**
শিক্ষক তত্বাধায়ক,
২১ সংখ্যক বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী



# সম্পাদকীয়



"মানুহৰ গোটেই জীৱন সামৰি লয় তিনিটা কথাই । সেই কেইটা হ'ল ইচ্ছা, পৰিশ্ৰম আৰু কৃতকাৰ্য্যতা । ইচ্ছাই এটা উজ্জ্বল আৰু সুখী জীৱিকাৰ দুৱাৰ মুকলি কৰি দিয়ে । পৰিশ্ৰমে দুৱাৰদলি পাৰ হৈ আগবাঢ়ি যায়; যাত্ৰাৰ শেষত আহে কৃতকাৰ্য্যতা- যি আমাৰ জীৱনৰ সমস্ত সাধনাৰ শিৰত কিৰীটি পিন্ধাই দি তাক পুৰস্কৃত কৰে ।"

— লুই পেষ্টিউৰ

কৃষ্টিয়ে সৃষ্টিৰ পাতনি মেলে। সমন্বয়ৰ বাঘ জৰীডাল প্ৰকট কৰে। সমন্বয়ে একো একোটা অনুষ্ঠান গঢ়ে, গঢ়ে সুসংস্কৃত সভ্যতা। শিক্ষা জাতিৰ মেৰুদণ্ড। শিক্ষাৰ ভেটিত গজালি মেলে চিন্তাৰ ও সভ্যতাৰ চিৰন্তন প্ৰবাহ। তাকেই সৰোগত কৰি বৃহত্তৰ নগৰবেৰা অঞ্চলৰ কিছু অগ্ৰণী ব্যক্তিৰ ঐক্যান্তিক প্ৰচেষ্টাত গঢ় লৈ উঠিছিল বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়। প্ৰথমতে মই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় নিৰ্মাণত অশেষ কষ্ট, ত্যাগ আৰু সহযোগিতা আগবঢ়োৱা সদাশয় ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰিছো।

ভাষা, সংস্কৃতি, কৃষ্টি, সাজপাৰ আদিকে ধৰি খাদ্য সম্ভাৰকো পৰিশোধিত কৰে সাহিত্যই। সাহিত্য পৰিবৰ্তনৰো বাৰ্তাবাহক। সমাজ, সংস্কৃতি, শিক্ষা, ইতিহাস, বিজ্ঞানৰ দস্তাবেজ-সাহিত্য। একো একোটা জাতি অথবা সভ্যতাৰ পূৰ্ণাংগ ৰূপ প্ৰতিফলিত হয় সেই সময়ৰ সাহিত্যত। ঠিক তেনেদৰে মহাবিদ্যালয় এখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-চেতনাৰ দাপোণ হ'ল মহাবিদ্যালয়খনৰ আলোচনীখন।

ৰজাঘৰে উন্নয়নৰ ঢাক-ঢোল বজাই থাকিলেও গ্ৰাম্যাঞ্চলত অৱস্থিত এই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়খন বিভিন্ন সমস্যাত আজিও জৰ্জৰিত। ইয়াৰ মাজতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতি বছৰে নিজৰ নিজৰ সৃষ্টি কৰ্মৰে মহাবিদ্যালয় আলোচনীখন সজাবলৈ চেষ্টা কৰিছে। সম্পাদক হিচাপে এই বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনীখন উলিয়াই দিয়াৰ দায়িত্ব আমাৰ হাতত পৰিল। আলোচনীখন সৰ্বাংগ ৰূপ দিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছো। সফলতা আপোনালোকৰ বিচাৰ্য্য।

"মানৱ সেৱা মানুহৰ জীৱনৰ এক পবিত্ৰ লক্ষ্য"— এয়াই হৈছে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ মূল কথা। আনহাতে পশ্চিমীয়া শিক্ষা ব্যৱস্থাই মানুহক দম্ভ কৰি তুলি 'প্ৰফেচনেলিজিমৰ' শিক্ষা দিয়ে। ভাৰতীয় শিক্ষা ব্যৱস্থাত আছে স্বৰ্গীয় পবিত্ৰতা ; ভেটি অধ্যাত্মিকতা। গতিকে ছাত্ৰ-জীৱন পৰিক্ৰমাত দুয়ো ধৰণৰ শিক্ষাক সৰোগত কৰি সমাজত সু প্ৰতিষ্ঠিত হৈ শিক্ষাৰ্থীৰ পৰা মানৱ সম্পদলৈ নিজকে উন্নীত কৰাত যাতে সকলো সজাগ হয় তাৰে কামনা কৰিলো।

শিক্ষাখণ্ডৰ বিকাশত জ্ঞান, উপস্থাপন, গৌৰৱ, সুকুমাৰ কলা, নাট্যধাৰা, সমাজসেৱা আৰু উদ্ভাৱন এই সপ্তধাৰাৰ জৰিয়তে এক নব্যধাৰা প্ৰবৰ্তনৰ যোগেদি সমাজৰ পংকিলতা আঁতৰাই এক নতুন যাত্ৰাৰ সূচনাত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলৰ নেতৃত্বত স্বামী বিবেকানন্দই দেখা সপোন বাস্তৱায়িত কৰিম বুলি আমি ছাত্ৰ-ছাত্ৰীসকল দৃঢ় প্ৰতিজ্ঞ হোৱাটো উচিত।

হে সতীৰ্থ, এই অঞ্চলৰ তথা মহাবিদ্যালয়খনৰ সুনাম অক্ষুণ্ণ ৰখাৰ বাবে সু-সংগঠিত, অধ্যয়নশীল, চিন্তাশীল, মহৎ তথা চিৰায়ৎ সৃষ্টিৰে মহাবিদ্যালয়ৰ নিজৰ তথা সমাজৰ উৎকৰ্ষৰ হকে কাম কৰিম বুলি আমি দৃঢ় প্ৰতিজ্ঞাবদ্ধ হওঁ আঁহক।

ক'ৰণা অতিমাৰীয়ে স্তবিৰ কৰা এক দুঃসহ সময়ৰ পিছত, দীৰ্ঘ অপেক্ষাৰ অন্তত আলোচনীখন প্ৰকাশ পালে। আলোচনীখন প্ৰকাশৰ আখৰা কালত মোক সকলো ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা মাননীয় শিক্ষাগুৰু ড° অলকা হুজুৰী বাইদেউ, ড° অঞ্জনজ্যোতি বৰা ছাৰ, ড° দিগন্ত কলিতা ছাৰ আৰু ড° ত্ৰৈলোক্য ডেকা ছাৰক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ সহপাঠী ডেভিদ মেধী আৰু ধৃতাশ্ৰী তালুকদাৰলৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে সম্পাদনা সমিতিৰ সকলো বিষয়ববীয়া, শিক্ষক-কৰ্মচাৰী তথা বন্ধু-বান্ধৱীয়ে মোক সহায়-সহযোগিতা আগবঢ়াইছে তেখেত সকলৰ প্ৰতিও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত আলোচনীখন প্ৰকাশত অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা ভিক্ষা মাগিছো। এই বৃহৎ অঞ্চলটোত শিক্ষা, সাহিত্য, সংস্কৃতিৰ জ্যোতি বিলাই অহা আমাৰ মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। সদৌ শেষত অনাগত দিনবোৰত মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতি কামনা কৰিলোঁ।

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয়,
জয়তু ছাত্ৰ একতা সভা

**যতীন দাস**
আলোচনী সম্পাদক
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা

# সূচীপত্ৰ


অসমীয়া শিতান

*প্ৰবন্ধ আৰু ভিন্ন লেখা*

- মহিলা সৱলীকৰণ আৰু কিছু প্ৰাসংগিক চিন্তা — *ধৃতাশ্ৰী তালুকদাৰ* / 1
- ভাৰতীয় নৃত্যৰ বিকাশ আৰু অসমৰ ধ্ৰুপদী নৃত্যৰ ঐতিহ্য — *মৃদুস্মিতা কলিতা* / 4
- পাহাৰৰ কোলাত চাৰিটা নিশা — *ডেভিদ মেধি* / 6
- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু এক শৰণ নামধৰ্ম — *সাগৰিকা কলিতা* / 10
- নামনি অসমৰ সুঁৱৰি বা সৰি উৎসৱ — *গুঞ্জনা দাস* / 12
- কভিড - ১৯ ঃ পৰৱৰ্তী কালত ভাৰতবৰ্ষ আৰু বিশ্বৰ বিভিন্ন দেশৰ মাজত অৰ্থনৈতিক সহযোগিতা আৰু বিকাশৰ এক অৱলোকন — *ফিৰোজা আহমেদ* / 13
- কলেজীয়া শিক্ষাৰ বিকাশ আৰু বিৱৰ্তন — *নীলাক্ষি কলিতা* / 15
- পৰিৱেশ — *গাৰ্গী মেধি* / 16
- অসমৰ খোৱা পানীৰ ফ্লৰা'ইড অপঃসাৰণত নেন' প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ — *ড° মানস জ্যোতি ডেকা* / 20
- সফলতাৰ সন্ধান বিচাৰি — *জীমনি পাটোৱাৰী* / 23
- সপোন, বাস্তৱ আৰু সংগ্ৰামৰ জীৱন্ত দলিল — *বিদ্যুৎ দত্ত* / 25
- গ' উইঠ দ্যা ফ্ল' — *জুনমণি পাঠক* / 27
- চৰাঞ্চলৰ বিষয়ে দুআষাৰ — *আৰ. জে. কৰিম* / 28
- যুৱ উচ্ছৃংখলতা আৰু বৰ্তমান সমাজ — *পুজা কলিতা* / 29

*কবিতা*

- এটি নিয়ৰৰ টোপাল — *যুগস্মিতা কলিতা* / 30
- শৰৎ সোঁৱৰণী নহয় কেতিয়াও — *অংকুমা দাস* / 30
- অশ্ৰুৰ উচুপনি — *ধনজিৎ কলিতা* / 31
- তেওঁক বিচাৰি — *নিৰ্মল চন্দ্ৰ ভোই* / 31 *শ্বাহ জামাল মোল্লা*
- কুঁৱলী — *যতীন দাস* / 32
- আহিনৰ নিয়ৰ — *অপৰাজিতা কলিতা* / 32
- এমুঠি কবিতা — *নৱনীতা পাঠক* / 33
- জীৱন তৃষ্ণা — *আছমা খাতুন* / 34
- কাৰো স'তে তুলনা নহয় তেওঁৰ (কা ব্যিক উপনাসিকা) — *ড° দিগন্ত কলিতা* / 35
- মৌনময়ী — *পৰিস্মিতা দাস* / 37
- সময় — *বিকাশ কলিতা* / 37
- শৰৎ, তেওঁ আৰু মই — *হিয়ামণি পাঠক* / 38
- প্ৰিয়জন (এটা প্ৰশ্ন) — *মফিদা বেগম* / 38
- বৰষুণ — *আতিকুল ইছলাম* / 39
- এইখন নৈ — *জিণ্টু কলিতা* / 39
- শৰতৰ খোজ — *ছন্দামিতা দাস* / 40
- শূন্য — *লীনা নাথ* / 40
- পৰমপিতা — *ৰিনা পাৰবিন* / 41
- যন্ত্ৰণাৰ দিনলিপি — *ৰিতুমণি কলিতা* / 41
- ফাগুন — *দ্বিপান্বিতা মেধি* / 42
- পুৰতিৰ নিয়ৰ — *থুনুপ্ৰভা কলিতা* / 42

*গল্প*

- আশাৰ ৰেঙনি — *প্ৰতীক্ষা কলিতা* / 43
- নমিতাৰ সেউজীয়া ঘৰ — *যতীন্দ্ৰ নাথ তালুকদাৰ* / 44
- বিষাদ গ্ৰস্ততা — *ভূমিজা বৰ্মন* / 46
- আশা — *মৃদুস্মিতা কলিতা* / 48

- মহাদান — *সাগৰিকা কলিতা* / 49
- আইতা আৰু নাতি ল'ৰা — *অঞ্জনা কলিতা* / 50


**সাক্ষাৎকাৰ**


- চলচিত্ৰ পৰিচালক ৰীমা দাসৰ সৈতে সাক্ষাৎকাৰ / 52


**প্ৰাচীৰ পঞ্জী**


- বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ খতিয়ান / 57


## English Section

**Article**


- Environmental Degradation and Economy — *Shahil Aktar Alaman* / 59
- Effective Education for Employment — *Dr. Dhiresh Chakravarty* / 60
- Know Your Goods and Services Tax (GST) — *Sahina Akhtar* / 65
- Agritourism : Prospects and Challenges — *Dr. Alaka Hujuri* / 67
- Economy Scenario of Assam — *Milan Das* / 70
- The Changing Role of Teachers Amidst The Covid-19 Pandemic — *Dr. Anjan Jyoti Borah* / 71
- Savings Habit and Financial Security of Students — *Dr. Trailokya Deka* / 73
- Rise of Online Learning in India during COVID 19 Pandemic : Opportunities and Challenges — *Rubi Baishya* / 76
- India in Space : The Saga of Indian Satellites — *Dr. Biman Lahkar* /79
- A Perspective on Medicinal Plants used by Mising Tribe of Assam, N. E. India — *Chiranjib Mili* / 81


**Poem**


- Your Best — *Asar Uddin* / 84
- Father of Nation — *Azad Minhaz Rahmatullah* / 84
- Come Let's Make Our Mother Nature Smile — *Inku Devi* / 85
- Our Greatest Fear — *Semim Nasrina Yesmin* / 86


**Lock Down Period Activities**


- Pandemic Diary, 2020 : Report on Departmental Activities /87


**প্ৰতিবেদন**


- ছাত্ৰ-শিক্ষকৰ অৱসৰ বিনোদন কেন্দ্ৰৰ উপ-সভাপতিৰ দু-আষাৰ / 90
- Report from the Coordinator, IQAC / 91
- সভাপতিৰ প্ৰতিবেদন / 94
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / 95
- সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / 96
- সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / 97
- সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন / 98
- ছাত্ৰ জিৰণি কোঠাৰ সম্পাদৰ প্ৰতিবেদন / 99
- ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন / 100
- সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / 101
- গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / 102
- ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন / 103


**নিয়মীয়া শিতান**


- College Governing Body / 104
- Internal Quality Assurance Cell, Core Committee / 105
- Student Teacher's Recreation Centre / 106
- Student Unoin / 107
- Faculty Members / 108
- Non Teaching Staff /111
- Results of Different Competitions of College Week : 2019-2020 / 112
- Result of the College of Last 5 years / 117



## অসমীয়া শিতান —

- প্ৰবন্ধ আৰু ভিন্ন লেখা
- কবিতা
- গল্প



# মহিলা সৱলীকৰণ আৰু কিছু প্ৰাসংগিক চিন্তা



ধৃতাশ্ৰী তালুকদাৰ
স্নাতক, তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

আৰম্ভণি ঃ

বৰ্তমান 'মহিলা সৱলীকৰণ' এটা সততে আলোচিত বিষয়। মহিলা সৱলীকৰণে মহিলাসকলক প্ৰত্যেক ক্ষেত্ৰতে আনৰ অধীনৰ পৰা মুক্ত হোৱাটোকে বুজায়। মহিলা সৱলীকৰণৰ বাবে মহিলা সকলৰ শৈক্ষিক, স্বাস্থ্য, অৰ্থনীতিৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ আদি দিশ সমূহ শক্তিশালী কৰা দৰকাৰ।

৮ মাৰ্চৰ দিনটো বিশ্বৰ সকলো ঠাইতে নাৰী দিৱস হিচাপে পালন কৰা হয়।

মানৱ জাতিৰ সৃষ্টিৰ ঘাইশিপা ডালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ মানৱ জাতি অস্তিত্বহীন। প্ৰাচীন কালত নাৰী শিক্ষা অতি আৱশ্যকীয় বুলি বিবেচনা কৰিছিল। ভাৰতবৰ্ষত সদা স্মৰণীয় মহিলাৰ ৰূপত জিলিকি কীৰ্তিৰে উজ্বলি আছে গাৰ্গী, মৈত্ৰেয়ী, সীতা, কুন্তী, দ্ৰৌপদী, মীৰাবাঈ, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, সৰোজনী নাইডু, কস্তুৰবা, মাদাৰ টেৰেছা, পদ্মশ্ৰী নলিনীবালা দেৱী, নিৰ্মল প্ৰভা বৰদলৈ, চন্দ্ৰ প্ৰভা শইকীয়ানী আদি। মহাকাশচাৰী কল্পনা চাওলাৰ কথা নকলোৱেইবা। মূলা গাভৰুৱে যুদ্ধত অংশগ্ৰহণ কৰিছিল। বৰৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজ্য চলাইছিল। নাৰীৰ সেই সময়ৰ সন্মান, মৰ্য্যদা অসীম আছিল। কিন্তু এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লে সমগ্ৰ নাৰী শিক্ষিত আৰু সুৰক্ষিত বুলিব নোৱাৰি। আজি সংসদ আৰু বিধানমণ্ডলত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হ'ল যদিও ১১ শতাংশতকৈ অধিক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই।

**সাম্প্ৰতিক সময়ৰ কেইখনমান মহিলা সৱলীকৰণ আঁচনি ঃ**

এতিয়াৰ প্ৰশাসনীয় ব্যৱস্থাই নাৰী সুৰক্ষা তথা নাৰী শিক্ষাৰ বাবে বিভিন্ন আঁচনি ৰূপায়ন কৰিছে। তলত আঁচনি সমূহৰ বিষয়ে বহলভাৱে আলোচনা কৰা হ'ল ।

**"বেটী বাচাও-বেটী পঢ়াও" ঃ**

এই "বেটী বাচাও - বেটী পঢ়াও" যোজনাখনে ছোৱালীৰ শিক্ষা আৰু সুৰক্ষাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। এই আঁচনিখন লিংগ অনুসৰি ০-৬ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত থকা অ-সমানুপাত দূৰীকৰণৰ হেতু কেন্দ্ৰীয় চৰকাৰে ২০১৫ চনৰ ২২ জানুৱাৰীত হাৰিয়ানাৰ পানীপথ জিলাত শুভাৰম্ভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ সমানে ৰাজ্য সমূহেও এই আঁচনিখন গ্ৰহণ কৰে। লিংগ বৈষম্য দূৰীকৰণ, কন্যা শিশুক সুৰক্ষা প্ৰদান তথা ভ্ৰূণ হত্যা বন্ধ কৰা আৰু ছোৱালীৰ শিক্ষা সু-নিশ্চিত কৰা আঁচনিখনৰ মুখ্য উদ্দেশ্য ।

**সুকন্যা সমৃদ্ধি যোজনা ঃ**

২০১৫ চনৰ ২১ জানুৱাৰী তাৰিখে "বেটী বাচাও -বেটী পঢ়াও" আঁচনিখনৰ অন্তৰ্গত "সুকন্য সমৃদ্ধি যোজনা" নামৰ এখন আঁচনি আৰম্ভ কৰা হৈছিল আৰু ২০১৮ চনৰ ২৩ জুলাই তাৰিখে এই আঁচনিখনৰ কিছুক্ষেত্ৰত পৰিৱৰ্তন কৰা হয়। আঁচনি অনুসৰি ১০ বছৰতকৈ সৰু ছোৱালী এজনীৰ অভিভাৱক বা পিতৃ-মাতৃয়ে সেই ছোৱালীজনীৰ নামত নিকতৱৰ্তী ডাকঘৰ বা বেংকত ২৫০ টকাৰে এটা একাউণ্ট খুলিব পাৰিব। আৰম্ভণিতে জমাৰ পৰিমাণ ১০০০ আছিল, এতিয়া কমি গৈ ২৫০ টকা হৈছে। এই ধন ১৪ বছৰ বয়সলৈ জমা কৰিব পাৰিব আৰু ছোৱালী জনীৰ ২১ বছৰ সম্পূৰ্ণ হলেহে মেচিঅ'ৰিটি হ'ব। সেইদৰেই অভিভাৱকে আৰ্থিকভাৱে কন্যা শিশু এজনীক সুৰক্ষিত কৰিব পাৰিব।

**মহিলা সমৃদ্ধি যোজনা ঃ**

মহিলা সকলৰ ৰোজগাৰ ব্যৱস্থাৰ বাবে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে মহিলা সমৃদ্ধি যোজনা নামৰ এখন আঁচনি ৰূপায়ন কৰিছিল । এই আঁচনিখনৰ উদ্দেশ্য হ'ল — আত্মসহায়ক গোটবোৰক আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা। ক্ষুদ্ৰ ধন প্ৰদান কৰি গ্ৰাম্য মহিলাসকলক স্বাৱলম্বী কৰি গ্ৰাম্য অৰ্থনীতিৰ বিকাশ সাধনৰ ওপৰত গুৰুত্ব দিয়া হয়। এই আঁচনিৰ অধীনত উপলব্ধ ঋণ ৪ বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগে। এই আঁচনিখন দুখীয়া বিধবা তথা আৰ্থিকভাৱে পিছপৰা

মহিলা সকলক সাহাৰ্য্য প্ৰদানৰ নিমিত্তে ৰূপায়ন কৰা হৈছিল। অৱশ্যে এই আঁচনিখনৰ জৰিয়তে বহুসংখ্যক মহিলা স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে।

**কনকলতা মহিলাসৱলীকৰণ আঁচনি ঃ**

২০১৮ চনৰ ১ এপ্ৰিল তাৰিখে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে "কনকলতা মহিলা সৱলীকৰণ আঁচনিৰ" শুভাৰম্ভ কৰে। এই আঁচনিখনৰ অধিনত ১ লাখ আত্মসহায়ক গোট গঠন কৰি ১০ লাখ মহিলাক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ১ লাখ আত্মসহায়ক গোটক ২৫,০০০ টকা দিয়া হ'ব আৰু যি সকলে ১৫,০০০ ঘূৰাই দিছিল চৰকাৰে তেওঁলোকক অৰিৰিক্ত ১০ হাজাৰ টকা প্ৰদান কৰিছে। এইদৰে দুৰ্বল, দৰিদ্ৰ আৰু অসহায় মহিলাসকলক ঋণ প্ৰদান কৰি স্বাৱলম্বী হোৱাৰ পথ দেখুৱাইছে। যাৰ জৰিয়তে মহিলাসকল আত্মনিৰ্ভৰশীল হৈ আৰ্থিকভাৱে সবল জীৱন যাপন কৰাৰ লগতে আনকো সহায় কৰিব পাৰিব।

*নাৰী আৰু পুৰুষ উভয়ে হাতত ধৰা ধৰিকৈ আগবাঢ়ি গৈছে। নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰী এই কথা কল্পনা কৰিবলৈও কঠিন; কিয়নো প্ৰাকৃতিকভাৱে পৃথক সত্বা হৈও দুয়ো সত্বা হৈছে এটা আনটোৰ পৰিপূৰক। নাৰী বহুদূৰ আগুৱাই গৈছে। আকাশ চুইচে নাৰীয়ে, হিমালয়ৰ শিখৰত ভৰি দিছে নাৰীয়ে। তথাপিও কোনোবাখিনিত যেন এতিয়াও বিসংগতি ৰৈ গৈছে। কি সেই বিসংগতি ? সমাজ ব্যৱস্থাই ইয়াৰ কাৰণ নে আমাৰ পাশ্চাদগামী মানসিকতা ? বহুতে আকৌ এই বিসংগতিৰ সৈতে অতি আধুনিকতাৰ প্ৰসঙ্গটোকো সজোৰে উত্থাপন কৰে। কিন্তু প্ৰকৃত সত্য কি ?*

**মহিলা-ই-হাট ঃ**

ডিজিটেল ভাৰতে সামৰি লোৱা "মহিলা-ই-হাট" যোজনাৰ মূল উদ্দেশ্যে হৈছে- সেইসকল গৃহিনী যিসকলে কামে-কাজে নিপুন হোৱা সত্বেও স্বাৱলম্বী নহয়। গৃহিনীসকলৰ ওপৰত দৃষ্টি ৰাখিয়েই মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে এনেকুৱা এখন ই মঞ্চ তৈয়াৰ কৰিছে য'ত মহিলা সকলে ঘৰত বহিয়ে নিজৰ কৌশল খটুৱাই উপাৰ্জন কৰি আত্ম-নিৰ্ভৰশীল হব। যাৰ বাবে এই আঁচনিখনৰ নাম " ই-হাট-" দিয়া হৈছে।

**ৰান ষ্টপ চেণ্টাৰ আঁচনি ঃ**

দেশ কঁপাই যোৱা "নিৰ্ভয়া কাণ্ড"ৰ পিছত এখন আঁচনি ৰূপায়ন কৰা হৈছিল। সেয়াই আছিল "ৱান ষ্টপ চেণ্টাৰ" আঁচনি। এই আঁচনিখনে হিংসা বা অত্যাচাৰৰ বলি হোৱা মহিলা সকলক সুৰক্ষা প্ৰদান কৰাৰ উপৰিও তেওঁলোকক আৰক্ষী, আইন, চিকিৎসা তথা পৰামৰ্শ সেৱা আগবঢ়াবলৈ প্ৰস্তুত কৰা হৈছে।

**নাৰীশক্তি পুৰস্কাৰ ঃ**

দুৰ্বল আৰু পীড়িত মহিলা সকলৰ বাবে নিঃস্বাৰ্থভাৱে কাম কৰি থকা বিভিন্ন সংস্থা তথা মহিলাসকলক উদগণি দিবৰ বাবে এখন আঁচনি প্ৰৱৰ্তন কৰা হৈছে। সেইখনেই হৈছে "নাৰী শক্তি পুৰস্কাৰ" আঁচনি। ২০১৯ চনত এই আঁচনিখন গ্ৰহণ কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে নগদ পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হৈছে।

**নাৰী সৱলীকৰণত সন্মুখীন হোৱা কিছুমান ব্যাধি ঃ**

নাৰী আৰু পুৰুষ উভয়ে হাতত ধৰা ধৰিকৈ আগবাঢ়ি গৈছে। নাৰী অবিহনে পুৰুষ আৰু পুৰুষ অবিহনে নাৰী এই কথা কল্পনা কৰিবলৈও কঠিন; কিয়নো প্ৰাকৃতিকভাৱে পৃথক সত্বা হৈও দুয়ো সত্বা হৈছে এটা আনটোৰ পৰিপূৰক। নাৰী বহুদূৰ আগুৱাই গৈছে। আকাশ চুইচে নাৰীয়ে, হিমালয়ৰ শিখৰত ভৰি দিছে নাৰীয়ে। তথাপিও কোনোবাখিনিত যেন এতিয়াও বিসংগতি ৰৈ গৈছে। কি সেই বিসংগতি ? সমাজ ব্যৱস্থাই ইয়াৰ কাৰণ নে আমাৰ পাশ্চাদগামী মানসিকতা ? বহুতে আকৌ এই বিসংগতিৰ সৈতে অতি আধুনিকতাৰ প্ৰসঙ্গটোকো সজোৰে উত্থাপন কৰে। কিন্তু প্ৰকৃত সত্য কি ?

প্ৰকৃত সত্য এয়াই যে আমাৰ দেশত আজিও দৈনিক ১০৬ গৰাকীকৈ নাৰী ধৰ্ষণৰ বলি হয়, দিনেও সন্ধানহীন ৬ শতাধিক। বিদ্যালয়-মহাবিদ্যালয়, খেল পথাৰ, ৰেল বাছ, কতোৰে সুৰক্ষিত নহয় নাৰী। ৫ বছৰীয়া কন্যাক বিদ্যালয়লৈ পঠিয়াবলৈ লওতে ও কপি উঠে মাতৃৰ বুকু। কপি নুঠিবয়ে বা কিয় ? য'ত মাতৃ নিজে কপি থাকিব লগা হয় ভয়ত। কোনো জৰুৰী কামত বহু সাহস কৰি ওলাই আহিলেও চিনাকী পুৰুষৰ দু-চকুৰ চাৱনিয়ে ভেদ কৰি যায় পোচাক। আকৌ সেই একেই প্ৰশ্ন, এনে কিয় হয় আমাৰ দেশত ! কিছুদিন আগত ছোচিয়েল মিডিয়াত একাংশ লোকে এটা পোষ্ট কৰিছিল। পোষ্টটো আছিল এনে ধৰণৰ — "নগ্নতা যদি ফেশ্যন হয়, ধৰ্ষণ তেন্তে শাৰীৰিক ব্যায়াম" এই পোষ্টটো প্ৰত্যক্ষ কৰি যিকোনো যুক্তিবাদী লোকে হতচকিত হৈ পৰাটো নিশ্চিত। কেনে নীচ মানসিকতাৰ লোকৰ মনলৈ এনে চিন্তা আহিব পাৰে। এই কথা ভাবি মই বহু সময় ধৰি তভক মাৰি আছিলো। ভাবিছিলো এনে লোকে লিঅ'নাৰ্ডো দ্য ভেঞ্চিৰ সেই বিখ্যাত সৃষ্টি মনালিচাৰ হাঁহিলৈ চাই হয়তো কোনো কালেই বিস্মিত হব নোৱাৰিব।

উপলব্ধি কৰিব নোৱাৰিব নাৰীৰ সৌন্দৰ্য্যৰ আঁৰৰ সৌন্দৰ্য্য। দুৰ্ভাগ্যৰ কথা এয়ে যে এতিয়া এনে চিন্তাৰ লোকেৰে ভৰি পৰিছে আমাৰ সমাজ। মুঠৰ ওপৰত নাৰী সৱলীকৰণ, নাৰী সুৰক্ষা, নাৰীৰ অধিকাৰ সকলোবোৰতে কেবল ধোঁৱলী-কুঁৱলী সদৃশ পৰিবেশ। ভিতৰুৱা গাঁৱৰ কন্যা হিমা দাসে অলেখ কষ্টৰ মাজত লাভ কৰা সাফল্যৰ বাতৰি পঢ়ি হোৱা গৌৰৱবোধ অনুভৱ কৰিবলৈ নৌ-পাওতে ঘৰৰ কাষৰে ঠাইখনত সংঘতিত হোৱা বোৱাৰী নিৰ্য্যাতন অথবা ৫ বছৰীয়া কন্যা শিশুক ধৰ্ষণৰ বাতৰি । এই বোৰৰ মাজতো আমি আশাবাদী হৈ পৰো বিদেশৰ সেই বিশেষ খবৰবোৰ পঢ়ি "নিউজিলেণ্ডৰ এগৰাকী মন্ত্ৰী, মহিলা কল্যাণ বিভাগৰ দায়িত্বত আছে জুলি এনিজেণ্টাৰ। তেওঁ সন্তান জন্ম দিবলৈ বুলি নিজেই চাইকেল চলাই গৈ ভৰ্ত্তি হৈছে হস্পিতালত"। হয় এয়াই মহিলাৰ শক্তি, সাহস, এয়াই প্ৰকৃত মহিলা সৱলীকৰণ।

২১ শ শতিকাৰ দ্বিতীয় দশকৰ দুৱাৰ দলিত বাল্য বিবাহৰ দৰে কু-সংস্কাৰ সমাজ জীৱনৰ বাবে এক অভিশাপ। ভাৰতত প্ৰায় ৪৭ শতাংশ কন্যা সন্তানৰ ১৪ বছৰৰ আগেয়ে বিবাহ সম্পন্ন কৰা হয়। ৰাষ্ট্ৰসংঘৰ এটা সমীক্ষা মতে, সৰ্বাধিক বাল্যবিবাহ প্ৰচলন থকা বিশ্বৰ দেশ সমূহৰ ভিতৰত ভাৰতৰ স্থান দ্বিতীয়। শিক্ষা, অধিকাৰ, মৰ্য্যদাৰ পৰা শৈশৱৰ কৈশোৰক বঞ্চিত কৰা বাল্য বিবাহ বিশ্বজনীন সামাজিক কু-সংস্কাৰ। দৰিদ্ৰতা তথা সামাজিক নিৰাপত্তাহীনতা বাল্য বিবাহৰ প্ৰধান কাৰণ। কিশোৰী কন্যা সন্তানক দায়িত্বৰ বোজা পাতলাবলৈ ১৪ বছৰৰ আগেয়ে বিয়া দিয়ে। শিক্ষা, স্বাস্থ্য আদি মৌলিক অধিকাৰ হেৰুৱাই সেই কিশোৰীসকলে অকাল বৈবাহিক বান্ধোনৰ দাসত্বৰ বন্দী হৈ থাকে। অসম, পশ্চিম বংগ, বিহাৰ, ৰাজস্থান, হাৰিয়ানা আদিত বাল্য বিবাহৰ প্ৰচলন আছে।

ভাৰতবৰ্ষত যদিও বিভিন্ন আঁচনিৰ জৰিয়তে নাৰী সুৰক্ষাত গুৰুত্ব আৰোপ কৰিছে তথাপিও কিছু ক্ষেত্ৰত সম্পূৰ্ণ সফল হব পৰা নাই। সাধাৰন নাৰী সকলৰ ক্ষেত্ৰত সেয়া হৈ উঠা নাই। আজিও পদে পদে লাঞ্ছিতা হয় তেওঁলোক। সেই বোৰ প্ৰত্যক্ষ কৰিয়ে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি পুৰুষ প্ৰধান আমাৰ সমাজত প্ৰচলিত হৈ আহে "অবলা নাৰী"ৰ দৰে শব্দবোৰ। আজিও দিনে পঢ়িবলৈ পাও — নাৰী নিৰ্যাতন, ভ্ৰূণ হত্যা, ডাইনি হত্যা, ধৰ্ষণকে ধৰি নানান খবৰ।

**মহিলাৰ বাবে আসন সংৰক্ষণ ঃ**

ভাৰতীয় গণতন্ত্ৰত সংৰক্ষণ ব্যৱস্থা বৰ গুৰুত্বপূৰ্ণ। বিভিন্ন সময়ত এই বিষয়ত যথেষ্ট বিবাদৰো উদ্ভৱ নোহোৱা নহয়। বহুতে অভিযোগ আনিছিল যে যেতিয়া ১৯৯৩ চনত মহিলাৰ বাবে আসন সংৰক্ষণ ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছিল, সংৰক্ষণ ব্যৱস্থাৰ লাভ পুৰুষে উপভোগ কৰিছিল। তেতিয়া মহিলা সকলক মাত্ৰ ৰাবাৰ ষ্টাম্পৰ দৰেহে ব্যৱহাৰ কৰা হৈছিল। কিন্তু বৰ্তমান পৰিস্থিতি সলনি হৈছে। শিক্ষিত মহিলা সকলে বৰ্তমান সমাজক সেৱা কৰাৰ বাবে ৰাজনৈতিক সুবিধাবোৰৰ উচিত ব্যৱহাৰত গুৰুত্ব দিছে।

আজি মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰি দিছে। মহিলাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে কেন্দ্ৰীয় কেবিনেটে পঞ্চায়তীৰাজ অনুষ্ঠানৰ বাবে বৰ্তমানে ৩৩ শতাংশৰ ঠাইত ৫০ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

মহিলাসকলৰ ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণৰ বাবে সংৰক্ষণ এক প্ৰচেষ্টা। সংৰক্ষণে মহিলা প্ৰাৰ্থী সকলক নিজৰ অঞ্চলৰ সমস্যাবোৰ সমাধানৰ বাবে সুযোগ প্ৰদান কৰে। গাঁৱৰ সমস্যা সমূহ স্থানীয় শাসনৰ জৰিয়তে গাওঁ পৰ্য্যায়তে সমাধানৰ বাবে চেষ্টা কৰা হয়। মহিলা সকলে সমস্যা সমূহ বেছি সূক্ষ্মভাৱে বুজিব পাৰে। যিবোৰ সমস্যা নিবনুৱা, খোৱা পানী, ৰাস্তা, পোহৰ, বিদ্যালয়, স্বাস্থ্য আদিবোৰৰ লগত জড়িত। এইবোৰ মহিলাসকলৰ দ্বাৰা অধিক ক্ষিপ্ৰতাৰে সমাধান কৰাৰ থল আছে ।

**সামৰণি ঃ**

"এজন পুৰুষক শিক্ষা দিয়া মানে এজন ব্যক্তিক শিক্ষা দিয়া, এগৰাকী নাৰীক শিক্ষা দিয়া মানে দহগৰাকী ব্যক্তিক শিক্ষা দিয়া, এটা পৰিয়ালক শিক্ষিত কৰা, এখন সমাজ শিক্ষিত কৰা। "

— ওপৰোক্ত উক্তিটো আছিল জাতিৰ পিতা মহাত্মা গান্ধীৰ। তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে, যেতিয়ালৈকে নাৰী শিক্ষিত নহয়, তেতিয়ালৈকে নাৰী - কু-সংস্কাৰ, অন্ধ বিশ্বাস, ঘৰুৱা হিংসা, ধৰ্ষণ আদিৰ বলি হৈয়ে থাকিব। সেয়েহে আমাৰ সমাজত নাৰী শিক্ষা খুবেই প্ৰয়োজন। উপৰোক্ত সমস্যা সমূহৰ কাৰণ হিচাপে যদি চাবলৈ যাওঁ তেতিয়াহলে দেখা যায় নিৰক্ষৰতা বা অনগ্ৰসৰতাই হৈছে তাৰ মূল কাৰণ। শিক্ষাই ঘৰৰ চাৰিবেৰৰ দেৱালৰ মাজত আৱদ্ধ এগৰাকী নাৰীৰ বাবেই সুন্দৰ বৰ্হিজগতত প্ৰৱেশ কৰা এক উন্মুক্ত দ্বাৰ। আমাৰ সমাজ ব্যৱস্থাই অত্যাধুনিক বিজ্ঞান প্ৰযুক্তিয়ে উপহাৰ দিয়া অত্যাধুনিক গেজেদ সমূহকহে বিনা প্ৰশ্নই আকোৱালি লৈছে, আকোৱালি লোৱা নাই আধুনিক বিজ্ঞান সন্মত চিন্তা-ধাৰা। যাৰ বাবে আমি শুনিবলৈ পাও কোনো পৰিস্থিতিত আপোনজনৰ সৈতে কটোৱা অন্তৰংগ মূহুৰ্তৰ ফটো ভাইৰেল হৈ পৰিলে অপমানত জৰ্জৰিত হৈ নিজক শেষ কৰি পেলোৱাৰ বাতৰি।

সামৰণিত ক'ব পাৰি যে সম্পূৰ্ণ ৰূপে নহলেও কিছু পৰিমাণে হলেও মহিলা সৱলীকৰণৰ দৰে আঁচনি সমূহ সফল হোৱা দেখা গৈছে। আমাৰ আশা — ধৰা ধৰিকৈ আগবাঢ়ি যাওক নাৰী আৰু পুৰুষ। এই পৃথিৱীত চলক নাৰী পুৰুষৰ সমান ৰাজত্ব। এনেকৈয়ে নিশ্চয় এদিন আহিব সুন্দৰ সময়। □

# ভাৰতীয় নৃত্যৰ বিকাশ আৰু অসমৰ ধ্ৰুপদী নৃত্যৰ ঐতিহ্য





মৃদুস্মিতা কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

নৃত্য সকলোৰে প্ৰিয় এক মনোৰঞ্জনৰ মাধ্যম— যি পৰিৱেশ্য কলাৰ অন্তৰ্গত। অথচ এই নৃত্যৰ বিষয়ে বৌদ্ধিক মহলত বা সাহিত্য সমাজত বিশেষভাৱে চৰ্চা হোৱা দেখা নাযায়। এনে এবিধ প্ৰাচীন ঐতিহ্যপূৰ্ণ পৰিৱেশ্য কলাৰ বিষয়ে তাত্ত্বিক কথাবোৰ নৱ প্ৰজন্মৰ সন্মুখত প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো আজিৰ সমাজৰ কাণ্ডাৰীসকলৰ বাবে দায়িত্ব বুলিয়েই আমাৰো অনুভৱ হয়। মোৰ সীমিত তথা পুথিগত জ্ঞানেৰে এই বিষয়ত কিছু আলোচনা আগবঢ়াবলৈ প্ৰচেষ্টা কৰিছোঁ। ত্ৰুটি মাৰ্জনা কৰে যেন।

নৃত্য কি ? যি শাৰীৰিক ভংগীমাৰ দ্বাৰা মানুহে মনৰ ভাৱ প্ৰকাশ কৰে সেয়াই হৈছে নৃত্য। অৰ্থাৎ মনৰ মাজত আৱিৰ্ভাৱ হোৱা ভাৱৰ শাৰীৰিক নিৰ্দিষ্ট নিয়মবদ্ধ প্ৰকাশভংগীকেই নৃত্য বুলি কোৱা হয়। বৰ্তমানৰ যি নৃত্য, সি কিমান বছৰ পাৰ হৈ এই ৰূপ লৈছে সেইটো সঠিককৈ কোৱা কঠিন যদিও মানৱ সৃষ্টিৰ আৰম্ভণিৰ পৰাই সংগীত, নৃত্য আদি কলাৰো সৃষ্টি হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে।

প্ৰাচীন শাস্ত্ৰানুসৰি মহাদেৱেই হ'ল নৃত্যৰ সৃষ্টিকৰ্তা আদি গুৰু। মহাদেৱৰ ডম্বৰুৰ ধ্বনিৰ পৰাই উদ্ভৱ হ'ল ছন্দৰ অনুৰণন আৰু ইয়াৰ লগত দেহত ছন্দ সংযুক্ত হৈ নৃত্যৰ ৰূপ লয়। তাৰ পিছত ভৰত মুনিয়ে সংগীত অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য পৃথিৱীত প্ৰচলন কৰে। প্ৰবাদ আছে যে প্ৰাচীন কালত কেৱল ব্ৰাহ্মণসকলেহে চাৰি বেদৰ জ্ঞান লভিবলৈ অধিকাৰ লাভ কৰিছিল। ইয়াতে দুঃখিত হৈ বাকীসকলে ব্ৰহ্মাৰ ওচৰত প্ৰাৰ্থনা জনালে যাতে ব্ৰহ্মাই তেওঁলোকৰ বাবে পঞ্চম বেদ ৰচনা কৰে। প্ৰাৰ্থনা অনুসাৰে ব্ৰহ্মাই ঋক বেদৰ পৰা ছন্দ আৰু মুৰ্চ্ছনা, সামবেদৰ পৰা সংগীত, যৰ্জু বেদৰ পৰা অভিনয় আৰু অথৰ্ব বেদৰ পৰা ৰস ভাৱ আহৰণ কৰি এখন পঞ্চম বেদৰ সৃষ্টি কৰে। এই পঞ্চম বেদেই নাট্যবেদ ৰূপে খ্যাতি পায়। ব্ৰহ্মাই এই বেদ মৰ্ত্যৰ ভৰত মুনিক প্ৰদান কৰে। ভৰত মুনিয়ে এই বেদত বৰ্ণিত বিধান অনুসৰি এটি অপ্সৰা দলক নৃত্যনাট্য শিক্ষা দি নটৰাজ শিৱৰ সন্মুখত প্ৰদৰ্শন কৰায়। ইয়াতে মুগ্ধ হৈ শিৱই ভৰত মুনিক তাণ্ডৱ নৃত্য আৰু পাৰ্বতীক লাস্য নৃত্য প্ৰদান কৰে। এনেদৰে শাস্ত্ৰসন্মত নৃত্য বৈদিক যুগৰ পৰাই

প্ৰচলিত বুলি ক'ব পাৰি । বাল্মীকিৰ ৰামায়ণ, মহাভাৰতৰ বিৰাট পৰ্ব, পাণিনিৰ ব্যাকৰণ, পতঞ্জলিৰ মহাভাষ্য আদি পৌৰাণিক গ্ৰন্থতো নৃত্যনাট্যৰ বিষয়ে উল্লেখ পোৱা যায়।

দ্বিতীয়ৰ পৰা পঞ্চম শতিকাৰ ভিতৰত ৰচিত হয় ভৰত মুনিৰ 'নাট্যশাস্ত্ৰ' আৰু নন্দিকেশ্বৰৰ ' অভিনয় দৰ্পণ'। নৃত্য নাট্য আদিৰ ওপৰত ৰচিত এই দুখনেই প্ৰধান আদি গ্ৰন্থ।

ইয়াৰ পিছত ক্ৰমান্বয়ে বৌদ্ধ যুগ, গুপ্ত যুগ আদিতো নৃত্যনাট্যৰ চৰ্চা হৈছিল। এঘাৰ শতিকাৰ পৰা ভাৰতলৈ মুছলমানসকলৰ আগমন হয়। তেওঁলোকৰ কেইজনমান মোগল সম্ৰাটৰ পৃষ্ঠপোষকতাত তানসেন বৈজুবাওৰা, সদাৰংগ অদাৰংগ আদি বিখ্যাত ব্যক্তিসকলে ইয়াৰ চৰ্চা চলাই গৈছিল। বৃটিছৰ ৰাজত্ব কালত নৃত্য কলা সমাজত অৱহেলিত হৈছিল। পশ্চিমীয়া কৃষ্টি-সংস্কৃতিয়ে এচাম লোকৰ মাজত বিকৃত ৰুচিৰ সৃষ্টি কৰিছিল। এনেধৰণে বিভিন্ন বিপৰ্যয়ৰ সন্মুখীন হৈ ১৫-১৬ শতিকাত মীৰাবাঈ, কবীৰ, জয়দেৱ, চৈতন্যদেৱ আদিয়ে ভক্তিমূলক গীতৰ মাধ্যমেৰে ইয়াৰ চৰ্চা আগবঢ়াই নিছিল।

অসমতো শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ আদি মনীষীসকলে নিজস্ব সৃষ্টিৰে এই গীত-নাট্য আদিৰ ভঁৰাল টনকীয়াল কৰিছিল। এচাম সাধকৰ প্ৰচেষ্টাত লাহে লাহে শিক্ষিত সমাজৰ পুৰুষ মহিলায়ো নৃত্যৰ সেৱাত জীৱন আগবঢ়াই ভাৰতীয় নৃত্যৰ জ্যোতি বিশ্বত বিয়পাই পেলায়। এই বিবিধ লোক নৃত্যৰ মাজৰ পৰাই নতুন ৰূপত সাজি-কাচি শাস্ত্ৰীয় মাৰ্গী নৃত্যৰূপে ভাৰতৰ বিভিন্ন স্থানত যেনে — কেৰেলাত 'কথাকলি', 'মোহিনী আট্টম', তামিলনাডুত 'ভাৰত নাট্যম', অন্ধ্ৰ প্ৰদেশত 'কুচি পুড়ী', উৰিষ্যাত 'অ'ডিছি', উত্তৰ ভাৰতত 'কথক' মণিপুৰত 'মণিপুৰী' আৰু শেহতীয়াকৈ ২০০০ চনত অসমৰ 'সত্ৰীয়া' নৃত্যই ধ্ৰুপদী নৃত্যৰ স্বীকৃতি লাভ কৰি বৰ্তমান প্ৰচলিত ধাৰাটোক আগবঢ়াই নিছে।

বৰ্তমান অসমত ধ্ৰুপদী নৃত্য বুলিলে এইসমূহ নৃত্যকে বুজা যায়। যেনে — (১) সত্ৰীয়া নৃত্য, (২) সভাগোৱা (বিবাহৰ ওজাপালি), (৩) দেওঘৰৰ নটিৰ নৃত্য। গৌৰৱৰ বিষয় যে অসমৰ ধ্ৰুপদী নৃত্যৰ ইতিহাস বহু পুৰণি আৰু বিচিত্ৰ। প্ৰাক্ শংকৰী যুগত শোণিতপুৰৰ ৰজা বানৰ জীয়ৰী ঊষাই পাৰ্বতীৰ পৰা নৃত্য শিক্ষা লৈ অসম (প্ৰাগজ্যোতিষপুৰ) ত লাস্য নৃত্যৰ আৰম্ভণি কৰিছিল। প্ৰাচীন কামৰূপৰ শিৱসাগৰত পোৱা নটৰাজৰ মূৰ্তি, নৃত্যৰত গণেশৰ মূৰ্তি আদিৰ পৰাও এই বিষয়ে জনা যায়। শ্ৰীমন্ত শংকৰদেৱে পোন প্ৰথমে 'চিহ্নযাত্ৰা'ৰ জৰিয়তে যুগান্তকাৰী গীত, নৃত্য, নাট্যৰ পাতনি মেলে।

এইদৰেই শতিকাৰ পিছত শতিকা পাৰ হৈ অহা অসমৰ ধ্ৰুপদী নৃত্যৰ ধাৰা গুৰু দুজনাৰ আদৰ্শ সত্ৰসমূহত আজিও আদৰেৰে চৰ্চা হৈ আছে।

বৰ্তমান সময়ত অসম তথা ভাৰতবৰ্ষৰ আৰু অন্যান্য দেশতো এক বিশেষ ধৰণৰ নৃত্য শৈলীয়ে জনপ্ৰিয়তা লাভ কৰা দেখা গৈছে। যাক সৃষ্টিশীল নৃত্য (Creative Dance) নামেৰে অভিহিত কৰা গৈছে। ধ্ৰুপদী নৃত্যৰ শাস্ত্ৰীয় নীতি-নিয়মৰ পৰা কিছু আঁতৰত থাকি নিজস্ব সৃষ্টিশীলতাৰে উপযুক্ত সাজপাৰেৰে সুৰ আৰু সংগীতৰ ছন্দবদ্ধ শাৰীৰিক প্ৰকাশভংগীকেই সৃষ্টিশীল (Creative Dance) নৃত্য বুলি কোৱা হয়।

এই নৃত্যৰ ধাৰাটোৰ সাংস্কৃতিক প্ৰমূল্য কিমান নিশ্চয় বিচাৰ্য্যৰ বিষয় নহয়। অৱশ্যে এই ধাৰাটোৱে কোনো এটা শাস্ত্ৰীয় নৃত্যৰ শৈলীকে বিশুদ্ধভাৱে প্ৰতিনিধিত্ব নকৰে। ভৱিষ্যতে এই নৃত্য শৈলীটোৱেই শাস্ত্ৰীয় নৃত্যৰ অপভ্ৰংশৰ ৰূপত পৰিৱেশ্য নহ'ব বুলি কোনেও নিশ্চিতভাৱে ক'ব নোৱাৰে। সেয়েহে সময় থাকোঁতেই সংস্কৃতিৱান ব্যক্তিসকলে এই সম্পৰ্কত চিন্তা-চৰ্চা কৰাৰ ক্ষণ সমাগত।

প্ৰসংগপুথি ঃ


(১) 'সত্ৰীয়া নৃত্যত এক দৃষ্টিপাত', অধ্যাপক শৈলেন শইকীয়া

(২) 'নৰ্তন কলা মঞ্জুৰী', চাৰু বৰদলৈ

(৩) 'সংগীত দাপোণ', ৰুমী নায়ক

(৪) 'নৃত্য মঞ্জীৰ', পবিত্ৰ প্ৰাণ বৰা ▯


*কিতাপৰ পাতৰ পৰা শিক্ষক-শিক্ষয়িত্ৰীসকলে তোমালোকক চৰিত্ৰ দিব নোৱাৰে। চৰিত্ৰ গঠন আচল জীৱনৰ পৰাহে আহে । প্ৰকৃতপক্ষে তোমালোকৰ নিজৰ ভিতৰৰ পৰাহে চৰিত্ৰ বিকাশ হ'ব লাগিব ।*

— মহাত্মা গান্ধী

# পাহাৰৰ কোলাত চাৰিটা নিশা





ডেভিদ মেধি
স্নাতক, তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

১০ চেপ্তেম্বৰ, ২০১৯। দুপৰীয়া ১২ বাজি ৪৫ মিনিট। মেজৰৰ দ্বিতীয়টো ক্লাছ শেষ হোৱা পাঁচ মিনিট হৈছে মাথোন। লগৰ বন্ধু যতীন, কংকন, প্ৰতিক্ষা, গাৰ্গীৰ সৈতে মই কেণ্টিনলৈ বুলি ওলালো। তেতিয়াও দ্বিতীয়টো মেজৰৰ ক্লাছৰ বাবে প্ৰায় এঘণ্টা সময় বাকী। কেণ্টিন গৈ দেখো যে ডিপাৰ্টমেণ্টৰ অগ্ৰজ দুই এজনৰ সৈতে লগৰীয়া দুজনমান চাহৰ জুতি লোৱাত ব্যস্ত। আমিও তাতেই যোগ দিলো। লাহে লাহে দুই-এজনকৈ ডিপাৰ্টমেণ্টৰ বাকী বন্ধু-বান্ধৱীসকলেও তাত আহি লগ হ'ল। বিভিন্ন কথাৰে আমাৰ এই আড্ডা জমি উঠিল।

বিভিন্ন কথাৰ মহলা মাৰি থকাৰ মাজতেই ধেমালি সুৰত ডিপাৰ্টমেণ্টৰ অগ্ৰজ দুজনীমান বাইদেউৰ আমালৈ বুলি প্ৰস্তাৱ, 'অই, ব'ল আমি ডিপাৰ্টমেণ্টৰ সকলোৰে কৰবালৈ ফুৰিবলৈ যাওঁ।' সেইখিনি সময়ত যেন সকলোৰে মন আনন্দৰে পৰিপূৰ্ণ। এজনৰ পিছত আনজনে ঠাইৰ নামৰ প্ৰস্তাৱ আগবঢ়োৱাত ব্যস্ত। তেনেকৈ ভাবি থাকোতেই লগৰ এজনে চিঞৰিলে—" ক্লাছৰ সময় হৈছে ব'ল"। তাতেই আমাৰ সেইদিনাখনৰ আড্ডাৰ সামৰণি ঘটিল আৰু আমি সকলোৰে নিজৰ ক্লাছলৈ বুলি আগবাঢ়িলো। বাইদেউ কেইগৰাকীয়ে ধেমেলীয়া সুৰত কোৱা কথাখিনিয়ে লাহে লাহে এটা পৰিকল্পনালৈ ৰূপান্তৰিত হ'ল আৰু এই বিষয়ে ডিপাৰ্টমেণ্টৰ ছাৰসকলক অৱগত কৰোৱাত তেওঁলোকেও ইয়াৰ প্ৰতি সঁহাৰি জনালে। বহু অপেক্ষাৰ অন্তত আমাৰ এই পৰিকল্পনা বাস্তৱত পৰিণত হ'ল। ভ্ৰমণৰ গন্তব্যস্থলী হিচাপে ঠিক কৰা হয় উত্তৰ-পূৰ্বাঞ্চলৰ সাত ভনীৰ কনিষ্ঠতম ভাতৃ সুউচ্চ পাহাৰেৰে আবৃত ছিকিম।

২ অক্টোবৰ, ২০১৯। অধিক অপেক্ষাৰ অন্তত আমাৰ সকলোৰে সেই আগ্ৰহৰ দিনটো আহি পৰিল। ডিপাৰ্টমেণ্টৰ নুৰ আলম ছাৰ (HoD), উপেন কুমাৰ সাহা ছাৰ, ড° অঞ্জনজ্যোতি বৰা ছাৰ, ড° দিগন্ত কলিতা ছাৰ, অপৰাজিতা বৰা বাইদেউৰ তত্বাৱধানত আমি ১১ জন ছাত্ৰ-ছাত্ৰীৰ সৈতে সৰ্বমুঠ ১৭ গৰাকী এই যাত্ৰালৈ বুলি ৰাওনা হ'লো। আমি বিয়লি ৫-৪৫ মিনিটত গুৱাহাটীৰ পৰা শিলিগুড়ি অভিমুখে যোৱা নৈশ বাছত উঠি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো।

৩ অক্টোবৰৰ ৰাতিপুৱা প্ৰায় ৭ বজাত আমাৰ বাছখনে শিলিগুৰিত উপস্থিত হয়। তাত আমি সকলোৰে ব্ৰেকফাষ্ট কৰি এজেন্সিয়ে ঠিক

কৰি দিয়া গাড়ীৰে ছিকিম অভিমুখে যাত্রা আৰম্ভ কৰিলো। ৮ ঘণ্টা ধৰি প্রায় ১১৪ কিঃ মিঃ বাট অতিক্রম কৰি লাহে লাহে আমি হিমালয় পৰ্বতমালাৰ ওপৰত অৱস্থিত প্রাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ, হিমবাহৰ গৃহভূমি, আলপাইন গছেৰে ভৰপূৰ চাৰণভূমি, তদুপৰি হাজাৰ হাজাৰ প্রজাতিৰ বনফুলে আৱৰি থকা ছিকিমৰ ভূমিত উপস্থিত হৈছিলো। ওৰেতো নিশা বাছত যাত্রা কৰি সকলোৱে বৰ ভাগৰুৱা অনুভৱ কৰিছিলো যদিও ছিকিমৰ সেই সৌন্দৰ্য্যই আমাৰ ভাগৰুৱা মনবোৰত এক নতুন উদ্যম আনি দিছিল। একেৰাহে চাই ৰৈছিলো এটাৰ পিছত আনটো সৌন্দৰ্য্য। যিমান দূৰলৈ চকুৰে ঢুকি পায় তালৈ, দেখা পাইছিলো মাথো পাহাৰ আৰু পাহাৰ। দুপৰীয়া প্রায় ১ মান বজাত আমি ছিকিমৰ ৰাজধানী চহৰ গেংটকত উপস্থিত হৈছিলো। সন্ধিয়া প্রায় ৫-৩০ বজাত ওলাই গৈছিলো আমি থকা হোটেলৰ নাতিদূৰৈত অৱস্থিত গেংটক চহৰৰ বিখ্যাত M G Marg (Mahatma Gandhi Marg) চাবলৈ। M G Marg ৰ পৰিষ্কাৰ পৰিচ্ছন্নতাই আমাক যথেষ্ট আপ্লুত কৰিছিল। তাত আমি সকলোৱে কিছু বজাৰ-সমাৰ কৰি নিজৰ হোটেললৈ বুলি উভতি আহিছিলো।

৪ অক্টোবৰ, ২০১৯। ৰাতিপুৱা ৭ মান বজাত আমি সকলোৱে হোটেলৰ পৰা ওলাই পোন প্রথমে উত্তৰ ছিকিমত অৱস্থিত Nathula Pass চাবলৈ বুলি যাত্রা আৰম্ভ কৰিলো। ভাৰতৰ শেষ সীমান্তত থকা এই Nathula Pass এ ভাৰত আৰু চীনৰ মাজত আন্তৰ্জাতিক ব্যৱসায়-বাণিজ্যৰ সম্পৰ্ক স্থাপনৰ ক্ষেত্রত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। Nathula Pass লৈ যাবলৈ হ'লে আগতে গেংটকস্থিত Tourism and Civil Aviation Dept. ত Pass ল'ব লাগে। সেইবোৰ কাম সম্পন্ন কৰি আমি পুনৰ যাত্রা আৰম্ভ কৰিলো। গাড়ীৰে গৈ থাকোতে পথৰ দুই দাতিৰ নৈসৰ্গিক দৃশ্যসমূহে আমাক বাৰুকৈয়ে আপ্লুত কৰিছিল। কেতিয়াবা পাহাৰৰ ওপৰৰ পৰা নিজৰা বৈ আহি ৰাস্তাৰে বৈ থকা দৃশ্যও আমি দেখিবলৈ পাইছিলো। সেইখিনি সময়ত এপলকৰ বাবে হলেও যেন চকুযুৰি মুদিবৰ মন যোৱা নাছিল। যিমানখিনি পাৰিছিলো ম'বাইল ফোনৰ কেমেৰাত তাৰ প্রাকৃতিক সৌন্দৰ্য্য আৱদ্ধ কৰিবলৈ চেষ্টা কৰিছিলো। কোনো কোনো ঠাইত ভূমিস্খলন হৈ ৰাস্তা বন্ধ হৈ থকা চকুত পৰিছিল। এনেদৰে সৰ্পিল বাটেৰে আগবাঢ়ি আমাৰ গাড়ীখনে গৈ ১৪,১৪০ ফুট উচ্চতাত অৱস্থিত Nathula Pass ত উপস্থিত হৈছিল। সেইদিনা তাত উষ্ণতা আছিল ০° চেলচিয়াছ। Nathula ভাৰত-চীনৰ সীমান্তত অৱস্থিত হোৱা বাবে তাত দেশৰ আভ্যন্তৰীণ সুৰক্ষাৰ স্বাৰ্থত ফটো উঠা বা উঠোৱা নিষেধ। সাধাৰণতে মে' মাহৰ পৰা অক্টোবৰ মাহৰ ভিতৰত Nathula ভ্রমণৰ বাবে উপযোগী সময়। সমুদ্র পৃষ্ঠৰ পৰা বহু উচ্চতাত অৱস্থিত হোৱা বাবে তাত অক্সিজেনৰ মাত্রা যথেষ্ট হ্রাস পোৱা হেতুকে শ্বাস-প্রশ্বাসজনিত কিছু অসুবিধাৰ সৃষ্টি হয়। উশাহ বা শ্বাস-প্রশ্বাসত কিছু অসুবিধা হোৱা বাবে তাত সকলোৱে আমি Popcorn লগত লৈ গৈছিলো। তাত ভাৰত-চীনৰ সীমান্তটো ভালদৰে চাবলৈ হ'লে তলৰ পৰা প্রায় ৭০ টাৰ পৰা ১০০ টা চিৰি বগাই ওপৰলৈ উঠিব লাগে। আমি তাত কিছু সময় কটাই তাৰ দৃশ্যাৱলী উপভোগ কৰি গৈ থাকিলো। অৱশেষত আমি সীমাৰ অক্লান্ত প্রহৰী হৈ থকা সেনা জোৱানসকলক ধন্যবাদ জ্ঞাপন কৰি তাৰ পৰা তললৈ নামি আহিছিলো। পিছত আমাৰ দিনটোৰ দ্বিতীয়টো লক্ষ্য স্থান, Baba Harbhajan Singh Mandir ৰলৈ বুলি আমি ৰাওণা হৈছিলো। প্রায় এঘণ্টা ধৰি যাত্রা কৰি আমি বিখ্যাত বাবা মন্দিৰত উপস্থিত হৈছিলো। প্রাকৃতিক সৌন্দৰ্য্যৰে আৱৰা এই মন্দিৰটো ছিকিমৰ এটা অন্যতম আকৰ্ষণীয় ভ্রমণস্থলী।

এগৰাকী ভাৰতীয় সেনা জোৱান বাবা হৰভজন সিঙৰ স্মৃতিত এই মন্দিৰটো নিৰ্মাণ কৰা হৈছিল। তেওঁক লৈ বহুতো কৌতুহলপূৰ্ণ কাহিনী তাৰ স্থানীয় লোকৰ মাজত প্রচলিত। বাবা মন্দিৰৰ সম্পূৰ্ণ পৰিৱেশটো সেনা জোৱানসকলে আটক ধুনীয়াকৈ পৰিচালিত কৰি ৰখা আমি দেখিবলৈ পাইছিলো। এই মন্দিৰটো সমূদ্র পৃষ্ঠৰ পৰা ১২,৬৫১ ফুট উচ্চতাত অৱস্থিত হোৱা বাবে তাত গোটেই বছৰ ধৰি শীতৰ প্রকোপ বিৰাজমান। মন্দিৰটোৰ ভিতৰত সোমাই দেখিবলৈ পাইছিলো তেখেতৰ প্রতিমূৰ্তি স্থাপন কৰি তাত ধূপ-চাকি জ্বলোৱা, তেখেতৰ নামত প্রসাদ বিতৰণ কৰা, তাৰ কাষৰ কোঠালিত তেওঁৰ কাৰ্যালয়ৰ ভিতৰত তেওঁ বহা চকী টেবুলৰ লগতে তাৰ কাষত তেওঁৰ শোৱা কোঠালীটো, তেওঁৰ সাজ-পোছাক ইত্যাদি। তেওঁৰ সকলোখিনি স্মৃতি সুন্দৰভাৱে এতিয়াও তাত সংৰক্ষিত। পাহাৰীয়া বাটেৰে ১০-১৫ মিনিট ট্রেকিং কৰি তাত থকা মহাদেৱৰ বিশাল মূৰ্তিটোৰ কাষেৰে বৈ অহা নিজৰাটোৰ সৈতে এই ঠাইৰ প্রাকৃতিক সৌন্দৰ্য্য অতি নৈসৰ্গিক। ভাৰতীয় সেনা বাহিনীৰ চিৰনমস্য জোৱান "Hero of Nathula" হিচাপে খ্যাত বাবা হৰভজন সিঙৰ বীৰত্বৰ কাহিনীৰে আৱৰি থকা এই মনোমোহা পৰিৱেশত কিছু সময় কটাই আমাৰ দলটোৱে এইবাৰ ৰাওনা হৈছিলো পৰৱৰ্তী লক্ষ্যস্থান Tsomgo Lake লৈ বুলি।

বাবা মন্দিৰৰ পৰা প্রায় ১৭ কিঃ মিঃ নিলগত থকা Tsomgo হ্রদটো আহি পাওঁতে আমাৰ প্রায় এঘণ্টা সময় লাগিছিল। সাগৰপৃষ্ঠৰ পৰা প্রায় ১২,৩১৩ ফুট উচ্চতাত অৱস্থিত এই হ্রদটো শীতকালত বৰফাবৃত হৈ পৰে। তদুপৰি ঋতু সাপেক্ষে এই হ্রদটোৰ জলপৃষ্ঠৰ ৰং সলনি হৈ থাকে বুলি আমি জানিবলৈ পাইছিলো। Tsomgo হ্রদৰ মূল

আকৰ্ষণ বিন্দু হৈছে সুসজ্জিত য়াক (Yak)ত উঠি হ্ৰদটোৰ চাৰিওফালে ঘূৰাৰ ব্যৱস্থা। তাত আমি সকলোৱে কিছু সময় কটাই আমাৰ গেংটকস্থিত হোটেললৈ উভতি গৈছিলো।

৫ অক্টোবৰ, ২০১৯। আমি সেইদিনাখন গেংটকস্থিত তাৰ স্থানীয় অঞ্চলসমূহ পৰিভ্ৰমণ কৰিছিলো। প্ৰথমে, আমি হোটেলৰ ৰূমৰ নিচেই ওচৰত থকা View Point এটালৈ গৈছিলো যাক Suicide Point বুলিও বহুতে কয়। তাৰ পিছত আমি তাত থকা Sikkim Legislative Assembly চাবলৈ গৈছিলো। কিন্তু বন্ধ থকাৰ বাবে আমি বাহিৰৰ পৰাহে সেইটো চাবলৈ সক্ষম হৈছিলো। ইয়াৰ পিছত জীৱনত কেতিয়াও নকৰা অভিজ্ঞতাৰ সোৱাদ ল'বলৈ আমি গেংটকস্থিত Rope Way চেণ্টাৰলৈ গ'লো। টিকত সংগ্ৰহ কৰি (প্ৰতিজনৰ ৩০০ টকাকৈ) কিছু সময় অপেক্ষা কৰাৰ পিছত Rope Way ৰে আমি সমগ্ৰ গেংটক চহৰখন ওপৰৰ পৰা দেখিবলৈ সক্ষম হৈছিলো। কিছু ভয় ভাৱ থাকিলেও তাৰ মনোমোহা দৃশ্যসমূহে আমাক সকলোকে মুগ্ধ কৰিছিল। প্ৰায় ১৫-২০ মিনিট সময় ওপৰেৰে দৃশ্য উপভোগ কৰি এইবাৰ আমি অলপ আঁতৰত থকা Do Drul Chorten Monastery লৈ গ'লো। এইটো হৈছে বৌদ্ধ ধৰ্মালম্বীৰ লোকসকলৰ মঠ। এই ঠাইখিনি ইতিবাচক শক্তিৰে ভৰপূৰ আৰু শান্তিপূৰ্ণ ঠাই। আমি সকলোৱে প্ৰায় এটা হেলনীয়া থিয় গড়াৰে আৰোহণ কৰি এই মঠটোত উপস্থিত হৈছিলো। এই স্তূপটোৰ ভিতৰত 'দৰজে ফ'ৰবাৰ সম্পূৰ্ণ কীতিচিহ্ন, তিব্বতিয়ানসকলৰ কংযুৰ (Holy Books) আমি দেখিবলৈ পাইছিলো। এই কংযুৰ হৈছে এখন পবিত্ৰ মূলপাঠৰ সংজ্ঞায়িত তালিকা। তদুপৰি, এই স্তূপটোৰ চাৰিওফালে ১০৮টা Mani Lhakor বা Prayer Wheels (প্ৰাৰ্থনা চকা) আছে, যিবোৰৰ চাৰিওফালে বৌদ্ধ ধৰ্মালম্বীৰ ভক্তসকলে ক্ৰমাগতভাৱে স্পৰ্শ কৰি তাৰ চাৰিওফালে ঘূৰি প্ৰাৰ্থনা সংগীত গায়। আমিও এই Prayer Wheels কেইটা ক্ৰমাগতভাৱে স্পৰ্শ কৰি তাৰ চাৰিওফালে ঘূৰি প্ৰাৰ্থনা কৰিছিলো। আৰু ইয়াৰ আনটো কাষত এটা আৰেষ্টনীৰ ভিতৰত ভক্তসকলে তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ শ্ৰদ্ধাৰ্থে চাকি জ্বলাই থোৱা আমি প্ৰত্যক্ষ কৰিছিলো। তাত আমি বহুতো বৌদ্ধ ধৰ্মালম্বী সাধু লগ পাইছিলো। তেওঁলোক খুব সহজ সৰল আৰু ধাৰ্মিক। তেওঁলোকে অতি আদৰেৰে আমাক সকলোকে স্বাগতম জনাইছিল। এই স্তূপটোৰ লামা (আধ্যাত্মিক নেতা) গৰাকীৰ সৈতে আমি সকলোৱে কিছুসময় বাৰ্তালাপ কৰিছিলো। তেখেতে খুব বন্ধুত্বসুলভ মনোবৃত্তিৰে আমাক এই সমগ্ৰ বৌদ্ধ মঠটোৰ ইতিহাস আৰু এই ঠাইখিনিৰ বিভিন্ন ঐতিহাসিক ঘটনাৰ বিষয়ে আমাক অৱগত কৰিছিল। অৱশেষত আমি সকলোৱে তেওঁক সেৱা প্ৰাৰ্থনা জনাই তেওঁৰ পৰা বিদায় লৈছিলো।

এইবাৰ আমি Do Drul Chorten Monastery ৰ পৰা ওলাই 'Namgyal Institute of Tebetology' পৰিদৰ্শন কৰিবলৈ গৈছিলো। এই দুয়োটাৰ মাজৰ দূৰত্ব প্ৰায় ৫৫০ মিটাৰ। ১৯৫৮ চনত নিৰ্মিত এইটো হৈছে এটা তিব্বতিয়ান মিউজিয়াম। ছিকিমৰ ১১ তম্ ধাৰ্মিক শাসক (chogyal) ছাৰ Tashi Nagyal ৰ নামেৰে এই মিউজিয়ামটোৰ নামটো ৰখা হৈছে। এই মিউজিয়ামটোৱে ছিকিম আৰু ছিকিমৰ মানুহৰ ইতিহাসক প্ৰতিফলিত কৰিছে। তিব্বতীয়সকলৰ শিল্প আৰু সংস্কৃতিৰ লগত জড়িত সঁজুলি, বাদ্য, তেওঁলোকৰ ধৰ্মাৱলম্বীৰ বিভিন্ন জনগোষ্ঠীয় সাজ-পাৰ, তিব্বতীয় ভাষাত লিখা বিভিন্ন চিঠি পত্ৰ, বিভিন্ন ধৰণৰ অংকিত চিত্ৰ আদি এই মিউজিয়ামটোৰ ভিতৰত সংৰক্ষণ কৰি ৰখা হৈছে। গতিকে, তিব্বতীয় ইতিহাসৰ বিষয়ে জানিবলৈ এই মিউজিয়ামটো হৈছে উপযুক্ত সমল।

দুপৰীয়া প্ৰায় ২ মান বজাত আমি সকলোৱে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি সেইদিনাখনেই যাত্ৰা আৰম্ভ কৰিছিলো পশ্চিমবংগত অৱস্থিত হিমালয়ৰ পাদদেশ দাৰ্জিলিঙলৈ। গেংটকৰ পৰা দাৰ্জিলিঙলৈ দূৰত্ব প্ৰায় ১২৬ কিঃ মিঃ। গাড়ীৰে গৈ থাকোতে যিমানেই নতুন নতুন প্ৰকৃতিৰ মনোৰমা দৃশ্য দেখিবলৈ পাইছিলো সেই সকলোবোৰেই এক নিজস্ব সুন্দৰতা আছিল। প্ৰায় ৫-৬ ঘণ্টা বাট অতিক্ৰম কৰি ৰাতি প্ৰায় ৭-৪৫ মান বজাত আমি আমাৰ দাৰ্জিলিঙস্থিত Hotel Pomra Residency ত উপস্থিত হৈছিলো।

৬ অক্টোবৰ, ২০১৯। ৰাতিপুৱা সোনকালে উঠি দাৰ্জিলিঙত থকা Tiger Hill লৈ গৈ সূৰ্য্য উদয়ৰ দৃশ্য উপভোগ কৰাৰ কথা আছিল যদিও আমি সকলোৱে ব্ৰেকফাষ্ট কৰি প্ৰায় ৮ মান বজাতহে হোটেলৰ পৰা তালৈ বুলি ৰাওনা হৈছিলো। দেৰিকৈ গৈ পোৱা বাবে তাত সূৰ্য্য উদয় হোৱা দৃশ্য আমি উপভোগ কৰিব নোৱাৰিলো। ইয়াৰ পিছত আমি তাৰ পৰা ওলাই দাৰ্জিলিঙত থকা 'Peace Pagoda Buddhist Temple' আৰু 'Japanese Temple' চাবলৈ গৈছিলো। এই দুয়োটা মঠ একেটা চৌহদতে অৱস্থিত। দুয়োটা মন্দিৰ খুব পৰিষ্কাৰ-পৰিচ্ছন্নকৈ পৰিচালিত কৰি ৰখা আমি দেখিবলৈ পাইছিলো।

Peace Pagoda হৈছে এটা বৌদ্ধধৰ্মী স্তূপ। এইটো হৈছে এটা শান্তি-প্ৰেৰণাৰ বাৰ্তাবাহক স্মৃতিসৌধ। ইয়াৰ বাতাবৰণ পৰিষ্কাৰ আৰু এইটো এটা শান্তিপূৰ্ণ এলেকা। এই Peace Pagoda স্তূপটোত আমি বুদ্ধৰ চাৰিটা অৱতাৰৰ শিলামূৰ্তি দেখিছিলো। এই শান্তিৰ বাৰ্তাবাহক মন্দিৰটোত আমি কিছুসময় অতিবাহিত কৰিছিলো। ইয়াৰ পিছত এইবাৰ আমি গৈছিলো দাৰ্জিলিঙস্থিত Batasia Loop লৈ।



Batasia Loop হৈছে দাৰ্জিলিঙৰ এখন মেম'ৰিয়েল পাৰ্ক। ১৯৪৭ চনৰ ভাৰত স্বাধীন হোৱাৰ পিছৰ কালছোৱাত বিভিন্ন সময়ত প্ৰাণ আহুতি দিয়া গোৰ্খা ৰেজিমেণ্টৰ সেনা জোৱানসকলৰ স্মৃতিত নিৰ্মাণ কৰা স্মৃতিসৌধটো পৰিদৰ্শন কৰিছিলো। এই পাৰ্কৰ পৰা কাঞ্চনজংঘা পৰ্বতমালাখনৰ দৃশ্য দেখা পোৱা যায় যদিও বতৰ প্ৰায় সঘনে ডাৱৰীয়া হৈ থকা বাবে তাৰ পৰ্বতৰ শৃংগবোৰ কাৎচিতহে দৃশ্যমান হয়। এই Batasia Loop হৈছে এটা সৰ্পিল ৰেলপথ যিটো ৰেলপথ পশ্চিমবংগৰ দাৰ্জিলিং জিলাৰ দাৰ্জিলিং হিমালয়ান ৰেলপথৰ আৰোহণৰ গতিমাত্ৰা কমাই অনাৰ বাবে তৈয়াৰ কৰি উলিওৱা হৈছিল। এই বিখ্যাত Batasia Loop ত থকা ষ্টেচনটোৰে বিভিন্ন দিশৰ পৰা ৰেলসমূহে ইয়াৰ মাজেৰে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যায়। এই দৃশ্যটো আমি সকলোৱে উপভোগ কৰিবলৈ সক্ষম হৈছিলো। তাৰ পৰা ওলাই আমি এইবাৰ গৈছিলো জৱাহৰ পৰ্বতস্থিত 'Tenzing Rock' চাবলৈ।

Tenzing Rock হৈছে, দাৰ্জিলিঙত থকা একমাত্ৰ প্ৰাকৃতিক পৰ্বতাৰোহণস্থলী। দু-সাহসিক কাম কৰি ভালপোৱা লোকসকলৰ বাবে এইটো এটা উপযুক্ত গন্তব্যস্থান। তাত আমি জানিব পৰা মতে, প্ৰথম পৰ্বতাৰোহী Tenzing Norgay নামৰ ব্যক্তিজনে যেতিয়া ১৯৫৩ চনত মাউণ্ট এভাৰেষ্ট সম্পূৰ্ণ আৰোহণ কৰি ইতিহাসৰ সৃষ্টি কৰিছিল, তাৰ পিছৰে পৰা এই অতি বিশাল পাথৰটোৰ নাম তেখেতৰ নামেৰে (Tenzing Rock) নামাংকিত কৰা হৈছিল। এই স্থলটো পৰ্বতাৰোহণ কৰাৰ বাবে ইচ্ছুক ব্যক্তিসকলৰ কাৰণে প্ৰশিক্ষণ কেন্দ্ৰ হিচাবেও ব্যৱহাৰ কৰা হয়। আমাৰ হাতত সময়ৰ নাটনিৰ বাবে ইয়াত কোনো ধৰণৰ ক্ৰিয়াত অংশগ্ৰহণ কৰা নাছিলো। দুপৰীয়া সেইস্থলতে থকা দোকানত আমি মেগি, ম'মো আদি খায় আমাৰ হোটেললৈ বুলি উভতিছিলো।

সেইদিনাখন আছিল দাৰ্জিলিঙত আমাৰ শেষৰটো দিন। হোটেললৈ গৈ সকলোৱে অকণমান জিৰণি লৈ আমি সন্ধিয়া খোজকাঢ়ি ওলাই গৈছিলো আমাৰ হোটেলৰ পৰা আধা কিঃ মিঃ আতৰত থকা দাৰ্জিলিঙৰ বস্তু কিনা-বেচা কৰা ব্যস্ত পৰ্যটক ক্ষেত্ৰৰ স্থলী Chauk Bazaar আৰু ভিক্টোৰিয়ান যুগৰ ঐতিহাসিক পাব্লিক স্কুৱেৰ Chowrasta চাবলৈ। প্ৰায় ৫-১০ মিনিট খোজকাঢ়ি গৈ আমি ঐতিহাসিক Chowrasta Public Square ত উপস্থিত হৈছিলো। তাত গৈয়ে পোনপ্ৰথমে আমি শাৰী-শাৰীকৈ থকা ভিক্টোৰিয়ান যুগৰ কিছুমান ঘৰৰ আকৃতি, দোকান আদি দেখিবলৈ পাইছিলো। তদুপৰি তাত থকা বহুতো দোকান, ষ্টলত মানুহে নিজ হাতেৰে তৈয়াৰ কৰা সাজ-পোছাক, অলংকাৰ, মূল্যবান পাথৰৰ ওপৰত অংকণ কৰি তৈয়াৰ কৰা সামগ্ৰী আৰু কটন, চিল্ক আদি প্ৰয়োগ কৰি তিব্বতি বৌদ্ধ ধৰ্মৰ বিভিন্ন দেৱ-দেৱীৰ চিত্ৰাৱলী বা মণ্ডালাক চিত্ৰিত কৰি বিক্ৰী কৰে। আমি সকলোৱে নিজৰ নিজৰ প্ৰয়োজনীয় কিছুমান সামগ্ৰীৰ বজাৰ-সমাৰ কৰি নিশা প্ৰায় ৮ মান বজাত হোটেললৈ উভতি আহিছিলো।

৭ অক্টোবৰ, ২০১৯। ৬ অক্টোবৰৰ মাজনিশা প্ৰায় ৩ মান বজাত হোটেলৰ পৰা ওলাই শেষবাৰৰ বাবে দাৰ্জিলিঙৰ এই পাহাৰীয়া একা-বেকা পথৰ মাজেৰে যাত্ৰা কৰি ৰাতিপুৱা ৭ মান বজাত আমি New Jalpaiguri Junction (NJP) Railway Station ত উপস্থিত হৈছিলো। ৰেলত উঠি পোনপ্ৰথমবাৰৰ বাবে ইমানদূৰ যাত্ৰা কৰিছিলো। এইটোও আছিল মোৰ বাবে এক নতুন অভিজ্ঞতা। প্ৰায় ৭-৮ ঘণ্টা এক দীঘলীয়া সময় অতিক্ৰম কৰি অহাৰ পিছত আমি অহা ৰেলখনে অৱশেষত আহি শেষ ষ্টপেজ তথা গুৱাহাটীস্থিত মালিগাওঁ ৰেল ষ্টেচনত ৰৈছিল। ৰেলষ্টেচনত নামি আমি সকলোৱে তাৰ পিছত বাছেৰে ঘৰমুৱা হৈছিলো।

৫ দিন ৪ ৰাতিৰ আমাৰ এই স্মৃতিগধুৰ যাত্ৰাৰ এনেকৈয়ে সমাপ্তি ঘটিছিল জীৱনত কেতিয়াও পাহৰিব নোৱাৰা এক মিঠা অভিজ্ঞতাৰ সৈতে . . . । □

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
# আৰু
# এক শৰণ নামধৰ্ম





সাগৰিকা কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

পৃথিৱীত যেতিয়া ধৰ্মৰ গ্লানি হয়, অধৰ্ম প্ৰৱল হৈ উঠে, তেতিয়াই সাধু সকলক ৰক্ষা কৰি, দুষ্টক বিনাশী ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ যুগে যুগে ভগৱন্তই জন্ম গ্ৰহণ কৰে।

আমাৰ দেশখনত কিছু কালৰ পিছে পিছে অন্যায়, অধৰ্ম আদি চলি অজ্ঞান আন্ধাৰে আবৰি ধৰে। প্ৰেম প্ৰীতি, দয়াৰ ঠাইত হিংসা-বিদ্বেষেৰে ভৰি পৰা সময়ত মহৎ পুৰুষৰ জন্ম হৈ ত্যাগ আৰু চেষ্টাৰে পোহৰৰ বাট দেখুৱাইছে। তেনে মহান পুৰুষ বিভিন্ন দেশত বিভিন্ন জনে জন্ম গ্ৰহণ কৰিছিল আৰু অসমত জন্ম গ্ৰহণ কৰিছিল জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ।

পোন্ধৰ শতিকাত অসমতো অজ্ঞান আন্ধাৰে আবৰি থকা এক পৰিৱেশ বিৰাজ কৰিছিল। মানুহে সৎ পথৰ পৰা বিচলিত হৈ ব্যভিচাৰী হৈ পৰিছিল। অধৰ্ম, ভ্ৰষ্টাচাৰ হৈছিল, অন্ধবিশ্বাসে গ্ৰাস কৰিছিল। অসংখ্য দেৱ-দেৱীক পূজা কৰিছিল। মানুহে সুখ সন্তোষে জীৱন নিৰ্বাহ কৰিবৰ কাৰণে হাঁহ, পাৰ, ছাগলী আদি দেৱ-দেৱীৰ থান সমূহত বলি দিছিল। কিছু সম্প্ৰদায়ে ৰাইজৰ মঙ্গলৰ কাৰণে নৰ বলি পৰ্যন্ত দিছিল। মানুহৰ মনত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ একেবাৰে নোহোৱা হৈ পৰিছিল। ধৰ্মৰ নামত হোৱা হিংসা, অন্যায়, অনাচাৰ ৰোধ কৰিবলৈ যেন ভগৱানে অসম ভূমিলৈ মহাপুৰুষ শংকৰদেৱক পঠাইছিল।

বৃহত্তম অসমীয়া জাতিক একতা আৰু ধৰ্মৰ ডোলেৰে বান্ধিবলৈ সক্ষম হোৱা শ্ৰীমন্ত শংকৰদেৱ আছিল এগৰাকী সৰ্বগুণাকৰ ব্যক্তি, 'যাকেৰি নাহিকে উপাম'।

শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান পৰিচয় ধৰ্মগুৰু ৰূপেই। তেওঁ একেধাৰে ধৰ্ম প্ৰচাৰক, দাৰ্শনিক, সমাজ সংগঠক, গীতিকাৰ, কবি, নাট্যকাৰ, নৃত্য বিশাৰদ, বাদ্যযন্ত্ৰী আৰু চিত্ৰকৰ। মহাপুৰুষ জনাৰ এই সাধিক প্ৰতিভাৰ প্ৰতি আকৃষ্ট হৈ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁক আদৰ্শ পুৰুষৰূপে গ্ৰহণ কৰি কৈছিল - "অসমীয়া গীত-বাদ্য, নৃত্য, সুৰ-সঞ্চাৰ, সাহিত্য, ভাওনা, নাম-কীৰ্ত্তন, ঘোষা, বৰগীত, অংকীয়া নাট, নামঘৰ, খোল-মৃদংগ, তাল সমাজ, ধৰ্মবিচাৰ, নীতি, আইন, অহিংসা, ত্যাগ, ভোগ সমাধি আদি সকলোবোৰ গুৰুজনাই আমাক দি গ'ল।"

এই সকলোবোৰৰ মাজেদি জিলিকি উঠা গুৰু জনাৰ শিল্পসত্বা তথা মহাপ্ৰতিভাৰ স্বৰূপ উপলব্ধি কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱেও স্বীকাৰ কৰিছে। "পশ্চিমীয়া শিক্ষা পাই অহংকাৰত অন্ধ হৈ ঘৰৰে মহাপ্ৰতিভাক চিনি নাপাই ঘুৰি ফুৰা মোৰ মনটোৰ সকলো অহংকাৰ সেইদিনা একেবাৰে ধূলিৎসাত হৈ গ'ল। সেইদিনাৰ

পৰা মই অসমীয়া হ'বলৈ আৰম্ভ কৰিলো। মোৰ ভিতৰৰ চাহাবটো ওলাই লৰ মাৰিলে। তাৰ পিছত নামঘৰৰ ভিতৰলৈ সোমাই গৈ দেখিলো থাপনাখন দেখোন Cubist Design ৰ। তাত অঁকা বৰণবোৰ কোনোটো Impressionist, কোনোটো Symbolist শিল্পৰ আলেখৰ দৰে। বাৰে বাৰে এটা প্ৰশ্ন মনত জাগিবলৈ ধৰিলে— বিলাতলৈ কেলেই পঢ়িব গৈছিলোঁ। যি বিচাৰি গৈছিলো ঘুৰি আহি ঘৰতে পালোঁ। জ্যোতিপ্ৰসাদৰ এই স্বীকাৰোক্তিৰ পৰা প্ৰমাণ কৰে যে প্ৰাচীন, অপ্ৰাচীন নিৰ্বিশেষে মহাপুৰুষ জনা সৰ্বকালৰ বাবে প্ৰাসঙ্গিক পুৰুষ। তেওঁৰ কল্পতৰুৰূপী জীৱন দৰ্শনত সকলোৰে বাবেই আছে প্ৰেৰণাৰ উৎস। তেওঁৰ মাজত গৃহীয়ে পাব গাৰ্হস্থ্য ধৰ্ম আদৰ্শ, যোগীয়ে পাব যোগবল, শিল্পীয়ে পাব শিল্পাদৰ্শ, ধাৰ্মিক জনে পাব ধৰ্মতত্ত্ব, সমাজ সংগঠকে পাব সমাজ নিৰ্মাণৰ আদৰ্শ আদি।

মহাপুৰুষ শংকৰদেৱে এনে এক সময়ত জন্ম গ্ৰহণ কৰিছিল যি সময়ত অসমৰ সামাজিক জীৱন আৰু ৰাজনৈতিক জীৱন বহুধা বিভক্ত আছিল। উজনি অসমত আহোম সকলে আৰু নামনি অসমত কিছুমান সৰু সৰু সামন্ত ৰজাই ৰাজত্ব কৰিছিল। আনহাতে সামাজিক ভাৱে অসমৰ জনজীৱন বহুজাতি আৰু উপজাতিত বিভক্ত আছিল । উজনি অসমত আহোম সকলে আৰু নামনি অসমত কিছুমান সৰু সৰু সামন্ত ৰজাই ৰাজত্ব কৰিছিল। আনহাতে সামজিক ভাবে অসমৰ জীনজীৱন বহুজাতি আৰু উপজাতিত বিভক্ত আছিল। এই জাতি আৰু উপজাতি এক কৰাতো এক প্ৰকাৰ দুৰূহ কাম আছিল। তেনে এক কঠোৰ আৰু দুৰূহ কামকেই হাতত লৈছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে।

জাতি প্ৰথাই ভাৰতবৰ্ষত অতি উগ্ৰৰূপ ধাৰণ কৰি যুগে যুগে কঠোৰ সামাজিক বৈষম্যৰ সৃষ্টি কৰি আহিছে। 'ব্ৰহ্মাসূত্ৰ'ৰ ভাষা কৰোতে শংকৰাচাৰ্যই এইদৰে অভিমত ব্যক্ত কৰিছে। শূদ্ৰই যদি কেতিয়াবা বেদ বাক্য উচ্চাৰণ কৰে, তেতিয়া হ'লে সেইজনৰ জিভা কাটি পেলাব লাগে আৰু বেদবাক্য যদি মুখস্থ কৰে তেতিয়াহলে হত্যা কৰিব লাগে। এনে উক্তিৰ কাৰণে ভাৰতীয় সমাজত জাতিভেদ প্ৰথাৰ ভেটি গজগজীয়া হৈছিল বা এতিয়াও হৈ আছে। এই সুযোগতে সুযোগ সন্ধানীসকলে শোষণৰ বাট কাটি লৈছে। মহাপুৰুষ শংকৰদেৱে ভক্তিধৰ্মৰ নৱ জাগৰণেৰে সমাজৰ এনে দুঃসহ-পংকিল আন্তঃগাঠনিৰ আমূল সংস্কাৰ আৰু ৰূপান্তৰ কামনা কৰিছিল আৰু সকলো জাতিক ভকতিৰ ডোলেৰে বান্ধিবলৈ চেষ্টা কৰিছিল।

অধৰ্ম, অন্ধবিশ্বাস, কু-সংস্কাৰত বিভ্ৰান্ত অসমীয়া সমাজখনক মহাপুৰুষ জনাই বলি-বিধান, যাগ-যজ্ঞ, সৰ্বস্ব কৰ্মকান্ত ব্যৱস্থাৰ কু-প্ৰভাৱৰ পৰা মুক্ত কৰি মহান জাতি গঠনৰ বাবে একশৰণ নামধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰে, তেওঁৰ শিষ্য মাধৱদেৱ, নাৰায়ন দাস, যদুমণি, গোপালচৰণ আদি একান্ত ভক্তৰ প্ৰচেষ্টাত । বৈষ্ণৱ ভক্তি ধৰ্মত উপাসনা পদ্ধতি, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, পোছাক-পৰিচ্ছদৰ স্বকীয় বৈশিষ্ট্য আছে। বেদৰ সকামৰ পৰিৱৰ্তে নিষ্কাম ভক্তি এই ধৰ্মৰ মূল। এই ধৰ্মৰ সামবেদী আদৰ্শৰ কথা নিজৰাৰ কবি শৈলধৰ ৰাজখোৱাৰ কবিতাতো আছে —

"নাই পূজা আৰাহন নাই বলি বিষৰ্জন
উচ্চ-নীচ ভেদা ভেদ জ্ঞান
নাই কাৰো উচ্চমান নাই কাৰো নীচ মন
হৰি ভক্ত সকলো সমান।"

মহাপুৰুষ জনাই জড়মূৰ্তিত ঈশ্বৰৰ অস্তিত্বৰে পূজা সেৱা কীৰ্তন-ঘোষাৰেই বাৰণ কৰি কৈছে — "মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ, এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।" গুৰুজনাই বিভিন্ন জনগোষ্ঠীৰ লোকক শৰণ দিছিল। "এক দেৱ কৃষ্ণ কৰিয়োক সেৱ ধৰিও তাহাৰো নাম।"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ যোগেদি পৃথিৱীৰ ইমুৰৰ পৰা সিমূৰলৈ সকলো লোককে জাতি ধৰ্ম ভাষা-ভিন্নতা আঁতৰ কৰি একতাৰ ডোলেৰে বান্ধিব বিচাৰিছিল। অশান্তি অসূয়া দূৰ কৰি সকলো লোকৰ অন্তৰত ভক্তি ভাব জাগ্ৰত কৰাটো আছিল মহাপুৰুষ জনাৰ উদ্দেশ্য।

**প্ৰসংগ পুথি ঃ**

(১) ড° সত্যেন্দ্ৰনাথ শৰ্মা (২০১৮) — 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' অৰুণোদয় প্ৰেছ শিল্প, গুৱাহাটী।

(২) পূৰেন্দ্ৰ প্ৰসাদ লহকীয়া (২০০৮) — 'শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী' । ▯

# নামনি অসমৰ সুঁৱেৰি বা সৰি উৎসৱ



ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ বহু জাতি জনজাতিৰ বাসস্থান। ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ এই ভূ-খণ্ডত খ্ৰীঃ চতুৰ্থ শতিকাৰ পৰা এক অভিজাত সংস্কৃতিয়ে গঢ় লৈ উঠিছিল বুলি বৰ্মন,পাল আদি ৰাজবংশৰ ইতিহাসে কয়। তাৰ সমান্তৰালভাৱে পাহাৰ ভৈয়ামত বাস কৰা লোক সমাজত লোক সংস্কৃতিৰ এক ধাৰা প্ৰবাহমান হৈ আহিছে। যুগ সাপেক্ষে পৰিৱৰ্তনশীল হোৱা স্বত্বেও এই সাংস্কৃতিক ধাৰাটিয়ে আজিও অসমীয়াৰ জীৱন চৰ্চা নিয়ন্ত্ৰণ কৰিছে। অসমৰ প্ৰত্যেক জাতি জনগোষ্ঠীৰে নিজা নিজা সমাজ আৰু সংস্কৃতি আছে। অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ সামাজিক ৰীতি-নীতি, ধৰ্ম বিশ্বাস, উৎসৱ পূজা-পাৰ্বন লোক নৃত্য গীত, সাধুকথা, বীৰগাঁথা আচাৰ-অনুষ্ঠান, পিন্ধা-উৰা, খোৱা-বোৱা ইত্যাদি সমলেৰে সমাজ আৰু সংস্কৃতি মহীয়ান হৈ আছে।

অসমৰ কৃষি নিৰ্ভৰ আৰু গ্ৰামীন সমাজখনৰ বৰ্ণময়, বৈচিত্ৰময় মানুহৰ কিছুমান স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি বৃহত্তৰ অসমীয়া সমাজখনত উদ্‌যাপিত হয় বিভিন্ন উৎসৱ। অসমৰ উৎসৱ সমূহৰ ভিতৰত ঋতুকালীন এক উৎসৱ হ'ল দেউল। অসমৰ সমগ্ৰ দক্ষিণ কামৰূপৰ লগতে দক্ষিণ গোৱালপাৰা, উত্তৰ কামৰূপৰ ৰামদিয়া আৰু দৰঙৰ ছিপাঝাৰ অঞ্চলটো ভঠেলি আৰু দেউলৰ সমপৰ্যায়ৰ আন এবিধ বাঁহ পূজাৰ প্ৰচলন আছে। এই উৎসৱৰ নামেই সুঁৱেৰি বা সৰি উৎসৱ।

মহাপুৰুষ মাধৱদেৱ ৰামদিয়ালৈ অহা আৰু যোৱাৰ সোঁৱৰণীৰ লগতে ভঠেলী উৎসৱ সংপৃক্ত হৈ সুঁৱেৰি বা সৰি উৎসৱ স্বৰূপে আত্মপ্ৰকাশ কৰিছে। আৰ্য্য ভিন্ন থলুৱা জনগোষ্ঠীৰে নহয় অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমূহ জনগোষ্ঠীৰে লোক বিশ্বাস আৰু ধৰ্মীয় ধাৰণা ঘাইকৈ দুটা দিশত কেন্দ্ৰীভূত (১) কৃষিকেন্দ্ৰিক উৰ্বৰা লোক বিশ্বাস



গুঞ্জনা দাস
স্নাতক, তৃতীয় ষান্মাসিক,
শিক্ষা বিভাগ

(২) বাঁহ কেন্দ্ৰিভূত লোক পৰম্পৰা।

সুঁৱেৰি বা সৰি উৎসৱৰ বিশেষ বৈশিষ্ট্য হ'ল এয়ে যে, অঞ্চলটোৰ বিভিন্ন থান, মন্দিৰ বা সত্ৰৰ বিগ্ৰহবিলাক কোনো এখন ৰাজহুৱা পথাৰত সমবেত কৰাই প্ৰতিটো বিগ্ৰহৰ সন্মুখত দুডাল বা চাৰিডাল বাঁহৰ জেকনি পোতা হয়। গধুলি সেই বিগ্ৰহবিলাক গাঁৱত ঘূৰাই পুনৰ আগৰ ঠাইত স্থাপন কৰে। গোৱালপাৰাৰ ৰংজুলি অঞ্চলত বিভিন্ন গোসাই ঘৰ বা থানৰ পৰা সুঁৱেৰি কঢ়িয়াই অনাৰ বাবে একো একোজন দেওধা আছে। তেওঁলোকে দেও জঁকি জঁকি এই সুঁৱেৰিবোৰ কঢ়িয়াই আনি সমবেত ৰাইজৰ আগত নৃত্য পৰিৱেশন কৰে। ৰাইজে তেওঁলোকৰ পৰা ভূত-ভৱিষ্যতৰ কথা জ্ঞাত হয়। আনহাতে কামৰূপৰ পলাশবাৰী অঞ্চলৰ সুঁৱেৰিৰ দিনাখন নামঘৰত শিশু শিল্পীৰ দ্বাৰা দধিমথন অভিনয় কৰাই ঠগী দিয়া অনুষ্ঠান পতাতো এটা স্বকীয় পৰম্পৰা।

সাধাৰণতে, হোলীৰ আশে-পাশে এই উৎসৱটি পালন কৰা হয়। বৰপেটা দেউল উৎসৱৰ চতুৰ্থ তথা অন্তিম দিনা এই উৎসৱ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কামৰূপৰ আন এটা অঞ্চল নগৰবেৰাতো এই উৎসৱ পালন কৰা হয়। দেউল উৎসৱৰ অন্তিমদিনা নগৰবেৰা গাওঁবাসীয়ে তেওঁলোকৰ কাষৰ ডাঙৰ পথাৰ এখনত শ্ৰীকৃষ্ণৰ বিগ্ৰহ সমূহ তিনি ঠাইৰ পৰা আনি পথাৰত গোট খুৱায় আৰু ৰাইজ আয়তীয়ে মিলি সন্ধিয়া পৰলৈ এই উৎসৱটি ধৰ্মীয় পৰম্পৰাৰে পালন কৰে।

অসমৰ বিভিন্ন উৎসৱ অনুষ্ঠানৰ বুৰঞ্জীত দৰঙৰ দেউল উৎসৱৰ এখনি সুকীয়া আসন আছে। এই অঞ্চলৰ লোকসকলে দেউল কৰা বা দৰ্শন কৰা দুয়োটিকে বৰ পৱিত্ৰ কাম বুলি ভাবে।

সামাজিক বন্ধন আৰু আত্মীয়তাৰ এনাজৰী সুদৃঢ়কৰণত ইয়াৰ ভূমিকা সুদূৰ প্ৰসাৰী।

**প্ৰসংগ পুথি ঃ**

(১) অসমৰ সংস্কৃতি জিজ্ঞাসা। সম্পাদনা — প্ৰমোদ চন্দ্ৰ দাস।
(২) সংস্কৃতি আৰু লোকসংস্কৃতি। সম্পাদনা — ভৃগুমোহন গোস্বামী।

# ক'ভিড - ১৯ ঃ পৰৱৰ্তী কালত ভাৰতবৰ্ষ আৰু বিশ্বৰ বিভিন্ন দেশৰ মাজত অৰ্থনৈতিক সহযোগিতা আৰু বিকাশৰ এক অৱলোকন



ফিৰোজা আহমেদ
সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ



ক'ৰণা ভাইৰাছে বিশ্বজুৰি সৃষ্টি কৰা আৰ্থিক বিপৰ্যয়ৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক সহযোগিতাৰে দেশৰ আৰ্থিক অৱস্থাৰ উন্নতি আৰু বিকাশৰ বাবে ২০২০ চনৰ ১৫ নবেম্বৰ তাৰিখে Regional Comprehensive Economic Partnership (RCEP) গঠন কৰিবলৈ বিশ্বৰ ১৫ খন দেশ চুক্তিবদ্ধ হয়। এই ১৫ খন দেশৰ ভিতৰত চীন, জাপান, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ উপৰিও আছে দক্ষিণ-পূব এছিয়াৰ দহখন ৰাষ্ট্ৰ। এই সংগঠনে বিশ্বৰ অৰ্থনীতিত প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হব বুলি অৰ্থনীতিবিদসকলে বিশ্বাস কৰে। কাৰণ এই ১৫ খন দেশে বিশ্বৰ (GDP) মুঠ ঘৰুৱা উৎপাদনৰ ৩০ শতাংশ বহন কৰে। কিন্তু মন কৰিবলগীয়া কথা যে আঞ্চলিক সহযোগিতাৰ এই সংগঠনত ভাৰতবৰ্ষই চুক্তিবদ্ধ হোৱা নাই। ২০১২ চনৰে পৰা (RCEP) সংগঠনটো গঠনৰ বিষয়ে বিভিন্ন পৰ্যায়ত গুণা-গঁথা চলি আছিল তথাপিও ভাৰতবৰ্ষ অন্তৰ্ভুক্ত হোৱা নাই।

প্ৰকৃততে (RCEP) হ'ল এখন মুক্ত বাণিজ্য চুক্তি। এই আঞ্চলিক সংগঠনে সদস্য ৰাষ্ট্ৰৰ বাণিজ্যিক ভিতৰুৱা সংস্থাবোৰৰ বাবে উৎপাদন আৰু আমদানি ৰপ্তানিৰ বাবে নতুন ক্ষেত্ৰ এখনৰ সৃষ্টি কৰিলে। এই সংগঠনৰ চুক্তি অনুসৰি সদস্য ৰাষ্ট্ৰবোৰৰ কোম্পানীবোৰে যিকোনো দেশলৈ বিনা-বাধাই উৎপাদিত সামগ্ৰীৰ আমদানি ৰপ্তানি কৰিব পাৰিব। ইয়াৰ ফলত সদস্য ৰাষ্ট্ৰ সকলৰ জনসাধাৰণ সমানে লাভান্বিত হ'ব আৰু সদস্য ৰাষ্ট্ৰসমূহৰ আৰ্থিক বিকাশৰ পথ মুকলি হৈ উৰ্ধগামী হ'ব। এনে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সংযোগিতাৰ পৰা ভাৰতবৰ্ষ আঁতৰি থাকিল।

ক'ভিড - ১৯ অতিমাৰীয়ে সৃষ্টি কৰা বিভীষিকাৰ ফলত বিশ্বৰ প্ৰায়বোৰ দেশৰে মুঠ ঘৰুৱা উৎপাদন (GDP) হ্ৰাস পায়, বিশেষকৈ ভাৰতবৰ্ষৰ মুঠ ঘৰুৱা উৎপাদন ঋণাত্মক হয়। কিন্তু চীনৰ মুঠ ঘৰুৱা উৎপাদন জুলাই-ছেপ্তেম্বৰ, ২০২০ ৰ কালছোৱাত ৫ শতাংশ বৃদ্ধি পায় । সম্প্ৰতি RCEP (Regional Comprehensive Economics Partnership) সংগঠনৰ সদস্য ৰাষ্ট্ৰ সমূহৰ ভিতৰত ম্যানমাৰ আৰু কম্বোডিয়াৰ বাহিৰে আন সকলো ৰাষ্ট্ৰৰে মুঠ ঘৰুৱা উৎপাদন ভাৰতক‌ৈ (২৬১০ ডলাৰ) বেছি। (যেনে মালয়ছিয়াৰ ১১,৪১৪, ইণ্ডোনেছিয়াৰ ৪,১৩৫, ফিলিপাইনছৰ ৩,৪৮৫, ভিয়েটনামৰ ২,৭১৫ ডলাৰ ইত্যাদি)।

ভাৰতৰ "পূবলৈ চোৱা নীতি" ৰ লক্ষ্য হ'ল ASEAN (Association of Southeast Asian Nations) দেশসমূহৰ সৈতে বাণিজ্যিক, অৰ্থনৈতিক আৰু সামাজিক আদান-প্ৰদান বৃদ্ধি কৰি বৈদেশিক বাণিজ্যিৰ হাৰ উৰ্ধমুখী কৰা। কাৰণ ASEAN হল দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সংগঠন য'ত দহখন ৰাষ্ট্ৰ (ব্ৰুনেই, কম্বোডিয়া, ইণ্ডোনেছিয়া, লাওছ, মালয়ছিয়া, ম্যানমাৰ, ফিলিপাইনছ, ছিংগাপুৰ, থাইলেণ্ড আৰু ভিয়েটনাম) সদস্যৰাষ্ট্ৰ হৈ আছে ।এই ASEAN সংগঠনটোৰ উদ্দেশ্য হ'ল সদস্য দেশ সমূহৰ সুৰক্ষা, অৰ্থনৈতিক আৰু ৰাজনৈতিক সুস্থিৰতা সুনিশ্চিত কৰা । ভাৰতে "পূবলৈ চোৱা নীতি" ৰ জৰিয়তে এই দেশ

কেইখনৰ সৈতে বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলি বৈদেশিক বাণিজ্যৰ বিকাশৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে।

ভাৰতে আৰ্থিক বিকাশৰ বাবে ভাৰত মহাসাগৰীয় দেশসমূহক প্ৰাধান্য দি আহিছে। দক্ষিণ-পূৰ এছিয়াৰ দেশসমূহত চীনৰ আগ্ৰাসী ভূমিকাক প্ৰতিহত কৰিবলৈ ভাৰতে চাৰি ৰাষ্ট্ৰ সুৰক্ষা মঞ্চ "Quad" ত যোগদান কৰিছে। এই মঞ্চৰ আন সদস্য ৰাষ্ট্ৰ কেইখন হ'ল — জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। Brexit বাণিজ্যৰ Pact ৰ পিছত বৰ্তমান ভাৰতবৰ্ষই ইউৰোপিয়ান ইউনিয়ন (EU) আৰু UK ৰ সৈতে পৃথকভাৱে মুক্ত বাণিজ্য চুক্তি (Free Trade Agreement) ৰ জৰিয়তে বৈদেশিক বাণিজ্য আগ্ৰসীভাৱে অব্যাহত ৰাখিছে। Federation of Indian Export Organisations (FIEO) ৰ ডাইৰেক্টৰে কৈছে যে যদিও UK আৰু EU ৰ দেশসমূহত ভাৰতৰ দ্ৰব্যৰ বাণিজ্য সন্তোষজনক নহয় তথাপি সেৱাৰ ক্ষেত্ৰ (যেনে I T, Architecture, Research & Development, Engineer) ইত্যাদিৰ ক্ষেত্ৰত ভাৰতবৰ্ষই যথেষ্ট লাভবান হব পাৰিব। জি-২০ ৰ দেশসমূহৰ ভিতৰত বিনিয়োগকাৰী দেশ হিচাপে যুক্তৰাষ্ট্ৰ দ্বিতীয় স্থানত আছে। অহা বছৰত দেশ দুখনৰ মাজত মাথোন স্বাস্থ্যখণ্ডৰ গৱেষণাতে ৪০ কোটি ডলাৰৰ পাৰস্পৰিক বিনিয়োগ ঘটিব। এনে প্ৰেক্ষাপটত ভাৰত যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক সহযোগিতাই নতুন মাত্ৰা লাভ কৰিব। বিভিন্ন ক্ষেত্ৰ যেনে যুটীয়া গৱেষণা, উচ্চ শিক্ষা আৰু কৌশল বিকাশ, খাদ্য সামগ্ৰী সৰবৰাহ, স্যাংখিক প্ৰযুক্তি তথা তথ্যৰ আদান-প্ৰদান, কৃষি খণ্ডত বিনিয়োগ ইত্যাদি বিভিন্ন ক্ষেত্ৰত দুয়ো দেশৰ মাজৰ আৰ্থিক সহযোগিতাই অৰ্থনৈতিক বিকাশ ঘটোৱাৰ উপৰিও নিয়োজনৰ ন ন ক্ষেত্ৰৰো সৃষ্টি কৰিব বুলি ধাৰণা কৰা হৈছে।

RCEP ত ভাৰতে যোগ নিদিয়াৰ দুটা প্ৰধান কাৰণ হ'ল — প্ৰথমতে, চীনৰ পৰা আমদানি কৰা দ্ৰব্যসমূহ একেবাৰে সস্তীয়া বাবে ভাৰতীয় অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলাব পাৰে। দ্বিতীয়তে, চীনৰ বাণিজ্যিক নীতি অতি অস্পষ্ট বাবে চীনে বিভিন্ন প্ৰযুক্তি কেন্দ্ৰিক সা-সৰঞ্জাম আৰু প্ৰকল্পৰ জৰিয়তে ভাৰতত চোৰাংচোৰাগিৰি চলোৱাৰ আশংকা নথকা বুলি কব নোৱাৰি। অতি সম্প্ৰতি লাডাখত চীনৰ আগ্ৰাসনে দুয়ো দেশৰ মাজত অবিশ্বাসৰ ভাবনা আৰু বৃদ্ধি কৰিছে। এনে কাৰণ আৰু পৰিৱেশত ভাৰতে RCEP তযোগে দিয়া নাই বুলি কব পাৰি। কেইবাখনো দেশে চীনৰ বাণিজ্যিক নীতিক সন্দেহ প্ৰকাশ কৰিলেও RCEP সংগঠনটো হ'ল বিশ্বৰ ভিতৰতে সৰ্ব্বৃহৎ বাণিজ্য চুক্তি। এই চুক্তিৰ বাহিৰত থাকি ভাৰতে বিকাশৰ পথত অগ্ৰসৰ হবলৈ হলে একাধিক মুক্ত বাণিজ্য চুক্তিত আৱদ্ধ হোৱাটো অপৰিহাৰ্য্য। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ কাৰ্য্যকালত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত পূৰ্বৰে পৰা চলি থকা "Trans pacific partnership" নামৰ অৰ্থনৈতিক সহযোগিতা চুক্তিখনৰ পৰা আমেৰিকাই অব্যাহতি লৈছিল। চুক্তিখন পুনৰ কাৰ্যকৰী হ'লে ভাৰতে তাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পাৰিব।

একাংশ সমীক্ষাৰ মতে কভিড-১৯ ৰ পিছৰ পৰিস্থিতিত অৰ্থনীতি চম্ভালি লোৱা বিশ্বৰ শীৰ্ষস্থানৰ ছয় দেশ হ'ল — জাৰ্মানী, ফিনলেণ্ড, ছুইজাৰলেণ্ড, ভিয়েটনাম আৰু টাইওৱান। এই দেশবোৰৰ পৰা ভাৰতে অৰ্থনৈতিক সহযোগিতা আশা কৰিব পাৰে। ইয়াৰ উপৰিও ২০২০ চনৰ জুলাই মাহত ইণ্টাৰনেটৰ মাধ্যমত সম্পন্ন হোৱা "ভাৰত-ইউৰোপীয় ইউনিয়ন" শীৰ্ষক সন্মিলনত বহুদিন বন্ধ হৈ থকা " India-EU Trade and Investment Agreement" খন পুনৰ সক্ৰিয় কৰি তোলাৰ সিদ্ধান্ত লৈছে আৰু একে সময়তে অনুষ্ঠিত যুক্তৰাষ্ট্ৰ ভাৰত যুটীয়া বাণিজ্য সমিতিৰ বৈঠকত মুক্ত বাণিজ্য চুক্তি সম্পাদন কৰাৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে প্ৰতিৰক্ষা, মহাকাশ বিজ্ঞান আৰু পাৰমানৱিক শক্তিৰ সন্দৰ্ভত ভাৰত আৰু ফ্ৰান্সৰ মাজত সহযোগিতা চলি আছে। তাৰোপৰি জাৰ্মেনী ভাৰতৰ অন্যতম ব্যৱসায়িক সহযোগী আৰু পোনপটীয়া বিদেশী পুঁজি (FDI) সৰ্বাধিক বিনিয়োগকাৰী দেশ। চীনৰ আগ্ৰাসী বাণিজ্য নীতিয়ে E U আৰু ভাৰতৰ মাজত অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ সুযোগ আনি দিছে ।

শেষত ক'ৰণা সংক্ৰমণৰ ব্যাপকতালৈ চাই বিশ্ব বেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আৰু এছিয়ান ডেভেলপমেণ্ট বেংকে ভাৰতক আৰ্থিক সাহায্য আগবঢ়াইছে। বিশ্ব বেংকে ভাৰতৰ আৰ্থিক গতিবিধি ত্বৰান্বিত কৰি তুলিবলৈ এশ কোটি ডলাৰতকৈও অধিক ধন মুকলি কৰি দিছে। ভাৰতৰ ১৩০ কোটি জনসংখ্যা, তাৰে ৬৫ শতাংশ কৰ্মঠ যুৱক-যুৱতী আৰু বিশাল বজাৰ। এই বিলাকে বিশ্বৰ সকলো দেশৰে দৃষ্টি আকৰ্ষণ কৰে। বিকাশ আৰু উন্নতিৰ পথত আগবাঢ়িবলৈ ভাৰতক লাগে মাত্ৰ সঠিক পৰিকল্পনা, পদক্ষেপ আৰু বলিষ্ঠ নেতৃত্ব।

**উৎস ঃ** (১) ড° জয়কান্ত শৰ্মা — বিকাশৰ পথত আৰ্থিক সহযোগিতাৰ নতুন উদ্যম (প্ৰান্তিক ১৬-৩১ ডিচেম্বৰ, ২০২০।

(২) The Assam Tribune, 26th December,2020

# কলেজীয়া শিক্ষাৰ বিকাশ আৰু বিৱৰ্তন



নীলাক্ষি কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

"যি সময়ত অসম হাবি গুচি ফুলবাৰী হব, নৈত ডোঙা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি শিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পঢ়াশালি হব, গিয়ানৰ সভা, চিকিৎসালয়, দুখীয়া-দৰিদ্ৰৰ পৰিত্ৰাণৰ আলয় হব, আৰু জি কালত লোকসকলে পৰস্পৰে হিংসা-হিংসি নকৰি আটাইক ভাত্ৰিৰত চেনেহ কৰিব, সেই সময়, পৰমপিতা জগদিশ্বৰ, সিয়ে ঘটোৱা।"

— আনন্দৰাম ঢেকিয়াল ফুকন

নেদেখাজনাৰ ওচৰত এয়া এক মহান মণিষীৰ কাতৰ নিবেদন যাতে অসমৰ ভৱিষ্যৎ প্ৰজন্মই সু-শিক্ষা লাভ কৰি অসম মাতৃক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰে। সমগ্ৰ পৃথিৱীৰ লগত খোজ মিলাই অসম তথা অসমৰ লোকসকল প্ৰগতিৰ পথত এতিয়া বহুদূৰ আগুৱাই গ'ল। সৃষ্টি হ'ল বহুতো মেধাশক্তিসম্পন্ন লোকৰ আৰু লগতে মানুহৰ জীৱন যাপন শৈলীৰো উত্তৰণ ঘটিল।

শিক্ষা হ'ল সমাজখন পৰিৱৰ্তন কৰি উন্নতিৰ পথত আগুৱাই লৈ যাব পৰা এক প্ৰভাৱশালী শক্তি। অন্ন, বস্ত্ৰ, বাসস্থানৰ দৰে শিক্ষাকো এক মৌলিক প্ৰয়োজন বুলি আজিৰ সময়ত বিবেচনা কৰা হয়। শিক্ষা অবিহনে সুস্থ সমাজৰ সৃষ্টি হ'ব নোৱাৰে। আমাৰ দেশৰ শিক্ষা ব্যৱস্থা পৃথিৱীৰ ভিতৰতে প্ৰাচীন। ভাৰতৰ তক্ষশীলা বিশ্ববিদ্যালয় (৭০০ খ্ৰীষ্টাব্দপূৰ্ব) পৃথিৱীৰ আটাইতকৈ প্ৰাচীন শিক্ষানুষ্ঠান। বৈদিক যুগৰ পৰাই ভাৰতত শিক্ষা ব্যৱস্থা প্ৰচলিত হৈ আহিছে। প্ৰাচীন তথা ঐতিহ্যমণ্ডিত শিক্ষাৰ গৌৰৱোজ্জ্বল দিশটি আজিও ম্লান হোৱা নাই। সৃষ্টি হৈছে ন ন মেধাৰ শিল্পী, সাহিত্যিক, উদ্ভাৱক, খেলুৱৈ আৰু বিজ্ঞানীৰ। নিজ নিজ কৃতিত্বৰ বলত উজ্বলি উঠিবলৈ সক্ষম হৈছে বহুতো ভাৰত তথা অসম সন্তান। এয়া সম্ভৱ হৈছে ছাত্ৰ, শিক্ষক, প্ৰশাসন আৰু অভিভাৱকৰ সন্মিলিত প্ৰচেষ্টাত। এই শিক্ষা সম্ভৱ হৈছে বিদ্যালয়, মহাবিদ্যালয় বা অন্যান্য বৃত্তিমুখী শিক্ষানুষ্ঠানৰ যোগেদি।

সকলো স্তৰৰ শিক্ষাতে দ্ৰুত পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এনেকুৱা দ্ৰুত পৰিৱৰ্তনশীল পৰিৱেশত মহাবিদ্যালয়ৰ বিকাশশীল শিক্ষাৰ অগ্ৰগতি সম্পৰ্কে গভীৰভাৱে চিন্তা আৰু বিশ্লেষণ কৰা উচিত। কলেজীয়া শিক্ষাত শিক্ষণ-শিকন প্ৰক্ৰিয়া সুচাৰুৰূপে চলিবলৈ শিক্ষক, শিক্ষাৰ্থী, প্ৰশাসন তথা অভিভাৱকসকলৰ পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন। স্কুলীয়া শিক্ষাৰ দৰে কলেজীয়া শিক্ষাতো সাধাৰণতে বাধ্যবাধকতা নাথাকে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকল দায়িত্বশীল হোৱাৰ প্ৰয়োজন বহুত বেছি। কলেজীয়া শিক্ষাৰ সঠিক বিকাশ হ'বলৈ হ'লে কলেজত শৈক্ষিক বাতাবৰণ অটুত ৰখাত গুৰুত্ব দিব লাগে।

শ্ৰেণীসমূহত থকা ছাত্ৰ-ছাত্ৰীৰ বৈচিত্ৰ্যপূৰ্ণ শিকন ক্ষমতা অনুযায়ী শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিলে শিক্ষাই ফলপ্ৰসুভাৱে বিকাশ লাভ কৰিব বুলি ভাবিব পাৰি। ইয়াৰোপৰি, নৃত্য, গীত, খেলা-ধূলা, শৰীৰ চৰ্চা, অভিনয়, ফটোগ্ৰাফী আদি বিভিন্ন দিশত দক্ষতা থকা প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাসমূহ বিকশিত কৰিবলৈ কিছুমান পদক্ষেপ ল'লে কলেজীয়া শিক্ষাই সফলতা লাভ কৰিব পাৰে।

বৰ্তমান সময়ত মোবাইলৰ যি গুৰুত্ব সি অসীম। ই শিক্ষণ-শিকন কাৰ্যতো এক অপৰিহাৰ্য আহিলা হৈ উঠিছে। এতিয়া ডিজিটেল যুগ। এই যুগত জ্ঞান সহজলভ্য হৈ পৰিছে। আগ্ৰহ আৰু ইচ্ছাশক্তি থাকিলে যিকোনো দিশতে সফলতা লাভ কৰিব পৰা যায়। বিদ্বান তথা পণ্ডিত মানুহৰ জ্ঞানসমূহ সোমাই আছে ইণ্টাৰনেটত। গুগল চাৰ্চ কৰি সহজতে নানা তথ্য পাব পাৰি। প্ৰয়োজন মাথোঁ শিক্ষাৰ্থীসকলৰ অনুসন্ধিৎসাৰ। এইখিনিতে নৱম শ্ৰেণীৰ ইংৰাজী পাঠ্যপুথিত থকা এই কথাখিনি উনুকিওৱা হ'ল —

"Margie went into the schoolroom. It was right next to her bedroom and the mechanical teacher was on and waiting for her. It was always on at the same time every day except saturday and sunday."

(*The fun they had-Isaac Asimov*)

বৰ্তমান সময়ত ইণ্টাৰনেটৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ গভীৰভাৱে অনুধাৱন কৰিলে ভাব হয় চাৰিবেৰৰ মাজৰ পৰীক্ষা নিৰ্ভৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া যেন বিলুপ্ত হ'বলৈ বেছি দিন নাই। মানুহৰ জীৱনৰ দৰেই শিক্ষণ-শিকন ব্যৱস্থাৰো সময়ে সময়ে পৰিৱৰ্তন হয়। আজিকালি নামভৰ্তি অনলাইন যোগে লোৱা হয়, ফৰ্ম ফিল-আপ কৰা হয় অনলাইনযোগে, ক্লাছো কৰা হয় অনলাইনত। গতিকে আমি প্ৰায় সকলো ক্ষেত্ৰতে ইণ্টাৰনেট নিৰ্ভৰ হৈ পৰিছোঁ। ক'ৰণা ভাইৰাছ তথা তলাবন্ধই আমাক বহুত কিবাকিবি যেন শিকাই থৈ গ'ল। আমি যেন এতিয়া এক নতুন সময়ৰ সন্ধিক্ষণত আহি উপনীত হৈছো। পৰিৱৰ্তনশীল সময়ে আমাৰ দুৱাৰত টুকুৰিয়াইছে। নতুনক আদৰি লোৱাৰ আৰু পৰিৱৰ্তনক মানি লোৱাৰ সময় সমাগত। □

# পৰিৱেশ





গাৰ্গী মেধি
স্নাতক তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

**আৰম্ভণি ঃ**

পৰিৱেশৰ অৰ্থ হ'ল আমাৰ চৌপাশ। ফৰাচী শব্দ 'Environ' ৰ পৰা ইংৰাজী 'Environment' শব্দৰ উৎপত্তি হৈছে। ইংৰাজীত 'Environment' শব্দৰ অৰ্থ হ'ল 'Surround' অৰ্থাৎ চৌপাশ'। প্ৰাকৃতিক আৰু সুশৃংখলাৱদ্ধভাৱে জীৱনচক্ৰ অতিবাহিত কৰাৰ কাৰণে যিবিলাক কাৰক বা উপাদানে চাৰিওফালে আগুৰি থাকি জীৱক প্ৰভাৱান্বিত কৰে তাকে পৰিৱেশ বুলি কোৱা হয়।

'পৰিৱেশ সুৰক্ষা আইনে' পৰিৱেশ সম্পৰ্কে সংজ্ঞা আগবঢ়াইছিল যে, 'বায়ু, পানী, মাটি আৰু মানুহকে ধৰি অন্যান্য জীৱিত পদাৰ্থসমূহৰ মাজত থকা পাৰস্পৰিক সম্বন্ধই হ'ল পৰিৱেশ।'

বিজ্ঞানীসকলে পৰিৱেশ শব্দটোক বৃহত্তৰ অৰ্থত ব্যৱহাৰ কৰিছে। বিজ্ঞানীসকলৰ ভাষাত পৰিৱেশ হ'ল প্ৰধানত ঃ পাঁচটা উপাদানৰ উপযুক্ত সমন্বয়। এই পাঁচটা উপাদান হ'ল — মাটি, পানী, বায়ু, উদ্ভিদ আৰু প্ৰাণী। অৰ্থাৎ জীৱজগতক আৱৰি যি সামগ্ৰিক প্ৰকৃতি আছে সেয়াই হ'ল আমাৰ পৰিৱেশ। পৰিৱেশৰ বিভিন্ন উপাদানসমূহৰ পৰস্পৰৰ ওপৰত থকা নিৰ্ভৰশীলতাই মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমতাৰ সৃষ্টি কৰে, যিটো জীৱন ধাৰণৰ বাবে অতি প্ৰয়োজনীয়।

পৰিৱেশক দুই ধৰণে অধ্যয়ন কৰিব পাৰি। সেয়া হ'ল প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশ। বায়ু, পানী, মাটি, অৰণ্য, বন্যপ্ৰাণী ইত্যাদিক লৈ প্ৰাকৃতিক পৰিৱেশ গঠিত। আনহাতে পৰিৱেশৰ ওপৰত মানুহৰ ক্ৰিয়া, ঘৰ-দুৱাৰ, প্ৰযুক্তিবিদ্যা, যাতায়াত উপযোগিতা, সংস্থাপন ইত্যাদিক লৈ মানৱসৃষ্ট পৰিৱেশ গঠিত। আন কিছুমান পৰিৱেশ অধ্যয়নকাৰীয়ে পৰিৱেশক প্ৰাকৃতিক পৰিৱেশ, মানসিক পৰিৱেশ আৰু সামাজিক পৰিৱেশ এই তিনিটা ভাগত ভাগ কৰিছে। বৰ্তমান আধুনিক ধাৰণামতে মানৱ সমাজৰ আৰ্থ-সামাজিক দিশটোকো পৰিৱেশ অধ্যয়নৰ অন্তৰ্গত হিচাপে সামৰি লোৱা হৈছে।

**পৰিৱেশৰ উপাদানসমূহ ঃ**

পৰিৱেশৰ উপাদানসমূহক প্ৰধানকৈ তিনিটা প্ৰকাৰত ভাগ কৰা হৈছে। সেয়া হ'ল অজৈৱিক উপাদান, জৈৱিক উপাদান আৰু শক্তি উপাদান। অজৈৱিক উপাদানসমূহ হ'ল— বায়ুমণ্ডল, জলমণ্ডল আৰু ভূমণ্ডল। জীৱমণ্ডলক লৈ জৈৱিক উপাদানসমূহ গঠিত। আনহাতে সৌৰশক্তি, জল বৈদ্যুতিক শক্তি আৰু পাৰমাণৱিক শক্তিক লৈ শক্তি উপাদানসমূহ গঠিত।

**পৰিৱেশৰ অংশসমূহ ঃ**

ভৌতিক আৰু ৰাসায়নিক গঠনৰ ওপৰত ভিত্তি কৰি পৰিৱেশক চাৰিটা অংশত ভাগ কৰা হৈছে। সেয়া হ'ল —

**(১) বায়ুমণ্ডল ঃ**

পৃথিৱীৰ ওপৰিভাগত থকা বায়ুৰ আৱৰণটোক বায়ুমণ্ডল বোলে। বায়ুমণ্ডলে জীৱজগতৰ বাবে অতি প্ৰয়োজনীয় গেছৰ ভঁৰাল হিচাপে কাম কৰে। বায়ুমণ্ডলত থকা উল্লেখযোগ্য গেছ সমূহ হ'ল — নাইট্ৰ'জেন, অক্সিজেন,কাৰ্বন-ডাই-অক্সাইড, আৰ্গন, জলীয়বাষ্প , ধূলিকণা আৰু নিচেই কম পৰিমাণত থকা সক্ৰিয় গেছসমূহ। নিষ্ক্ৰিয় গেছসমূহৰ ভিতৰত নিয়ন, হিলিয়াম, মিথেন, ক্ৰিপটন, জেনন, হাইড্ৰ'জেন আদিয়েই উল্লেখযোগ্য। এই গেছসমূহে এখন আৱৰণৰ দৰে থাকি জীৱসমূহক জীয়াই ৰখাত সহায় কৰাৰ উপৰিও মহাশূন্যৰ পৰা অহৰহভাৱে পৃথিৱীলৈ আহি থকা নানা ধৰণৰ বিপজ্জনক মহাজাগতিক ৰশ্মি, অতি বেঙুনীয়া ৰশ্মি আদিৰ পৰা জীৱসমূহক ৰক্ষণাবেক্ষণ দি আহিছে।

**(২) জলমণ্ডল ঃ**

ভূ-পৃষ্ঠৰ ওপৰত থকা সাগৰ, হ্ৰদ, নদ-নদী অন্যান্য জলৰাশি, জলীয় বাষ্প, আনকি গোটা অৱস্থাত থকা বৰফ এই আটাইবোৰক একেলগে জলমণ্ডল বোলে। জলমণ্ডলে পৃথিৱীৰ ভূ-ভাগৰ প্ৰায় ৭১ শতাংশ ঠাই অধিকাৰ কৰি আছে। কিন্তু এই বিশাল জলভাগৰ ৯৭ শতাংশ পানী মহাসাগৰসমূহত সোমাই আছে। ফলত এই পানী লৱণযুক্ত হোৱাৰ কাৰণে খোৱা নতুবা জলসিঞ্চন কোনোটোৰ বাবে উপযোগী নহয়।

**(৩) জীৱমণ্ডল ঃ**

ভূ-পৃষ্ঠৰ ওপৰৰ যিটো স্তৰত জীৱসমূহ বিদ্যমান তাক জীৱ মণ্ডল বোলে। এই মণ্ডলটো ভূগোলকৰ ওপৰৰ এটা জৈৱিক আৱৰণ, য'ত জীৱই কোনো কৃত্ৰিমতাৰ সহায় নোলোৱাকৈ জীয়াই থাকিব পাৰে। পৰিৱেশৰ বিভিন্নতাৰ বাবে এই স্তৰটোত সৰল জীৱৰ পৰা জটিল জীৱলৈ নানা ধৰণৰ জীৱই বাস কৰে ।

**(৪) ভূ-মণ্ডল ঃ**

পৃথিৱীৰ খোলাটোৰ গোটা, শিলাময় ভাগটোক ভূ-মণ্ডল বোলে। ভূ-পৃষ্ঠৰ কেৱল এক চতুৰ্থাংশহে মাটিৰে আৱৰি আছে আৰু এই অংশটোৱেই স্থলজ জীৱসমূহৰ বাসভূমি। মাটিত নানা ধৰণৰ খনিজ লৱণ, জৈৱিক উপাদান, বায়ু আৰু পানী মিশ্ৰিত হৈ থাকে। ওপৰোক্ত অংশকেইটাই পৰিৱেশত জীৱজগত বৰ্তি থকাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

**পৰিৱেশ প্ৰদূষণৰ কাৰণ ঃ**

ভৌতিক, ৰাসায়নিক নাইবা জৈৱিক কাৰকৰ প্ৰভাৱত পৰিৱেশত থকা বায়ু, পানী নাইবা মাটিৰ প্ৰতিকূল নাইবা অনাকাংক্ষিত পৰিৱৰ্তন হোৱাকে পৰিৱেশ প্ৰদূষণ বোলে। পৰিৱেশ প্ৰদূষণ আজি এক বিশ্ব সমস্যা। সভ্যতাৰ অগ্ৰগতি আৰু জনসংখ্যা বিস্ফোৰণৰ ফলত মানুহে পৰিৱেশত নানা ধৰণৰ অবাঞ্চিত ক্ৰিয়া কলাপ আৰম্ভ কৰিবলৈ লৈছে। নিজৰ জীৱন ধাৰণৰ প্ৰণালী অধিক সহজ কৰিবলৈ যাওঁতে প্ৰকৃতিক নিৰ্দয়ভাৱে ধ্বংস কৰি গৈছে। উদ্যোগীকৰণ, কৃষি সম্প্ৰসাৰণ, নগৰীকৰণ, জলবিদ্যুৎ প্ৰকল্প, নদীবান্ধ আদি অনেক কাম কৰিবলৈ যাওঁতে প্ৰকৃতিৰ বুকুত আঘাত হানিছে যাৰ ফলত প্ৰকৃতিৰ প্ৰতিক্ৰিয়া অস্বাভাৱিক হ'বলৈ ধৰিছে। ইয়াৰ ফলত নিৰপৰাধী জীৱকূলৰ ব্যাপক ক্ষতি হৈছে। মানুহৰ বাবে নদীৰ দিশ সলনি হৈছে, অৰণ্য ধ্বংস হৈছে, হাজাৰ হাজাৰ জীৱ-জন্তুৰ চিৰদিনৰ বাবে পৃথিৱীৰ পৰা বিলুপ্তি ঘটিছে। গছ-গছনি কমি অহাৰ লগে লগে পৃথিৱীৰ উত্তাপ বাঢ়ি গৈছে। এই গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত বৰফাবৃত অঞ্চলসমূহৰ বৰফ গলি সাগৰ পৃষ্ঠৰ উচ্চতা বাঢ়িছে। সাগৰ পৃষ্ঠৰ কম উচ্চতাত থকা ঠাইসমূহ পানীৰ তলত ডুব যোৱাৰ উপক্ৰম হৈছে।

পৰিৱেশ প্ৰদূষিত হৈ অহা কাৰকসমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল —

**বায়ু প্ৰদূষণ ঃ**

যিদিনাই আদিম মানুহে শিলে শিলে ঘহঁনি খুৱাই জুইৰ আৱিষ্কাৰ কৰিছিল, সেইদিনাৰ পৰাই বতাহ প্ৰদূষিত হৈ আহিছে। শক্তি উৎপাদন কেন্দ্ৰ, গাড়ী-মটৰৰ ধোঁৱা, উদ্যোগ, কাৰখানা, উৰাজাহাজ, পেলনীয়া আৱৰ্জনা জ্বলোৱা — এইবোৰৰ পৰাই ঘাইকৈ বায়ু দূষিত হয়। সকলোবোৰ দূষিতকৰণৰ ভিতৰত বায়ুৰ পৰা হোৱা দূষিতকৰণেই আটাইতকৈ বেছি আৰু ভয়াৱহ। বায়ু প্ৰদূষণে আমাৰ শৰীৰৰ ক্ষতিসাধন কৰাৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে। কাৰণ আমাৰ উশাহত (প্ৰায় ষাঠি হেজাৰ) ধূলিকণা নাকেৰে শৰীৰৰ ভিতৰলৈ সোমাই যায়, যিয়ে হাওঁফাওঁত যথেষ্ট ক্ষতিসাধন কৰে। ইয়াৰোপৰি বায়ু প্ৰদূষণে প্ৰস্তৰ মূৰ্তি, কংক্ৰিট, ইটা, ৰঙীন চিত্ৰ আদিও নষ্ট কৰে।

**(২) জল প্ৰদূষণ ঃ**

পানী দূষিত কৰা পদাৰ্থসমূহ ঘাইকৈ উদ্যোগ, কৃষি পাম আৰু পেলনীয়া আৱৰ্জনাৰ পৰাহে আহে। ঘৰুৱা পেলনীয়া বস্তু, সংক্ৰামক ৰোগৰ বীজাণু, কীটনাশক, তৃণনাশক আদি দ্ৰব্য, গা-কাপোৰ আদি ধোৱা চাবোন, বাচন-বৰ্তন চাফা কৰা পাউদাৰ, বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক পদাৰ্থ আদিয়েই পানী দূষিতকৰণৰ মূল কাৰণ। পানী দূষিত হোৱাৰ ফলত মানুহৰ শৰীৰৰ যথেষ্ট অনিষ্ট হোৱাৰ লগতে পানীত থকা মাছ-কাছ আদি জলচৰ জীৱ-জন্তুৰো ক্ষতি হয়।

(২) **শব্দ প্ৰদূষণ ঃ**

কিছুমান ক্ষেত্ৰত শব্দয়ো পৰিৱেশ দূষিত কৰে । আমনিদায়ক তথা অবাঞ্চিত শব্দৰ কোলাহলে যেতিয়া জীৱৰ শাৰীৰিক আৰু মানসিক দিশত ব্যাপক ক্ষতি কৰে তাকে শব্দ প্ৰদূষণ বোলে। জনবহুল অঞ্চল বিলাকত হোৱা কোলাহলে শব্দ প্ৰদূষণত যথেষ্ট অৰিহণা যোগায়। ইয়াৰোপৰি যান-বাহন চলাচল কৰা সময়ত হোৱা শব্দ, এইবিলাকে বজোৱা হৰ্ণ, ছাইৰেনৰ শব্দ আদিয়েও শব্দ প্ৰদূষণত ভাগ লয়। লগতে কল-কাৰখানা, উদ্যোগ, তথা দলং, ঘৰ আদিৰ নিৰ্মাণ কাৰ্যৰ পৰা ওলোৱা শব্দইও প্ৰদূষণ ঘটায়। বোমা বিস্ফোৰণৰ সময়ত হোৱা শব্দই শব্দ প্ৰদূষণৰ সৃষ্টি কৰে আৰু লগতে প্ৰাকৃতিক দুৰ্যোগ যেনে — ভূমিকম্প, আগ্নেয়গিৰি, বিজুলী-ঢেৰেকনি, ধুমুহা আদি ঘটাৰ সময়তো শব্দ প্ৰদূষণৰ সৃষ্টি হয়।

(৪) **স্থল প্ৰদূষণ ঃ**

মাটিত অধিক পৰিমাণে দিয়া ৰাসায়নিক সাৰ, কীট নাশক দ্ৰব্যৰ প্ৰয়োগ, বনভূমি আৰু তৃণভূমি ধ্বংস কৰা, এইবোৰৰ পৰাই মাটি প্ৰদূষিত হয়। তদুপৰি বিভিন্ন কাৰণত মানুহে হাবি-বন কাটি মাটি মুকলি কৰে। গৰু-ম'হ চৰাই ঘাঁহনি-বননি ধ্বংস কৰে। এনে কাৰ্যই মাটি প্ৰদূষিত কৰি জীৱজগতৰ অনিষ্ট সাধন কৰে। গছ-গছনি কটাৰ ফলত জলবায়ু আৰু বতৰৰো পৰিৱৰ্তন ঘটে। কাৰণ গছ-গছনিৰ লগত বতৰ আৰু জলবায়ুৰ ওতঃপ্ৰোত সম্বন্ধ আছে। গছ-গছনি কাটিলে আৰু সৰু উদ্ভিদ, ঘাঁহনি নষ্ট কৰিলে বতাহৰ কোবাল সোঁতে মাটিৰ ক্ষয় সাধন কৰে। এইদৰে পৰিৱেশ দূষিত হোৱাৰ ফলত পৃথিৱীৰ ১১ কোটি হেক্টৰ মাটিৰ এক বিৰাট অংশ মানুহৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে।

(৫) **পেলনীয়া আৱৰ্জনাৰ পৰা হোৱা প্ৰদূষণ ঃ**

ঘৰুৱা জাবৰ-জোঁথৰবোৰকে আৰম্ভ কৰি নগৰীকৰণ আৰু উদ্যোগীকৰণৰ ফলত সৃষ্টি হোৱা গোটা আৱৰ্জনাবোৰে পৰিৱেশ দূষিত কৰি এক ব্যাপক ৰূপ ধাৰণ কৰিছে। বহু অৰণ্যভূমি নগৰীকৰণৰ বাবে মানুহে ধ্বংস কৰাৰ ফলত সেই অৰণ্যভূমিসমূহে উকা পথাৰ আৰু টকলা পাহাৰৰ ৰূপ লৈছে। নগৰীকৰণৰ লগে লগে তাত গঢ়ি উঠা উদ্যোগ আৰু নানা ধৰণৰ কল-কাৰখানাবিলাকৰ পৰা দৈনিক এক বুজন পৰিমাণৰ গোটা আৱৰ্জনাৰ সৃষ্টি হয়। এই গোটা তথা পেলনীয়া আৱৰ্জনাসমূহে পৰিৱেশ প্ৰদূষণৰ সৃষ্টি কৰিছে। ইয়াৰোপৰি শাক-পাচলিৰ আৱৰ্জনা, খাদ্যৰ এৰেহা অংশ, কণী, মাছ ইত্যাদিয়েও পৰিৱেশ প্ৰদূষণত প্ৰভাৱ পেলায়।

(৬) **গোলকীয় উষ্ণতা বৃদ্ধি ঃ**

গছ-গছনি, পাহাৰ-পৰ্বত, অৰণ্যভূমি কাটি তহিলং কৰাৰ ফলত পৃথিৱীৰ উষ্ণতা বৃদ্ধি পাইছে যাৰ ফলত সেউজ গৃহ গেছসমূহৰ শোষণ কৰিব পৰা ক্ষমতা কমি আহিছে। ইয়াৰ ফলত সেউজ গৃহ গেছসমূহে ৰশ্মি ধৰি ৰাখিব নোৱাৰা হৈছে আৰু ইয়ে সেউজ গৃহ গেছৰ গাঢ়তা বৃদ্ধি কৰাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে আৰু গোলকীয় উষ্ণতা বৃদ্ধিয়ে পৰিৱেশত প্ৰতিকূল অৱস্থাৰ সৃষ্টি কৰিছে।

ভূ-পৃষ্ঠৰ ওপৰত বতৰৰ সদায় পৰিৱৰ্তন ঘটি থাকে। যিহেতু কোনো এখন ঠাইৰ জলবায়ু সেই ঠাইখনৰ উষ্ণতা, বৃষ্টিপাত, খৰাং অৱস্থা, আদ্ৰতা আদিৰ ওপৰত নিৰ্ভৰশীল হয় সেয়েহে বতৰৰ পৰিৱৰ্তনৰ ফলস্বৰূপে জলবায়ুৰো পৰিৱৰ্তন হয়। ইয়াৰোপৰি ঋতু পৰিৱৰ্তনৰ ফলতো জলবায়ুৰ পৰিৱৰ্তন ঘটে আৰু লগতে ভূমিকম্প, আগ্নেয়গিৰি আদি প্ৰাকৃতিক দুৰ্যোগৰ ফলতো জলবায়ুৰ পৰিৱৰ্তন হয়। জলবায়ুৰ এই ব্যাপক পৰিবৰ্তনে পৰিৱেশ প্ৰদূষণত অৰিহণা যোগায় আহিছে।

(৭) **এচিড বৰষুণ ঃ**

এচিড বৰষুণ বৰ্তমান সময়ৰ এক বিশ্বজনীন সমস্যা। কল-কাৰখানা আৰু বিভিন্ন উদ্যোগসমূহত হোৱা নানা ধৰণৰ জৈৱিক ইন্ধন বিলাকৰ দহনৰ ফলত প্ৰচুৰ পৰিমাণে ছালফাৰ ডাই-অক্সাইড, নাইট্ৰ'জেন অক্সাইড আৰু হাইড্ৰ'জেন ক্লৰাইড আদি গেছ বায়ুমণ্ডললৈ নিৰ্গত হয়। বায়ুমণ্ডলত এই গেছসমূহ জলীয় বাষ্পৰ লগত বিক্ৰিয়া কৰি ক্ৰমে ছালফিউৰিক এচিড, নাইট্ৰিক এচিড আৰু হাইড্ৰ'ক্লৰিক এচিডলৈ ৰূপান্তৰিত হৈ বৰষুণৰ পানীৰ লগত লগ হৈ এচিড বৰষুণৰ সৃষ্টি হয়। এই বৰষুণে পৰিৱেশত যথেষ্ট ক্ষতিসাধন কৰি পৰিৱেশ প্ৰদূষিত কৰে।

ওপৰোক্ত বিভিন্ন কাৰণৰ ফলত পৰিৱেশ প্ৰদূষণ বৰ্তমান এক ভয়ংকৰ অৱস্থাত পৰিণত হৈছে আৰু ইয়ে জীৱ জগতৰ ওপৰত এক প্ৰতিকূল অৱস্থাৰ সৃষ্টি কৰিছে।

**পৰিৱেশ বিষয়ক শিক্ষা ঃ**

জনসংখ্যা বৃদ্ধি আৰু মানৱ সৃষ্ট প্ৰদূষণে জনসাধাৰণক পৰিৱেশ শিক্ষাৰ গুৰুত্বৰ প্ৰতি সজাগতা আনি দিছে। প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদৰ সু-সংৰক্ষণৰ বাবে পৰিৱেশ অধ্যয়ন কৰা অতি আৱশ্যকীয়। পৰিৱেশৰ উপাদানসমূহৰ আন্তঃ সম্পৰ্কৰ লগতে পাৰিপাৰ্শ্বিক বস্তুৰ লগত থকা সম্পৰ্কৰ বিষয়ে অধ্যয়নেই হৈছে পৰিৱেশ অধ্যয়ন বা পৰিৱেশ শিক্ষা। পৰিৱেশ শিক্ষাৰ দ্বাৰা প্ৰতিজন মানুহ আৰু মানুহৰ সৃষ্টিৰ মাজত পৰিৱেশ সম্পৰ্কীয় ধাৰণাসমূহ বুজাই দি এক সজাগতাৰ সৃষ্টি কৰা হয়।

**পৰিৱেশ সংক্ৰান্ত সজাগতাৰ আৱশ্যকতা ঃ**

পৰিৱেশ হৈছে এটি বহু শৃংখলযুক্ত বা বহুস্তৰীয় বিষয়। বয়স বা বৃত্তি নিৰ্বিশেষে যিকোনো এজন ব্যক্তি পৰিৱেশৰ দ্বাৰা প্ৰভাৱিত হয়, কাৰণ তেওঁৰ সকলো কাৰ্য পৰিৱেশতেই সম্পন্ন হয়। এই কাৰণেই পৰিৱেশ এনে এটা বিষয় যাৰ প্ৰকৃতি সাৰ্বজনীন। কিন্তু বৰ্তমান সময়ত পৰিৱেশত চলি থকা পাৰিৱেশিক সমস্যাসমূহে পৰিৱেশতন্ত্ৰত এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে যিয়ে প্ৰকৃতিৰ লগতে মানৱ সমাজৰ ওপৰত এক বিপৰীতমুখী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গতিকে বিভিন্ন কাৰকৰ দ্বাৰা প্ৰদুষিত হৈ অহা পৰিৱেশক প্ৰদূষণমুক্ত কৰি তুলিবলৈ হ'লে জনসাধাৰণৰ মাজত সচেতনতা অনাৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব লাগিব। পৰিৱেশ সুৰক্ষাৰ কাৰণে অৰ্থাৎ সুস্থ পৰিৱেশ পাবৰ বাবে বিভিন্ন ধৰণৰ আইন প্ৰণয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ ভিতৰত ভাৰতবৰ্ষই হ'ল বিশ্বৰ প্ৰথম দেশ যিয়ে পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ ব্যৱস্থা নিজৰ সংবিধানত অন্তৰ্ভুক্ত কৰিছে। ১৯৭২ চনৰ ৫ জুনত ষ্টকহমত বহা আন্তৰ্জাতিক মানৱ পৰিৱেশ সম্পৰ্কীয় সন্মিলনত পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ কৰাটো পোন প্ৰথমবাৰৰ বাবে আলোচনা কৰা হয় আৰু তাৰ পিছৰে পৰা ৫ জুনত 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে সমগ্ৰ বিশ্বতে পালন কৰি অহা হৈছে।

পৰিৱেশ সুস্থ কৰি ৰাখিবলৈ আমি সেউজ চিন্তাশ্ৰয়ী হ'ব লাগিব আৰু সেউজ পৃথিৱী গঢ়িব লাগিব। আমি ইয়াকো চিন্তা কৰিব লাগিব যে এই পৃথিৱীখন অকল মানুহৰ বাবেই নহয়, আমাৰ সৈতে সহ-অৱস্থান কৰি থকা জীৱ-জন্তু আৰু উদ্ভিদ জগতৰ বাবেও। আমাৰ পৰিৱেশ আমাৰ হাতত ৰক্ষা হ'ব কাৰণ নিকা পৰিৱেশতহে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষিত হয়। আমি সকলোৱে জানো যে গছ-গছনি থাকিলেহে জীৱ-জগত বৰ্তি থাকিব। ইয়াৰ বাবে আমি আমাৰ পৃথিৱী সেউজীয়া কৰি তুলিব লাগিব।

পৰিৱেশৰ লগত মানৱ স্বাস্থ্যৰ ওতঃপ্ৰোত সম্বন্ধ আছে। সুস্থ পৰিৱেশে মানুহৰ শাৰীৰিক আৰু মানসিক উত্তৰণ ঘটায়। আমাৰ চাৰিওফালৰ পৰিৱেশ যেতিয়া পৰিষ্কাৰ-পৰিচ্ছন্ন হয় আৰু বায়ু চলাচল কৰাৰ ক্ষেত্ৰত অনুকূল হয়, তেতিয়া আমাৰ শৰীৰ বিভিন্ন সম্ভাব্য ৰোগৰ পৰা সুৰক্ষিত হয়। পৰিৱেশ প্ৰদূষণৰ বিভিন্ন কাৰক যেনে - জনসংখ্যা বিস্ফোৰণ, শৌচাগাৰৰ অভাৱ, পৰ্যাপ্ত সূৰ্যৰ পোহৰৰ অভাৱ, বিশুদ্ধ বায়ু আৰু পানীৰ অভাৱ, গছ-গছনি ধ্বংস কৰা জনসচেতনতাৰ অভাৱ ইত্যাদিয়ে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে যাৰ ফলত গোটেই বিশ্বক এক অভাৱনীয় প্ৰদূষণে ছানি ধৰিছে। এই পৰিৱেশ প্ৰদূষণৰ পৰা পৃথিৱীখনক সুন্দৰ কৰি তুলিবলৈ হ'লে আমি সকলো মানুহকে পৰিৱেশ শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব।

এক পৰিষ্কাৰ, স্বাস্থ্যকৰ, সৌন্দৰ্য্যময় আৰু নিৰাপদ পৰিৱেশত বাস কৰিবলৈ হ'লে আৱৰ্জনা শোষণকাৰ্য তথা বিশ্বত ভয়ানক সমস্যাৰূপে দেখা দিয়া পৰিৱেশ প্ৰদূষণসমূহ নিৰ্মূল কৰাত অধিক গুৰুত্ব দিব লাগিব। গছ-গছনি কাটি তহিলং কৰাৰ পৰা বিৰত থাকি অধিক গছ-গছনি ৰোপন কৰাত সকলো ব্যক্তিয়েই সহযোগিতা আগবঢ়াব লাগিব আৰু লগতে প্ৰদূষণ প্ৰতিৰোধ কাৰ্যত সক্ৰিয় অংশগ্ৰহণ কৰিব লাগিব। পৰিৱেশ প্ৰদূষণমুক্ত কৰি তুলিবলৈ হ'লে য'তে ত'তে মল-মূত্ৰ, থু-খেকাৰ পৰিত্যাগ কৰা আৰু জীৱ-জন্তুক খাল, বিল, পুখুৰী আদিত গা ধোৱাব নোৱাৰে বুলি জনসাধাৰণৰ মাজত সচেতনতাৰ সৃষ্টি কৰিব লাগিব। ইয়াৰোপৰি নিজৰ গাড়ী থাকিলেও প্ৰত্যেকজন ব্যক্তিয়ে খোজ কঢ়া বা চাইকেল চলোৱা অভ্যাস কৰা উচিত, অৰ্থাৎ যান্ত্ৰিক বাহনৰ ব্যৱহাৰ যিমান পাৰি কমাব লাগিব যাতে সমগ্ৰ বিশ্বই এই ধৰণৰ প্ৰদূষিত সমস্যাৰ সন্মুখীন হ'ব লগা নহয়।

এনে ধৰণৰ পৰিৱেশিক সমস্যাসমূহৰ ফলত আজি গোটেই বিশ্বই এক ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ বাধ্য হৈছে। সেয়েহে পৰিৱেশ প্ৰদূষণৰ এই সমস্যাসমূহ সমাধান কৰাৰ ক্ষেত্ৰত নাগৰিকসকলে বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত যাতে ইয়াৰ জৰিয়তে এটা সুন্দৰ পৰিৱেশ গঢ়ি উঠে।

**সামৰণি ঃ**

পৰিৱেশে জৈৱিক, অজৈৱিক সকলো উপাদানকে ওপৰত সামৰি লয়। গতিকে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ জনগণৰ সচেতনতা আমোঘ অস্ত্ৰ। জনগণ সচেতন হৈ পৰিৱেশক ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞাৱদ্ধ নহ'লে ইয়াৰ সু-ফল পাব নোৱাৰি। আমি জনসাধাৰণক এই দিশত শিক্ষিত কৰি তুলিব লাগিব আৰু বুজাব লাগিব যে পৰিৱেশৰ পতন প্ৰত্যক্ষভাৱে নাহিলেও সময়ত ই এক বিভীষিকাৰূপে আহিব পাৰে আৰু তেতিয়া আমি ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব।

আমি যদি এখন সুন্দৰ পৃথিৱীত এক পৰিষ্কাৰ, স্বাস্থ্যকৰ সৌন্দৰ্য্যময় আৰু নিৰাপদ পৰিৱেশত বাস কৰিব খোজোঁ তেনেহ'লে সকলো ধৰণৰ অনিষ্টকাৰী প্ৰদূষণ ৰোধ কৰিবলৈ আমি সকলোৱেই ব্যৱহাৰিক সচেতনতাত অধিক গুৰুত্ব দিব লাগিব আৰু তেতিয়াহে আমি আমাৰ ভৱিষ্যত প্ৰজন্মক নিৰাপদ, পৰিষ্কাৰ তথা এটা অতি সুন্দৰ পৰিৱেশ প্ৰদান কৰিব পাৰিম।

**প্ৰসংগ উৎস ঃ**

https : // vikaspedia.in □

# অসমৰ খোৱা পানীৰ ফ্লৰাইড অপঃসাৰণত নেন' প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ




ড° মানস জ্যোতি ডেকা
সহকাৰী অধ্যাপক,
ৰসায়ন বিজ্ঞান বিভাগ





ফ্ল'ৰাইড প্ৰদুষণ আৰু প্ৰাণী জগতত তথা পৰিবেশত ইয়াৰ কেনেকুৱা প্ৰভাৱ তাৰ এটি সহজ ব্যাখ্যা ইয়াত আগবঢ়োৱা হৈছে। নেন' প্ৰযুক্তি ব্যৱহাৰ কৰি কেনেকৈ ফ্ল'ৰাইড পানীৰ পৰা অপসাৰণ কৰিব পাৰি তাৰ ওপৰতো আলোকপাত কৰা হৈছে। আশা কৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ পৰা উপকৃত হ'ব, যিহেতু অসমৰ কেইবাখনো জিলাত পানীত ফ্ল'ৰাইডৰ উপস্থিতি পোৱা গৈছে।

**নেন' প্ৰযুক্তিবিদ্যা কি ?**

বৰ্তমান সময়ত বহুলভাৱে শুনিবলৈ পোৱা এটি শব্দ হৈছে নেন'। ভাৰতবৰ্ষৰ সৰ্বসাধাৰণ ৰাইজে নেন' শব্দৰ লগত চিনাকী হ'ল যেতিয়া ৰতন টাটাই জুলাই, ২০১২ চনত নেন' গাড়ীৰ উদ্ভাৱন কৰে। নেন' শব্দৰ অৰ্থ হ'ল সৰু বা সূক্ষ্ম। কিন্তু বিজ্ঞানৰ ভাষাত ইয়াৰ অৰ্থৰ অলপ পাৰ্থক্য পৰিলক্ষিত হয়।

নেন' (Nano) হ'ল এটা জোখ বা মাত্ৰাৰ একক। নেন' মানে সহজ অৰ্থত $10^{-9}$ বা .000000001, অৰ্থাৎ ১ মিটাৰ দৈৰ্ঘ্যৰ পদাৰ্থ এটাক যদি ১০০ কোটি ভাগ কৰি লোৱা হয় তাৰ এটা ভাগক 10 নেন' মিটাৰ বোলা হয়। বিজ্ঞানৰ যিটো শাখাত এই নেন' জোখৰ পদাৰ্থবোৰৰ অধ্যয়ন তথা ব্যৱহাৰিক দিশৰ প্ৰয়োগ কৰা হয় তাক নেন' প্ৰযুক্তিবিদ্যা বোলে।

মিটাৰ স্কেল এককটি আমাৰ সকলোৰে দৈনন্দিন জীৱনৰ লগত জড়িত। সহজ অৰ্থত সমাজত পৰিচিত জোখৰ এককটিৰেই হৈছে মিটাৰ। যেতিয়া পদাৰ্থ এটি নেন' মাত্ৰাত (১ ৰ পৰা ১০০ নেন'মিটাৰ) পৰিবৰ্তন হয় অৰ্থাৎ যেতিয়া পদাৰ্থটি সৰু হৈ গৈ থাকে তেতিয়া মূল পদাৰ্থতকৈ তাৰ পৃষ্ঠকালি বাঢ়ি যায়। বৰ্ধিত পৃষ্ঠকালিৰ কাৰণে নেন'মিটাৰ জোখত পদাৰ্থটোৱে কিছুমান নতুন ভৌতিক আৰু ৰাসায়নিক গুণাগুণ দেখুৱায়। অৰ্থাৎ নতুন পদাৰ্থটোৱে মানি চলা পদাৰ্থৰ গুণাগুণ নেন' পদাৰ্থটোৱে নমনা হৈ যায়।

**ইতিহাসঃ**

নেন' প্ৰযুক্তিৰ ধাৰণাৰ ওপৰত প্ৰথম আলোচনা কৰে ১৯৫৯ চনত প্ৰসিদ্ধ পদাৰ্থ বিজ্ঞানী ৰিচাৰ্ড ফাইনমেনে। তেওঁ কেলিফোৰ্ণিয়া ইন্সটিটিউট অৱ টেকন'লজিত হোৱা আমেৰিকাৰ ফিজিকেল চোচাইটি সভাত 'There is plenty of room of the bottom' অৰ্থাৎ "নিম্ন ভাগত প্ৰচুৰ কোঠালি" শীৰ্ষক এটি বক্তৃতা প্ৰদান কৰে। এই বক্তৃতাটোৱেই নেন' প্ৰযুক্তিৰ সন্দৰ্ভত বিশ্বক প্ৰথম ধাৰণা দিয়ে। আৰু ভৱিষ্যতৰ নেন' প্ৰযুক্তি অধ্যয়নৰ ক্ষেত্ৰত মাইলৰ খুটি হিচাপে পৰিগণিত হয়। এই নেন' প্ৰযুক্তি শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল জাপানীজ বিজ্ঞানী ন'ৰিঅ টানিগুচিয়ে ১৯৭৪ চনত। তেওঁৰ দ্বাৰা প্ৰকাশিত এখন গৱেষণা পত্ৰত কেনেকৈ নেন' মাত্ৰাত পদাৰ্থ এটি নিৰ্মাণ কৰিব পৰা যায় সেই প্ৰযুক্তি সম্পৰ্কে আলোচনা কৰা হৈছে ।

**নেন' পদাৰ্থ মূলত দুই প্ৰকাৰৰ ঃ —**

১. অজৈৱ নেন' পদাৰ্থ (Metal Nano Materials)
(সোণৰ নেন' পদাৰ্থ, ৰূপৰ নেন' পদাৰ্থ, এলুমিনিয়াম নেন' পদাৰ্থ)

২. কাৰ্বন নেন'পদাৰ্থ (Carbon Nano Materials)
(গ্ৰেফিন, কাৰ্বন নেন'টিউব, কাৰ্বন কণা ইত্যাদি)

**ফ্ল'ৰাইডৰ সমস্যা ঃ**

আমাৰ দৈনন্দিন জীৱনত সঘনে ব্যৱহৃত আৰু সকলো জীৱৰ জীৱন চক্ৰ সূচাৰু ৰূপে চলাই নিবৰ বাবে অতিশয় দৰকাৰী উপাদান হৈছে পানী। পৃথিৱীৰ মুঠ জলপৃষ্ঠৰ ৯৭ % পানী আমাৰ দৈনন্দিন

ব্যৱহাৰৰ বাবে উপযোগী নহয় আৰু বাকী ৩ % পানীহে আমি বিভিন্ন কামত ব্যৱহাৰ কৰো। এই পানী ভাগৰ ভিতৰত খোৱা উপযোগী পানীৰ পৰিমাণ নগন্য আৰু বহুতো মানুহে জ্ঞাত বা অজ্ঞাতভাৱে এই অশুদ্ধ বা প্ৰদুষিত পানী সেৱন কৰি আছে। এই অশুদ্ধ পানী সেৱনৰ পাৰ্শ্বক্ৰিয়া ভয়াৱহ। যাৰ ফলশ্ৰুতিত তেওঁলোক নানা ধৰণৰ জটিল ৰোগত আক্ৰান্ত হ'ব লগা হয়। গতিকে ফ্ল'ৰাইডৰ ওপৰত সম্যক জ্ঞান থকাটো আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে সকলোৱে জনাটো দৰকাৰ। ফ্ল'ৰাইড প্ৰদুষণৰ ফল স্বৰূপে হোৱা ভয়াৱহ বিষক্ৰিয়াৰ বাতৰি বৰ্তমান সময়ত সঘনে প্ৰচাৰ হৈ থকা দেখা যায় বা শুনিবলৈ পোৱা যায়।

*অসমৰ সাধাৰণ গাঁৱলীয়া লোকসকলৰ হিতাৰ্থে বিভিন্ন বাতৰি কাকত, পত্ৰিকা বা দূৰদৰ্শনত ইয়াৰ সজাগতাৰ বিষয়ে অৱগত কৰা হৈছে। তথাপি গাওঁ অঞ্চলৰ বহুতো লোক আজিও এই বিষয়ে অজ্ঞাত। ফলত ফ্ল'ৰাইডযুক্ত পানী সেৱনৰ ফলশ্ৰুতিত তেওঁলোকে ফ্ল'ৰছিছ বা দন্তক্ষয়ৰ দৰে ৰোগত ভূগি আছে। অত্যাধিক ফ্ল'ৰাইডৰ বিষক্ৰিয়াৰ ফলত মগজু, স্নায়ু, থাইৰয়ড আদিও লাহে লাহে প্ৰভাৱিত হয়। আমাৰ শৰীৰে খোৱা পানী আৰু আন খাদ্য দ্ৰব্যৰ পৰা ফ্ল'ৰাইড আহৰণ কৰে। আমাৰ হাড় আৰু দাঁতৰ গঠনৰ বাবে সামান্য পৰিমাণৰ ফ্ল'ৰাইডৰ দৰকাৰ। শিশু এটা গৰ্ভত থকা কালছোৱাৰ পৰা হাড় আৰু দাঁতৰ সম্পূৰ্ণ গঠন হোৱালৈ গোটেই সময়খিনিত বেছি ফ্ল'ৰাইডযুক্ত পানী সেৱনৰ ফলত হাড় আৰু দাঁতৰ বিকাশ সঠিক ৰূপত নহব পাৰে।*

**ফ্ল'ৰাইড কি ?**

বিভিন্ন ধাতু, অধাতু বা ইয়াৰ সংমিশ্ৰনেৰে আমাৰ পৃথিৱীৰ মৌলিক পদাৰ্থসমূহ গঠিত হৈছে। অক্সিজেন, ক্লৰিণ, ফ্লৰিন আদি পদাৰ্থসমূহ অধাতু। ধাতুৰে অধাতুৰ লগত লগ লাগি লৱণ সৃষ্টি কৰে। এনে ধৰণে উৎপন্ন হোৱা ছডিয়াম ক্লৰাইড (Nacl) হৈছে আমি খোৱা লৱণবিধ । কিন্তু আচৰিত কথা ছডিয়াম ফ্লৰাইড (NaF) হৈছে আনবিধ লৱণ কিন্তু ইয়াক আমি নাখাও। ফ্লৰিন এটা অতি সক্ৰিয় আৰু বিষাক্ত মৌল (অধাতু) প্ৰকৃতিত ই মুক্ত অৱস্থাত নাথাকে কিন্তু আন বিভিন্ন মৌলৰ লগত লগ লাগি ই যৌগ গঠন কৰে। যিটো যৌগ ফ্ল'ৰাইড নামে জনাজাত। প্ৰকৃতিত ইয়াক বিশেষকৈ ফ্লৰ'স্পাৰ বা কেলছিয়াম ফ্ল'ৰাইড ($C_2F_2$) ফছফেট শিলত ছডিয়াম এলুমিনিয়াম ফ্ল'ৰাইড ($Na_3AlF_6$) বা ক্ৰয়'লাইট হিচাপে পোৱা যায়। ভূ-পৃষ্ঠত পোৱা খনিজ লৱণ সমূহৰ ভিতৰত ফ্ল'ৰাইডৰ স্থান চৰ্তুদশ । বিভিন্ন প্ৰকাৰৰ শিল, বেচেল্ট চূণশিল বালিশিল আৰু বিভিন্ন প্ৰকাৰৰ মাইকা আদিত ফ্ল'ৰাইড যথেষ্ট পৰিমাণে পোৱা যায়।

**পৰিবেশত ফ্ল'ৰাইড প্ৰদুষণৰ প্ৰভাৱঃ**

পানীত ফ্ল'ৰাইডৰ উপস্থিতি আমি কেনেকৈ ধৰা পেলাম ? ফ্ল'ৰাইডৰ বৰণ বা স্বাদ নোহোৱা হেতুকে আইৰন উপস্থিতি সহজে ধৰা পেলোৱাৰ নিচিনাকৈ ফ্ল'ৰাইড থকা বা নথকাটো জানিব নোৱাৰি। কম পৰিমাণৰ ফ্ল'ৰাইড আমাৰ স্বাস্থ্যৰ বাবে উপকাৰী। বিশেষকৈ ই আমাৰ দন্তক্ষয় ৰোধ কৰে। কিন্তু খোৱা পানী বা অন্যান্য খাদ্যত যদি ফ্ল'ৰাইডৰ পৰিমাণ হিচাপতকৈ অধিক হয় তেন্তে মানুহকে ধৰি সমূদায় প্ৰাণীজগতৰ দেহত বিভিন্ন ৰোগে দেখা দিয়ে। বিশ্ব স্বাস্থ্য সংস্থাই (WHO) ধাৰ্য্য কৰা অনুযায়ী, খোৱা পানী ১.৫ নিযুতাংশৰ ওপৰত ফ্ল'ৰাইড থকাটো অনুচিত। যদি খোৱা পানীত ফ্ল'ৰাইড ১.৫ নিযুতাংশতকৈ অধিক হয় তেন্তে ই বিপদজনক আৰু ৪.০ নিযুতাংশতকৈ অধিক হয় সাংঘাতিক ধৰণে বিপদজনক। বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰ, ইটালী, চীন, জাপান আৰু আফ্ৰিকা মহাদেশৰ কেতবোৰ দেশত ফ্ল'ৰাইড প্ৰদুষনে যথেষ্ট অনিষ্ট সাধন কৰিছে। আমাৰ দেশৰ গুজৰাট, পঞ্জাব, হাৰিয়ানা, উত্তৰ প্ৰদেশ, অন্ধ প্ৰদেশ, তামিলনাড়ু, কৰ্ণাটক আৰু দিল্লীৰ বহুতো অঞ্চলত ফ্ল'ৰাইড যিমান পৰিমাণৰ থাকিব লাগে তাতকৈ অধিক। অসমৰ বহুকেইখন জিলাৰ ভূ-জলত অত্যাধিক ফ্ল'ৰাইডৰ উপস্থিতিৰ তথ্য পোৱা গৈছে। তাৰ ভিতৰত নগাওঁ, কাৰ্বি আংলং গোলাঘাট, দৰং , কামৰূপ আৰু কৰিমগঞ্জ অন্যতম।

ফ্ল'ৰাইড অধিক থকা মাটিত গজা উদ্ভিদৰ দেহত ফ্ল'ৰাইড অধিক পৰিমাণে থাকে। এনে উদ্ভিদৰ পৰা উৎপন্ন হোৱা শস্য নতুবা অন্যান্য ফল-মূল খাদ্য হিচাপে ব্যৱহাৰ কৰিলে নতুবা দানা হিচাপে ব্যৱহাৰ কৰিলে মানুহ আৰু অন্যান্য প্ৰাণীৰ দেহত ফ্ল'ৰাইডৰ পৰিমাণ বৃদ্ধি

পায়। বায়ুত থকা ফ্ল'ৰাইড সমূহ পত্ৰৰন্ধ্ৰৰ জৰিয়তে উদ্ভিদৰ দেহত প্ৰৱেশ কৰে আৰু এইবোৰ পিছত খাদ্য শৃংখলৰ জৰিয়তে সমুদায় জীৱ জগতত বিয়পি পৰে।

অসমৰ সাধাৰণ গাঁৱলীয়া লোকসকলৰ হিতাৰ্থে বিভিন্ন বাতৰি কাকত, পত্ৰিকা বা দূৰদৰ্শনত ইয়াৰ সজাগতাৰ বিষয়ে অৱগত কৰা হৈছে। তথাপি গাওঁ অঞ্চলৰ বহুতো লোক আজিও এই বিষয়ে অজ্ঞাত। ফলত ফ্ল'ৰাইডযুক্ত পানী সেৱনৰ ফলশ্ৰুতিত তেওঁলোকে ফ্ল'ৰছিছ বা দন্তক্ষয়ৰ দৰে ৰোগত ভুগি আছে। অত্যাধিক ফ্ল'ৰাইডৰ বিষক্ৰিয়াৰ ফলত মগজু, স্নায়ু, থাইৰয়ড আদিও লাহে লাহে প্ৰভাৱিত হয়। আমাৰ শৰীৰে খোৱা পানী আৰু আন খাদ্য দ্ৰব্যৰ পৰা ফ্ল'ৰাইড আহৰণ কৰে। আমাৰ হাড় আৰু দাঁতৰ গঠনৰ বাবে সামান্য পৰিমাণৰ ফ্ল'ৰাইডৰ দৰকাৰ। শিশু এটা গৰ্ভত থকা কালছোৱাৰ পৰা হাড় আৰু দাঁতৰ সম্পূৰ্ণ গঠন হোৱালৈ গোটেই সময়খিনিত বেছি ফ্ল'ৰাইডযুক্ত পানী সেৱনৰ ফলত হাড় আৰু দাঁতৰ বিকাশ সঠিক ৰূপত নহব পাৰে। ইয়াৰ লক্ষণ কিছুমান হৈছে — ৰাজহাড়ৰ লগতে হাড়ৰ আন জোৰাবোৰৰ বিষ, হাড়ৰ গঠনৰ বিকৃতি, বেকা বা চেপেটা হাড় ইত্যাদি। পিছৰ বয়সছোৱাত ফ্ল'ৰাইড বিষক্ৰিয়াই হাড়ৰ গাঠি আৰু পেশীৰ সংযোগত বিজুতিৰ সৃষ্টি কৰি বিষ আৰু জঠৰতাৰ সৃষ্টি কৰে।

**ফ্ল'ৰাইড অপসাৰণত নেন' প্ৰযুক্তি ঃ**

একবিংশ শতিকাত পানী পৰিস্কাৰ কৰা ক্ষেত্ৰত নেন' পদাৰ্থ এটি সম্ভাব্য বিকল্প হিচাপে গণ্য কৰা হৈছে। কাৰণ নেন' পদাৰ্থ বিলাক কম খৰচী, সহজ লভ্য আৰু উপকাৰী। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ গৱেষণা ইতিমধ্যে পৃথিৱীৰ বিভিন্ন গৱেষণাগাৰত আৰম্ভ হৈছে। নেন' পদাৰ্থই ফ্ল'ৰাইড সহজে পৰিশোধন কৰিব পাৰে। গৱেষণাৰ পৰা স্পষ্ট হৈছে যে, নেন' পদাৰ্থবোৰে ফ্ল'ৰাইডৰ লগত তলত উল্লেখ কৰা ধৰণে ক্ৰিয়া কৰিব পাৰে —

(১) বিকীৰ্ণকৰণ ঃ ফ্ল'ৰাইডৰ দ্ৰৱণ এটা (অৰ্থাৎ যিটো দ্ৰৱণত ফ্ল'ৰাইড অতি মাত্ৰা থাকে ) যদি নেন' পদাৰ্থৰ পৃষ্ঠৰ ওপৰেদি এটা নিৰ্দিষ্ট গতিত যাবলৈ দিয়া হয়, তেতিয়া নেন'পৃষ্ঠই ফ্ল'ৰাইড আৱদ্ধ কৰি ৰাখে যাক বিকীৰ্ণকৰণ বোলা হয়।

(২) আয়ন বিনিময় ঃ ফ্ল'ৰাইড অপসাৰণত ব্যৱহৃত আন পদ্ধতি হৈছে আয়ন বিনিময়। এই পদ্ধতিত নেন'পৃষ্ঠত এটা গঠনমূলক আৰু ৰাসায়নিক ভাৱে এটা অনুৰূপ পদাৰ্থৰ লগত ফ্ল'ৰাইডৰ বিনিময় হয়। তেতিয়া ফ্ল'ৰাইড নেন'পৃষ্ঠত লাগি ধৰে আৰু দ্ৰৱণ (পানী) ৰ পৰা অপসাৰিত হয়। ফলত ফ্ল'ৰাইড যুক্ত নেন' পদাৰ্থ পানীৰ পৰা সহজে আতৰাই আনিব পাৰি।

(৩) শোষণ ঃ সাধাৰণতে নেন' পৃষ্ঠৰ ওপৰত কিছুমান ক্ষুদ্ৰ চিদ্ৰ ৰন্ধ্ৰ থাকে। এই ৰন্ধ্ৰবোৰত ফ্ল'ৰাইড আয়নক অতি সহজে ধৰি ৰাখিব পাৰি। এই পদ্ধতিত অকল নেন' পদাৰ্থটোৰ পৃষ্ঠইহে ফ্ল'ৰাইড শোষিত কৰিব পাৰে কিন্তু নেন' পদাৰ্থৰ বাকী অংশই নোৱাৰে। সেই কাৰণে শোষণ এটি পৃষ্ঠ ঘটনা হিচাপে গণ্য কৰা হয়।

পানীৰ পৰা ফ্ল'ৰাইড নিস্কাষণ আৰু অপসাৰণ কৰাটো নিতান্তই প্ৰয়োজনীয়। বিভিন্ন উচ্চমান বিশিষ্ট গৱেষণাগাৰত নেন' প্ৰযুক্তি ব্যৱহাৰ কৰি ফ্ল'ৰাইড অপসাৰণত নতুন নতুন প্ৰক্ৰিয়া চেষ্টা কৰি থকা হৈছে আৰু কিছু ক্ষেত্ৰত সাফল্য পৰিলক্ষিত হৈছে। কিন্তু পৰ্য্যাপ্ত পৰিমাণে বজাৰত উপলব্ধ হোৱা নাই। আশা কৰিব পাৰি ভৱিষ্যতে নেন' প্ৰযুক্তি বিদ্যাই ফ্ল'ৰাইড অপসাৰণত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

**Reference :**

1. Premathilaka, R. W. and Liyanagedera, N.D. (2019) Fluoride in Drinking water and Nano-technological Approaches for Eliminating Excess Fluoride, Journal of Nanotechnology, Article 1D 219238 ☐

*বিশ্বৰ কথা বা ভাৰতৰ কথা ভবাৰ আগেয়ে আমাৰে নিজৰ মাতৃভূমিৰ কথা ভাবিব লাগিব। আগেয়ে নিজৰ ক্ষুদ্ৰ নিজৰাকে বৰ নৈৰ দৰে বেগৱতী কৰিব পাৰিলে নিজৰাই নিজেই গৈ সাগৰত মিলিব পাৰিব ।*

— আনন্দচন্দ্ৰ আগৰৱালা

# সফলতাৰ সন্ধান বিচাৰি




জীমনি পাটোৱাৰী
স্নাতক পঞ্চম ষান্মাসিক
ভূগোল বিভাগ


সফলতা আৰু বিফলতা মানুহৰ জীৱনৰ দুটা এৰাব নোৱাৰা সংগী। সফলতাই মানুহৰ সুখ, বিফলতাই মানুহৰ দুখ। সেই বুলি বিফলতাৰ অৰ্থ হতাশ নহয়। বিফল হৈ হতাশ বা নিৰাশ হোৱা উচিত নহয়। পৃথিৱীৰ ভালেসংখ্যক বিখ্যাত মানুহ আছে যিসকলে বিভিন্ন ঘাট-প্ৰতিঘাট, নেৰা-নেপেৰা চেষ্টা আৰু যত্নৰ ফলতহে ডাঙৰ আৰু বিখ্যাত হৈছে। অলপ বুদ্ধিমত্তা আৰু যৎপৰোনাস্তি কৰা চেষ্টা, এই দুয়োটাই মানুহক উন্নতিৰ পথত আগবাঢ়ি যোৱাত সহায় কৰে।

এটা তজবজীয়া শক্তিৰে ভৰপূৰ জীৱন্ত ঘোঁৰাৰ দৰে জীৱনী শক্তিৰে আগুৱাই থাকিব লাগে। বহুখিনি কাম আশা, উদ্দীপনা, উৎসাহৰ বলত আধা-আধি সম্পন্ন হৈ যায়। বাকী নেৰানেপেৰা চেষ্টাৰ বলত সম্পন্ন হয়। অধ্যৱসায়ৰ মাজেদি ধৈৰ্য্যশক্তি আয়ত্ব কৰাৰ মাজতে লুকাই থাকে ব্যক্তিগত সাফল্যৰ চাবি-কাঠি।

প্ৰখ্যাত দাৰ্শনিক প্লেটো'ৰে কৈছিল — স্কুল, কলেজৰ পৰা পোৱা শিক্ষা তেতিয়াহে সম্পূৰ্ণ হয় যেতিয়া ছাত্ৰজনে ৰ'দত শুকাই, বৰষুণত তিতি আৰু সংসাৰৰ প্ৰচণ্ড ধুমুহাৰ আঁচোৰ খাই জীৱনৰ পঢ়াশালিত কিছু সময়ৰ কাৰণে হ'লেও শিক্ষা গ্ৰহণ কৰে।

এজন ল'ৰা বা এজনী ছোৱালীৰ পৰীক্ষাৰ ফলাফল বেয়া হ'ল বুলি সেই ল'ৰা বা ছোৱালীজনীক বেয়া মন্তব্য দিব নালাগে বা সিহঁতক কোনো ধৰণৰ কটু কথা কব বা সমালোচনা কৰিব নালাগে। ভাল ৰিজাল্ট কৰাই শিক্ষাৰ উদ্দেশ্য নহয়। তেওঁ তেতিয়ালৈ পঢ়া-শুনা কৰি কিমান খিনি জ্ঞান আয়ত্ব কৰিছে সেইটোহে শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। পৰীক্ষাত অকৃতকাৰ্য্যতাৰ বহুতো কাৰণ থাকে। সেয়েহে তেওঁক বিভিন্ন প্ৰকাৰেৰে উৎসাহ আৰু প্ৰেৰণা দিব লাগিব। পৰীক্ষাৰ ফলাফলক লৈ বহুতো ঘটনা দেখিবলৈ পোৱা যায়। পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবে বহুতে অসৎ পথো বাচি লয়। পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবে কেতিয়াবা আত্মহত্যা কৰা ঘটনাও আমি বাস্তৱত দেখা পাওঁ। কিন্তু জীৱনৰ প্ৰকৃত অৰ্থ এয়ে নহয় যে অকৃতকাৰ্য্যতাৰ বাবে আমি নিজকে ধ্বংস কৰিম বা আত্মহত্যাৰ দৰে নীচ কাম কৰিম।


পৰীক্ষাৰ ফলাফলক লৈ বহুতো ঘটনা দেখিবলৈ পোৱা যায়। পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবে বহুতে অসৎ পথো বাচি লয়। পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবে কেতিয়াবা আত্মহত্যা কৰা ঘটনাও আমি বাস্তৱত দেখা পাওঁ। কিন্তু জীৱনৰ প্ৰকৃত অৰ্থ এয়ে নহয় যে অকৃতকাৰ্য্যতাৰ বাবে আমি নিজকে ধ্বংস কৰিম বা আত্মহত্যাৰ দৰে নীচ কাম কৰিম। অকৃতকাৰ্যতাৰে আমি আমাৰ জীৱনটোক ভৱিষ্যতে সুন্দৰকৈ সজাই কৃতকাৰ্যতাৰ বাটেৰে আগবাঢ়ি যাব লাগিব।


অকৃতকাৰ্য্যতাৰে আমি আমাৰ জীৱনটোক ভৱিষ্যতে সুন্দৰকৈ সজাই কৃতকাৰ্য্যতাৰ বাটেৰে আগবাঢ়ি যাব লাগিব। জীৱন বহুমুখী। সন্মুখত যদি এটা পথ বন্ধ হৈ পৰে আন এটা পথ খোল খাই যায়। আগবাঢ়ি গ'লেই হ'ল। মনত সাহস, একাগ্ৰতা, আত্মবিশ্বাস আৰু নেৰা নেপেৰা চেষ্টা, ভগৱানৰ ওচৰত বিশ্বাস লৈ, ভগৱানৰ লগত একাত্মতা অনুভৱ কৰি সন্মুখৰ দিশত উন্নতিৰ পথত খোজ পেলাব লাগে।

এইখিনিতে এটা বাস্তৱ কাহিনী মনত পৰিছে — উচ্চ মাধ্যমিক শেষান্ত পৰীক্ষাত প্ৰথম স্থান দখল কৰা গীতাই যেতিয়া কলেজৰ দুৱাৰ দলিত ভৰি দিলে তেতিয়া তাই বহুত সপোন বুকুত বান্ধি লৈ গৈছিল। তাই পঢ়া-শুনাত বেছ চোকা আছিল আৰু বহুত শান্ত স্বভাৱৰ আছিল। পৰিৱেশেও মানুহৰ জীৱনৰ গতি পথ সলনি কৰি দিয়ে। ঠিক তেনেকৈ

কলেজ পোৱাৰ পিছত গীতাৰ জীৱনলৈ আহিল এক নতুন জগত। কলেজৰ বতাহে তাইৰ দেহ-মন বাউলি কৰিলে। তাই ক্লাছ এৰি বেছিকৈ ঘূৰা-ফুৰা কৰিবলৈ ধৰিলে। সমনীয়াবোৰেও তাইৰ মনত এইটো সুমুৱাই দিলে যে কলেজত ক্লাছ নকৰিলেও ভাল ৰিজাল্ট কৰিব পাৰি। লাহে লাহে তাই বহুত চঞ্চল হৈ পৰিল। তাই যি উদ্দেশ্য লৈ কলেজত পঢ়িবলৈ আহিছিল তাক পাহৰি গ'ল, পাহৰি গ'ল ঘৰৰ মানুহবোৰে তাইক লৈ দেখা সপোনবোৰৰ কথা।

লাহে লাহে পৰীক্ষা ওচৰ চাপি আহিল আৰু এটা সময়ত সকলোৰে পৰীক্ষা দিবলৈ বহিল। কিন্তু পৰীক্ষা দিবলৈ বহি গীতাই দেখিলে যে তাই এটা উত্তৰো ভালকৈ লিখিব নোৱাৰে। তেতিয়া তাই ভাবিব ধৰিলে কিয় ইমান দিনে তাই একো নপঢ়িলে। আগতে ভালকৈ পঢ়াহেঁতেন আজি ভালকৈ লিখিব পাৰিলেহেঁতেন। তেতিয়াহে তাই নিজৰ গাফিলতিৰ কথা চিন্তা কৰিবলৈ ধৰিলে।

এটা সময়ত পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল। বহুত বেয়া ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল দেখুৱালে। কিন্তু গীতাৰ ৰিজাল্ট বেয়া হ'ল। তাকে দেখি সকলোৰে সমালোচনা কৰিব ধৰিলে। বহুতে ইতিকিং কৰিবলৈ ধৰিলে। মেট্ৰিকত ভাল ৰিজাল্ট কৰা গীতাই হায়াৰ ছেকেণ্ডাৰীত ভাল ৰিজাল্ট কৰিব নোৱাৰিলে। কলেজত ঘুৰা-ফুৰা কৰিছিল বাবেই তাইৰ এই অৱস্থা হ'ল। ঘৰৰ মানুহবোৰেও তাইক বহুত গালি-গালাজ কৰিছিল। শিক্ষক কেইজনমানেও বিভিন্ন ধৰণে সমালোচনা কৰিছিল। ক্লাছত বহুত ছাত্ৰ-ছাত্ৰীৰ মাজত তাইক লাজ দিছিল। সিদিনা তাই ক্লাছত উচুপি কান্দিছিল। তাই ধৈৰ্য্য শক্তি হেৰুৱাই পেলাইছিল। কোন পথেৰে যাব তাই বিচাৰি পোৱা নাছিল। বিচাৰি পোৱা নাছিল জীৱনৰ কৃতকাৰ্য্যতাৰ পথ। সেয়েহে তাই জীৱনৰ চৰম পথ বাচি লৈছিল।

পিছদিনা তাই কলেজত গৈছিল সকলোৰে পৰা বিদায় মাগিবলৈ। কিছুমান মানুহৰ সংস্পৰ্শ কিছুমান মানুহৰ ঘটনাই আমাৰ জীৱনৰ সিদ্ধান্ত সলনি কৰি দিয়ে। জীৱনত শেষবাৰৰ বাবে তাই যেতিয়া কলেজত গৈছিল এজন শিক্ষকে তাইক মাতি বহুত বুজাইছিল, বহুত উপদেশ দিছিল। বিফলতাই যে সফলতাৰ সন্ধান দিয়ে সেই বিষয়ে বহুত পৰামৰ্শ দিছিল। তুমি বিফল হৈছা কিন্তু নিৰাশ বা হতাশ নহবা। তাইৰ বন্ধু এজনে সেই সময়ত তাইক এখন কিতাপ উপহাৰ দিছিল — "আত্মবিশ্বাস প্ৰেৰণা আৰু সফলতা"।

গীতাই আকৌ পৰীক্ষা দিবলৈ সাজু হ'ল — জীৱনটোক নতুনকৈ সজাবলৈ দৃঢ় প্ৰতিজ্ঞা কৰিলে আৰু দিনে-ৰাতিয়ে কঠোৰ পৰিশ্ৰম কৰিবলৈ ধৰিলে। এইবাৰ তাই প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হ'ল। তাই চিন্তা কৰিলে জীৱনত সফল হ'বলৈ মানুহৰ কিহৰ প্ৰয়োজন। সফল হ'বলৈ হাবিয়াস থাকিব লাগিব। ইচ্ছা আৰু আকাংক্ষা থাকিব লাগিব। অবাবত এক চেকেণ্ড সময়ো নষ্ট কৰিব নালাগিব। সময় বৈ আছে বোৱতী নৈৰ দৰে। অনাদি অনন্ত কালৰ পৰা সময় গৈ আছে আৰু আগলৈও গৈ থাকিব। সেয়ে সময়ৰ সোঁতত কৰ্মৰ দ্বাৰা নিজকে খাপ খুৱাই আগবাঢ়িব লাগিব।

সহায়ক পুথি ঃ ডেল কাৰ্নেগি - আত্মবিশ্বাস প্ৰেৰণা আৰু সফলতা।▯

যুক্তিবাদী মানুহে নিজকে পৃথিৱীৰ লগত খাপ খুৱাই লয় ; যুক্তি মানিব নোখোজা মানুহে পৃথিৱীখনক নিজৰ লগত খাপ খুৱাই ল'বলৈ চেষ্টা কৰে। সেই কাৰণে সমস্ত প্ৰগতি নিৰ্ভৰ কৰে যুক্তি মানিব নোখোজা মানুহৰ ওপৰত ।

— জৰ্জ বাৰ্নাৰ্ড শ্ব'

গ্ৰন্থ আলোচনা

# সপোন, বাস্তৱ আৰু সংগ্ৰামৰ জীৱন্ত দলিল





বিদ্যুৎ দত্ত
সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ

একবিংশ শতিকাৰ দ্বিতীয় দশকটোত চিন্তামূলক গদ্য ৰচনাৰে অসমৰ সমাজ জীৱনৰ উত্তৰণত যিসকল লেখকে বলিষ্ঠ ভূমিকা আগবঢ়াই আহিছে সেইসকলৰ ভিতৰত টুনুজ্যোতি গগৈ অন্যতম গুৰুত্বপূৰ্ণ লেখক। ইতিহাস আৰু সমাজ জীৱনৰ সূক্ষ্ম পৰ্য্যৱেক্ষণ আৰু নিৰপেক্ষ বিচাৰ-বিশ্লেষণৰ বাবে গগৈৰ লেখা পাঠকৰ প্ৰিয়। তেওঁৰ গদ্যৰ ভাষা স্পষ্ট আৰু বাহুল্যবৰ্জিত। নতুন সমাজ এখনৰ নিৰ্মাণত অহৰহ ব্ৰতী লেখকে নতুন সমাজখনৰ বাবে প্ৰয়োজনীয় বুলি ভবা কথাবোৰকেই তেওঁৰ সূক্ষ্ম বিশ্লেষণী শক্তিৰে বিচাৰ কৰি পাঠকৰ আগত প্ৰকাশ কৰে। তেওঁৰ এনে চিন্তা-চেতনাৰেই উৎকৃষ্ট ফচল — 'আমাৰ অসম ঃ সপোন, বাস্তৱ আৰু সংগ্ৰাম' নামৰ গ্ৰন্থখন। বিভিন্ন কাকত, আলোচনী আৰু সামাজিক মাধ্যমত বিভিন্ন সময়ত প্ৰকাশ পাই অহা গগৈৰ বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰৱন্ধৰ একত্ৰ সংকলন এই গ্ৰন্থ। গ্ৰন্থখনত সূচীপত্ৰত মুঠ বাৰটা প্ৰবন্ধ অন্তৰ্ভুক্ত কৰাৰ সমান্তৰালভাৱে পৰিশিষ্ট অংশতো আপেক্ষিকভাৱে কিছু চুটি আন ছটা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। আটাইকেইটা প্ৰবন্ধই লেখকৰ শক্তিশালী চিন্তন-মনন আৰু বিশ্লেষণ ক্ষমতাৰ প্ৰকাশ ঘটাইছে।

'অসমীয়া জাতি আৰু জাতীয়তাবাদ ঃ উদ্ভৱ আৰু বিকাশ' গ্ৰন্থখনৰ প্ৰথমটো অধ্যায়। অধ্যায়টোৰ আৰম্ভণিতে লেখকে অসমীয়া জাতিৰ সংজ্ঞা নিৰূপণৰ প্ৰয়াস কৰিছে। দৰাচলতে অসমীয়া জাতিৰ সংজ্ঞা নিৰূপণ যে সহজ কথা নহয় সেয়া লেখকেও স্বীকাৰ কৰিছে। এই ক্ষেত্ৰত লেখকে ১৯৮৫ চনৰ ১৫ আগষ্টত সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ সৈতে সম্পাদন কৰা 'অসম চুক্তি'ৰ ষষ্ঠ দফাত উল্লিখিত এযাৰ বাক্যক স্মৰণ কৰিছে — 'Constitutional, legislative and administrative safeguards, as may be appropriate, shall be provided to protect, preserve and promote the cultural, social and linguistic identity and heritage of the Assamese People.' আনহাতে অসমীয়া জাতিৰ সংজ্ঞা বিচাৰি তেওঁ অসমত আহোমসকলৰ আগমনৰ প্ৰসংগও টানি আনিছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত যিদৰে অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকৰ অৰিহণা অপৰিহাৰ্য্য, ঠিক সেইদৰে পোন্ধৰ শতিকাত জন্মগ্ৰহণ কৰা শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ চেতনায়ো অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক যে ত্বৰান্বিত কৰি তুলিছিল সেই কথা অধ্যায়টোৰে স্পষ্ট কৰিছে। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটো এক দীৰ্ঘ সময়ৰ পৰিপ্ৰেক্ষিতত গঢ় লৈ উঠা প্ৰক্ৰিয়া যদিও অসমীয়া জাতীয়তাবাদৰ ধাৰণাটো আপেক্ষিকভাৱে বহু পাছতহে গঢ় লৈ উঠিছে। এই সম্পৰ্কত তেওঁৰ মত 'অসমত ব্ৰিটিছ শাসন প্ৰৱৰ্তন হোৱাৰ আগলৈকে অসমীয়া জাতীয়তাবাদৰ উদ্ভৱ হোৱাই নাছিল' (পৃ.১৪) । অসমত

ঔপনিৱেশিকতাৰ বিৰুদ্ধে অসমৰ সৰ্বসাধাৰণে বিদ্ৰোহ কৰিবলৈ যাওঁতেই যে অসমত পোনপ্ৰথমে জাতীয়তাবাদৰ উদ্ভৱ হৈছিল সেইকথা লেখকে এই অধ্যায়ত স্পষ্টকৈ উল্লেখ কৰিছে। পৰৱৰ্তী সময়ত ব্ৰিটিছ প্ৰশাসনৰ বৈষম্যমূলক ৰাজনীতিৰ প্ৰতিবাদ কৰিবলৈ গঢ় লৈ উঠা ৰাইজমেলবোৰ, জাতীয় চেতনা সৃষ্টিৰ উদ্দেশ্যে গঠিত ৰায়তসভা আৰু সাৰ্বজনিক সভাবোৰ, ইংৰাজী ভাষাৰ প্ৰসাৰ-প্ৰচলন, কটন কলেজৰ স্থাপন, আসাম এছ'চিয়েছন (১৯০৩) ৰ জন্ম আদিয়ে সৰ্বতোপ্ৰকাৰে অসমীয়া জাতীয়তাবাদ গঢ়ি তোলাত অৰিহণা যোগালে। অৱশ্যে বহু সংঘাত-সংগ্ৰাম আৰু পৰিৱৰ্তনৰ মাজেদি যে এই অসমীয়া জাতি আৰু জাতীয়তাবাদৰ ধ্বজা আগবাঢ়িছে সেইকথাও এই অধ্যায়টোৱে স্পষ্ট কৰে।

গ্ৰন্থখনত অন্তৰ্ভুক্ত দ্বিতীয়টো প্ৰবন্ধ হৈছে 'অসমীয়া জাতিসত্তা গঠনৰ পটভুমি আৰু ত্ৰুটি-বিচ্যুতি'। এই প্ৰবন্ধটোৱে লেখকৰ ইতিহাস সচেতন আৰু গৱেষণাধৰ্মী মনটোৰ পৰিচয় বহন কৰিছে। কোনো এটা জাতিৰ জাতীয় সত্তাটো একেদিনাই গঢ় লৈ নুঠে, বৰঞ্চ নানাধৰণৰ গ্ৰহণ, বৰ্জন আৰু সংগ্ৰামৰ মাজেদিহে জাতিসত্তা একোটা গঢ় লৈ উঠে। অসমীয়া জাতিসত্তাও ইয়াৰ ব্যতিক্ৰম নহয়। অসমীয়া জাতিসত্তা গঠনৰ এই ঐতিহাসিক পৰিক্ৰমাক লেখকে এই প্ৰবন্ধত খুব সুন্দৰভাৱে বৰ্ণনা কৰিছে। সমান্তৰালভাৱে অসমীয়া জাতিসত্তা গঠনৰ ত্ৰুটি-বিচ্যুতিৰ সম্পৰ্কেও লেখকৰ তথ্যসমৃদ্ধ চিন্তা প্ৰতিফলিত হৈছে।

'অসমীয়া জাতীয়তাবাদ আৰু গোষ্ঠীচেতনা' গ্ৰন্থখনত সন্নিৱিষ্ট হোৱা তৃতীয়টো প্ৰবন্ধ। এই প্ৰবন্ধটোত অসমীয়া জাতীয়তাবাদৰ সমান্তৰালভাৱে অসমত কিদৰে গোষ্ঠীচেতনাও ক্ৰমাৎ প্ৰকট হৈ উঠিল সেইসম্পৰ্কত বিচাৰ-বিশ্লেষণ কৰা হৈছে। এইক্ষেত্ৰত লেখকে ঐতিহাসিক দৃষ্টিকোণেৰে ইয়াৰ ইতিবাচক আৰু নেতিবাচক বিভিন্ন দিশৰ কথা উল্লেখ কৰিছে আৰু পূৰ্বৰ বিভিন্ন ভুল-ত্ৰুটিক শুধৰাই নতুন প্ৰজন্মক এক উদাৰ অসমীয়া জাতিসত্তা গঢ়ি তুলিবলৈ আহ্বান জনাইছে, 'য'ত জাত-পাতৰ ভিত্তিত বিশেষ মৰ্যাদা বা অধিকাৰৰ দাবী কোনেও কৰিব নোৱাৰিব, য'ত ব্যক্তিগত মৌলিকতা-প্ৰতিভা আদিৰ জৰিয়তেহে মানুহে নিজৰ মৰ্যাদা সাব্যস্ত কৰিব পাৰিব' (পৃ. ৪৮)।

'বিহু হওক জাতি গঠনৰ মঞ্চ' প্ৰবন্ধটোত লেখকে বিহুৰ উৎপত্তিৰ সম্পৰ্কত কিছু ব্যাখ্যা বিশ্লেষণ কৰাৰ উপৰিও অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীয়ে স্বকীয় সাংস্কৃতিক পৰম্পৰা বৰ্তাই ৰাখিও বিহু উৎসৱ কিদৰে পালন কৰি আহিছে সেই সম্পৰ্কত উল্লেখ কৰিছে। বিহুৱেহে যে দৰাচলতে বৃহত্তৰ অসমীয়া সমাজ জীৱনক একতাৰ ডোলেৰে বান্ধি ৰাখিছে বা ৰাখিব সেইকথা লেখাটোত স্পষ্ট হৈছে। বিংশ শতিকাৰ শেষৰফালে দেশত আৰম্ভ হোৱা অৰ্থনৈতিক উদাৰীকৰণ, শিপা বিচ্ছিন্ন মধ্যবিত্ত শ্ৰেণীটোৰ ব্যক্তিকেন্দ্ৰিকতা আৰু ভোগবাদী মানসিকতাই বিহুৰ ক্ষেত্ৰত কঢ়িয়াই অনা সংকটৰ কথাও লেখকে উল্লেখ কৰিছে।

অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকে ন্যায্য অধিকাৰৰ বাবে কৰা দীৰ্ঘদিনীয়া সংগ্ৰাম আৰু তেওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ প্ৰসংগটোক ঐতিহাসিক দৃষ্টিকোণেৰে বিচাৰ-বিশ্লেষণ কৰিছে 'অসমৰ জনগোষ্ঠীসকলৰ আত্মনিয়ন্ত্ৰণৰ সংগ্ৰাম' শীৰ্ষক প্ৰবন্ধত। অৱশ্যে পৃথক ৰাজ্য লাভ কৰাৰ পাছত আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা মধ্যভোগী শ্ৰেণীটোৱেই যে ব্যক্তিগতভাৱে আটাইতকৈ লাভান্বিত হয় আৰু বেছিসংখ্যক জনসাধাৰণেই যে সামগ্ৰিক বিকাশৰ সুবিধা নাপায়, সেই কথাও লেখকে অতি স্পষ্টভাৱে উল্লেখ কৰিছে।

আলোচিত প্ৰবন্ধকেইটাৰ উপৰিও অন্যান্য বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰবন্ধ গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈছে। প্ৰবন্ধবোৰে নিশ্চয় পাঠকক নতুন চিন্তাৰ খোৰাক দিব বুলি ভবাৰ অৱকাশ আছে। গুৱাহাটীৰ পূৰ্বায়ণ প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখনে সমাজৰ বিভিন্ন ঘটনা-পৰিঘটনাবোৰক নতুন ধৰণে বুজিবলৈ, নতুন দৃষ্টিকোণেৰে চাবলৈ পাঠকক সহায় কৰিব বুলি ক'ব পাৰি । ▯

> ঢেঁকীটোত এমূৰে তুমি উঠি আছা, সিমূৰে তোমাৰ মাতৃভূমি। তুমি ওপৰলৈ উঠিলে মাতৃভূমি তললৈ যাব । মাতৃভূমিক ওপৰলৈ তুলিব খুজিছা যদি, তুমি তোমাক সৰুটি কৰি তললৈ নিয়া ।
>
> — লক্ষ্মীনাথ বেজবৰুৱা

# গ' উইথ দ্যা ফ্ল'



জুনমণি পাঠক
স্নাতক পঞ্চম ষান্মাসিক
ইংৰাজী বিভাগ

জীৱনটো সচাঁকৈয়ে বিচিত্ৰ। সময়ে কেতিয়া কাক কোন দিশে লৈ যায় কোনেও গম নাপায়। সময় গতিশীল । সকলোৰে সময় সদায় একেদৰে নাযায়। উত্থান-পতন যে মানুহৰ জীৱনত হয়েই, মাথো সকলো নিৰ্ভৰ কৰে নিজৰ ওপৰত; সেই সময়খিনিত নিজক কেনেদৰে পৰিচালিত কৰা যায়। জীৱনৰ আটাইতকৈ কঠোৰ, আটাইতকৈ বেয়া সময়খিনিত অকল আত্মবিশ্বাস আৰু নিজৰ জীৱনৰ প্ৰতি থকা ভাল পোৱা আৰু ধনাত্মক চিন্তাইহে সহায় কৰে। বলিউডৰ ''Calendar Girls'' শীৰ্ষক এখন অতি সুন্দৰ চিনেমা আছে। দুজনী 'কেলেণ্ডাৰ গালছ্' ৰ জীৱনৰ আধাৰত নিৰ্মিত ছবিখনত বলিউড জগতৰ অভিনেতা-অভিনেত্ৰী তথা আন ব্যক্তি সকলৰ কাহিনী অতি সুন্দৰকৈ দাঙি ধৰিছে। এটা বিশেষ বৰ্ষৰ Calendar Girls খিতাপ অৰ্জন কৰি দুজনী মডেলে বলিউদৰ জগতত খোজ পেলাইছিল। এই সময়খিনি তেওঁলোকে বিভিন্ন তিতা-মিঠা পৰিস্থিতিৰ সন্মুখীন হৈছিল । তাৰ মাজতে এজনীৰ বলিউডৰ বিশেষ ব্যক্তি এজনৰ লগত মনোমালিন্য ঘটে। ইয়াত দোষ যদিও সেই বিশেষ ব্যক্তিজনৰ আছিল, তথাপি হাত দীঘল বাবে তেওঁক সকলোৱে মানি চলিছিল আৰু ছোৱালীজনীক কাম দিবলৈ প্ৰত্যেকজনে দ্বিধাবোধ কৰিছিল। ফলস্বৰূপে তেওঁৰ অভিনেত্ৰী হোৱাৰ সপোনত বাধা আহি পৰিছিল। এনে পৰিস্থিতিত বহুতে হয়তো ভাগি পৰিলে হেতেন অথবা হতাশাবোধত ভুগিলে হেতেন । কিন্তু তেওঁ সেয়া হাঁহি মুখে মানি লৈছিল আৰু অভিনেত্ৰী হোৱা সপোনৰ যৱনিকা পেলাই এটা প্ৰখ্যাত নিউজ চেনেলৰ anchor হিচাপে নতুন জীৱিকাৰ পাতনি মেলিছিল। প্ৰচুৰ আত্মবিশ্বাসৰ ফলত তেওঁ অতি সোনকালে সফলতা অৰ্জন কৰিবলৈও সক্ষম হৈছিল । পিছত নিজৰ কৰ্মদক্ষতাৰ বলত পদোন্নতি লাভ কৰি এটা সুন্দৰ জীৱন গঢ়ি তুলিছিল। তেওঁৰ এটি বিশেষ সংলাপে মন চুই যায়। তেওঁ কৈছিল—" গীতাত এষাৰি কথা আছে যে, মানুহৰ জীৱনত যি কোনো ক্ষেত্ৰত এখন দৰ্জা বন্ধ হ'লে আন এখন দৰ্জা খোল খাই যায়। যি হৈছে হব দিয়া । Relax and just go with the flow. সচাঁকৈয়ে, জীৱনত বহু বেয়া অভিজ্ঞতা, অসফলতা আহে । কিন্তু সেইবোৰকে সাৰটি লৈ, ভাবি যদি বহি থকা যায়, তেতিয়া জীৱনত কেতিয়াও আগবাঢ়িব নোৱাৰিব। জীৱনে সদাই নিত্য নতুন সুযোগ আনে। প্ৰয়োজন মাথো আপোনাৰ ধনাত্মক দৃষ্টিভংগীৰ। বেয়াবোৰৰ বাবে যাতে ভালখিনি নেহৰুৱাই তাৰ বাবে লক্ষ্য ৰাখিব লাগিব। সকলো নিৰ্ভৰ কৰে মাথো আপুনি কেনেদৰে জীৱনটো গ্ৰহণ কৰে তাৰ ওপৰত । প্ৰতিটো তিক্ত মূহুৰ্তই, প্ৰতিটো অসফলতাই মানুহক শিক্ষা দিয়ে। পিছৰ পৰ্য্যায়ত আগবাঢ়ি যাবৰ বাবে প্ৰয়োজন মাথো মনৰ দৃঢ়তাৰ। বেয়া লগা অতীতক দলিয়াই দিয়ক আৰু কওঁক ''Love you Zindegi'' কওঁক "I can'' আৰু Just go with the Flow........ ☐

# চৰাঞ্চলৰ বিষয়ে দুআষাৰ



আৰ. জে. কৰিম
স্নাতক তৃতীয় ষান্মাসিক
অৰ্থনীতি বিভাগ



অসম এখন নদীমাতৃক দেশ । ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ চৰ-চাপৰিৰ সৃষ্টি কৰিছে। তাৰে ভিতৰত বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ চৰাঞ্চল অন্যতম। প্ৰায় ৩০-৪০ খন গাওঁ মিলি এক বৃহত্তৰ চৰাঞ্চল সৃষ্টি হৈছে। ইয়াত বসবাস কৰা মানুহখিনি মুছলমান সম্প্ৰদায়ৰ। এওঁলোক অবিভক্ত পূৰ্ব বংগমূলীয়। বাংলাদেশ স্বাধীন হোৱাৰ পূৰ্বে অৰ্থাৎ ১৯৭১ চনৰ ২৫ মাৰ্চ তাৰিখৰ পূৰ্বে বিভিন্ন আৰ্থ-সামাজিক সমস্যাৰ সন্মুখীন হৈ প্ৰব্ৰজন কৰি আহি এওঁলোকে অসমৰ বিভিন্ন অঞ্চলত নিগাজীকৈ বসবাস কৰিবলৈ আৰম্ভ কৰে। এওঁলোকৰ প্ৰায়বোৰে পেছাত কৃষক হোৱা হেতুকে চৰাঞ্চলকেই প্ৰাধান্য দিছিল আৰু লাহে লাহে এওঁলোকে নিজৰ ভাষা-সংস্কৃতি, কলা-কৃষ্টি জলাঞ্জলি দি অসমীয়া কলা-কৃষ্টি, ভাষা-সংস্কৃতি আঁকোৱালি ল'বলৈ আৰম্ভ কৰিলে। অৱশেষত তেওঁলোক হৈ পৰিল ন-অসমীয়া ।

যদিও পূৰ্বতে চৰাঞ্চলৰ অধিকাংশ লোক অশিক্ষিত আছিল কিন্তু বৰ্তমান সময়ত কোনো ক্ষেত্ৰতে এওঁলোক পিছ পৰি থকা নাই। শিক্ষাৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন আহি পৰিছে। ঘৰে ঘৰে উচ্চ শিক্ষিত লোক পৰিলক্ষিত হয়। শিক্ষাৰ সম্প্ৰসাৰণ ঘটিছে যদিও ঠাই বিশেষে এতিয়াও বহু অন্ধবিশ্বাস আৰু কুসংস্কাৰ দেখা যায়। চৰাঞ্চলত উপযুক্ত কৰ্মসংস্থান নথকাৰ বাবে এক বুজন সংখ্যক শিক্ষিত যুৱকে বহিঃৰাজ্যলৈ গৈ শ্ৰমদান কৰি চৰাঞ্চলক অৰ্থনৈতিকভাৱে টনকিয়াল কৰিছে।

অসম তথা ভাৰতবৰ্ষৰ অৰ্থনীতিত চৰাঞ্চলৰ অৱদান নুই কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ দৰে কৃষি প্ৰধান দেশৰ অৰ্থনীতিৰ মূল ভিত্তি হ'ল কৃষি। চৰাঞ্চলৰ ৮০-৮৫ শতাংশ লোক কৃষিৰ লগত প্ৰত্যক্ষভাৱে জড়িত। ইয়াত ধান, মাঁহ, গ'ম, মৰাপাট, বিভিন্ন শাক-পাচলি আদি সকলোধৰণৰ কৃষিজাত সামগ্ৰী উৎপাদন হয়। কিন্তু দুৰ্ভাগ্যজনক হলেও সত্য যে মানুহবোৰে হাঁড় ভঙা পৰিশ্ৰম কৰিও আশানুৰূপ ফল নাপায়। ইয়াৰ কাৰণ মূলতঃ দুটা — প্ৰথমে, ইয়াত উন্নতমানৰ প্ৰযুক্তি বিদ্যা নাই, আওপুৰণি পদ্ধতিয়েই বেছিভাগে প্ৰয়োগ কৰে। যাৰ ফলত অধিক কষ্ট কৰিও উৎপাদন কম পায়। দ্বিতীয়তে, চৰাঞ্চলত উপযুক্ত বজাৰ তথা পৰিবহন ব্যৱস্থা নাই, ফলত কেইবা কিলোমিটাৰ ৰাস্তা বালিৰ মাজেৰে শস্যৰ বোজা টানি দালালৰূপী বেপাৰীৰ হাতত পানীৰ দৰত বিক্ৰী কৰিবলগীয়া হয়। ইয়াৰ বাবে দালাল চক্ৰহে বেছি লাভান্বিত হোৱা পৰিলক্ষিত হয়। চৰকাৰে যদি উপযুক্ত প্ৰযুক্তি বিদ্যাৰ যোগান ধৰি উৎপাদন বৃদ্ধিত সহায় কৰে আৰু চৰাঞ্চল সংযোগী দলঙৰ ব্যৱস্থা কৰি চৰাঞ্চলৰ পৰিবহন ব্যৱস্থাৰ উন্নয়ন ঘটায়, তেন্তে দেশৰ অৰ্থনীতিত চৰাঞ্চলৰ অৱদান দুগুন হব বুলি ক'লে বঢ়াই কোৱা নহব আৰু চৰাঞ্চলবাসীও অৰ্থনৈতিকভাৱে টনকিয়াল হ'ব। □

# যুৱ উচ্ছৃংখলতা আৰু বৰ্তমান সমাজ



পূজা কলিতা
স্নাতক তৃতীয় যান্মাসিক
শিক্ষা বিভাগ

বৰ্তমান সমাজত মানৱ জাতিয়ে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। উদাহৰণ স্বৰূপে গোলকীয় উত্তাপ বৃদ্ধি, পৰিৱেশ প্ৰদূষণ, প্ৰাকৃতিক পৰিৱেশ ধ্বংস ইত্যাদি। ঠিক তেনেকৈ যুৱ উচ্ছৃখলতাও বৰ্তমান সমাজৰ এক উল্লেখনীয় সমস্যা হৈ পৰিছে।

আজিকালি কিছুসংখ্যক যুৱক-যুৱতী আইন-কানুনৰ উৰ্দ্ধত গৈ এনে কিছুমান কাম কৰিবলৈ লৈছে যাৰ ফলত সামাজিক পৰিৱেশ বিনষ্ট হৈছে। লগতে তেওঁলোকে নিজৰ জীৱনলৈ অন্ধকাৰ মাতি আনিছে। যুৱ উচ্ছৃংখলতাৰ এটা উল্লেখনীয় কাৰণ হৈছে বৰ্তমান সমাজত বা বৰ্তমানৰ শিক্ষা ব্যৱস্থাত নীতি শিক্ষাৰ অন্তৰ্ভুক্তি নোহোৱাটো। বৰ্তমান সমাজত শিক্ষা বা যিকোনো বিষয়তে প্ৰতিযোগিতাই মূল কথা হৈ পৰিছে। এতিয়াৰ সমাজত কোনে কিমান নম্বৰ পাইছে সেয়াহে যেন বেছি গুৰুত্বপূৰ্ণ। কিন্তু কোনে কিমান জ্ঞান অৰ্জন কৰিছে সেইটো বিচাৰ্য নহয়। বৰ্তমান সমাজত মানুহৰ মুখত প্ৰায় এই কথাও শুনা যায় যে নীতি আৰু আদৰ্শ বজাই ৰাখিলে হেনো আৰ্থিকভাৱে লাভৱান হ'ব নোৱাৰি। এই চিন্তা-ধাৰণাই যুৱ প্ৰজন্মক উচ্ছৃংখল হ'বলৈ লগতে কেৱল অৰ্থসৰ্বস্ব, নীতি জ্ঞান শূন্য জীৱনলৈ ঠেলি দিছে। টকাৰ কাৰণে আজিৰ সমাজত যিকোনো বেয়া কাম কৰিবলৈও বহুতো যুৱক-যুৱতী আগবাঢ়িছে। প্ৰায়ে দেখা যায় যে অনুজসকলৰ অগ্ৰজসকলৰ প্ৰতি সন্মান বা ভক্তি দিনক দিনে কমি আহিছে। লগতে গভীৰভাৱে চিন্তা কৰি কাম কৰাৰ মানসিকতা কমি গৈছে। বৰ্তমানৰ যুৱক-যুৱতীৰ মাজত জটিল সমস্যাৰ সৃষ্টি কৰাৰ অন্য এটা কাৰণ হৈছে মাদক দ্ৰব্য সেৱন আৰু ড্ৰাগছৰ অবাধ ব্যৱহাৰ। এই নিচাজাতীয় দ্ৰব্য গ্ৰহণ কৰাৰ ফলত সমাজত বহুটো বেয়া কামত নৱ প্ৰজন্ম লিপ্ত হোৱা দেখা যায়। এইবোৰ সেৱনৰ ফলত বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে অকালতে প্ৰাণ হেৰুৱাবলগীয়াও হৈছে। এই দ্ৰব্য সেৱন কৰা যুৱক-যুৱতীসকলে নিজৰ লগতে সমাজক ধ্বংসৰ পথলৈ ঠেলি দিছে। এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তিয়ে হ'ল — নৱ প্ৰজন্ম। যুৱ প্ৰজন্মই নিজৰ সময়ৰ সু-ব্যৱহাৰ কৰিব জানিলেই, তেওঁলোকৰ নিজৰ উত্তৰণৰ লগত সমাজৰো উন্নয়ন অৱশ্যাম্ভী । কিন্তু বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে পঢ়াতকৈ মোবাইল ফোনটোতহে বেছি সময় পাৰ কৰিছে আৰু লগতে ড্ৰাগছ সেৱন কৰি তীব্ৰ বেগেৰে বাইক চলাই অকালতে জীৱনলৈ অমানিশা মাতি আনিছে। এইবোৰৰ উপৰিও দেউতাকে অতি কষ্টৰে উপাৰ্জন কৰা ধন, বাইক, মোবাইল, ড্ৰাগছ আদিৰ নামতে খৰছ কৰিছে। এই বস্তুবোৰ নোপোৱাৰ ফলত পিতৃ-মাতৃক হত্যা কৰাৰ উদাহৰণো আমাৰ সমাজত নোহোৱা নহয়। অৱশ্যে নৱ প্ৰজন্মৰ এই অধঃপতনৰ দিশত কিছু ক্ষেত্ৰত বহুতো অভিভাৱককো দায়ী বুলি ক'ব পাৰি। কাৰণ বহুতো অভিভাৱকে অত্যধিক স্নেহ বা ধনৰ ওজন দেখুৱাবলৈ গৈ ল'ৰা-ছোৱালীয়ে বিচৰা সকলো সামগ্ৰী যোগান ধৰি সিহঁতৰ ভৱিষ্যত ধ্বংস কৰিছে। আমাৰ সমাজৰ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী বা ব্যৱসায়ীৰ ল'ৰা-ছোৱালীয়ে পিতৃৰ আৰ্হিত ঘৰতে দুৰ্নীতিৰ প্ৰশিক্ষণ লৈছে। বৰ্তমান সমাজত নীতি-আদৰ্শৰ প্ৰয়োজন নোহোৱা হৈছে। শিশু অপহৰণ, নাৰীক শাৰীৰিক আৰু মানসিক নিৰ্যাতন ইত্যাদি কাৰ্য আমাৰ সমাজত প্ৰায়ে দেখা যায়।

যুৱ উচ্ছৃংখলতাৰ কাৰণ নিৰ্মূল কৰাৰ ক্ষেত্ৰত অভিভাৱক, শিক্ষাগুৰুৰ লগতে সমাজৰ যথেষ্ট দায়িত্ব আৰু কৰ্তব্য আছে। অভিভাৱকে সৰুৰে পৰা শিশু এজনক নীতি-আদৰ্শৱান হৈ ডাঙৰক কেনেকৈ সন্মান কৰিব লাগে সেইটো শিকাব লাগে। অতি বিলাসী জীৱন-যাপনেও কেতিয়াবা ল'ৰা-ছোৱালীক বিপথে পৰিচালিত কৰিব পাৰে। সহজ-সৰলকৈ কেনেদৰে সাধাৰণভাৱে জীৱন-যাপন কৰিব লাগে সেইটোহে শিক্ষা দিয়া উচিত। সৰুৰে পৰা শিশু এটাক মাক-দেউতাকে ৰাতিপুৱা-গধূলি প্ৰাৰ্থনা কৰিবলৈ শিকাব লাগে। শিশু এটাক যি পৰিৱেশত ডাঙৰ কৰা যায় সেই পৰিৱেশতে শিশু এটা গঢ় লৈ উঠে। সেইবাবে মাক-দেউতাকে শিশু এটাক ভাল পৰিৱেশত ৰখাটো দৰকাৰ। স্কুলীয়া শিক্ষা ব্যৱস্থাত নীতি শিক্ষাৰ পাঠদান থকাটো চৰকাৰে বাধ্যতামূলক কৰিব লাগে। আমাৰ এই সমস্যাবোৰ যদি আমি শিক্ষক-অভিভাৱক আৰু সমাজ একগোট হৈ সমাধান চেষ্টা কৰোঁ তেনেহ'লে আমি নিশ্চয় এই সমস্যা আমাৰ মাজৰ পৰা নোহোৱা কৰিব পাৰিম। আমি আমাৰ সমাজত নীতি আৰু আদৰ্শ বজাই ৰাখি চলিলে বৰ্তমান হোৱা যুৱ উচ্ছৃংখলতা বহুখিনি কমি আহিব। কলেজ বা স্কুলত শিক্ষকে কিতাপৰ কথাৰ উপৰিও কিছুমান জীৱনৰ দৰকাৰী কথা , চৰিত্ৰ গঠনৰ নীতি শিক্ষা দিয়াৰো প্ৰয়োজন আছে। আমি সকলোৱে একগোট হৈ সংকল্প লোৱা উচিত যে বৰ্তমান সমাজত হোৱা এই যুৱ উচ্ছৃংখলতা সমস্যাটো আমাৰ সমাজৰ পৰা একেবাৰে দূৰ কৰিম, নীতি আৰু আদৰ্শৰ ওপৰত সকলোৱে গুৰুত্ব দিম, লগতে ডাঙৰৰ প্ৰতি শ্ৰদ্ধা-ভক্তি-সন্মান বজাই ৰাখিম। আৰু নিজকে সমাজত সৎ মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিম, যুৱ উচ্ছৃংখলতা দূৰ কৰি সমাজক আগবঢ়াই নিম বুলি সংকল্প লৈয়ে আজিৰ এই বিষয়টো সামৰিছোঁ। □

# এটি নিয়ৰৰ টোপাল





যুগস্মিতা কলিতা
পঞ্চম যান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

এটোপ দুটোপ নিয়ৰ সৰে
জীৱনৰ বাটত সৰকি নপৰে কাহানিওঁ
আকুল হৃদয়ৰ উৰ্বৰা আলিংগনৰ চকুলো।
অন্তঃসত্বা পৃথিৱীৰ বুকুত
সুউচ্ছল বিকশিত মাতৃত্বৰ ভ্ৰূণে কয়—
প্ৰতিটো শীতত কিদৰে সেউজীয়া হয়
ধৰাৰ বুকুত জীৱন।
সোণপাহীৰ হাঁহিয়ে সিঁচৰতি কৰে
শাওনৰ উটুৱাই যোৱা বানপানীৰ কৰুণ ৰং।
উজাগৰী ৰাতিবোৰ ক্লান্ত হয়
নিয়ৰময় চেঁচা চকুপানীত;
ভাগৰুৱা দিনান্তত নিয়ৰ সৰে
নিশাটো সাৰে থাকে পল পল ।
তলসৰা নিয়ৰে বুটলি ফুৰে
ভগ্ন হৃদয়েৰে সৰি পৰা চকুলোৰ টোপাল।
নিয়ৰে জীয়াই ৰাখে
নবীনৰ দিন গুঠি গজিবলৈ লয় আকৌ
ভৱিষ্যতৰ নতুন ভ্ৰূণ।

# শৰৎ সোঁৱৰণী নহয় কেতিয়াও





অংকুমা দাস
স্নাতক তৃতীয় যান্মাসিক
অসমীয়া বিভাগ

শৰৎ সোঁৱৰণী নহয় কেতিয়াও,
সেউজীয়া শব্দৰ কবিতাবোৰে আঁচোৰা বহুদিন হ'ল
ঠিক আগৰ দৰেই প্ৰতিটো প্ৰভাতেই
কহুঁৱা হৈ ফুলিছে !
ক্ৰমাৎ পানীবোৰেও পিয়াহত কোচ খাইছে ।

এখোজ-দুখোজকৈ নিয়ৰৰ শেতেলি ঠেলি
জঠৰ মৌনতা,
নিঃচিহ্ন হৈ ৰ'ল তেওঁৰ ভালপোৱা !
ইয়াত চোন সকলো গছ অচিনা ;
সকলো ফুল আগেয়ে নুফুলা,
সকলো ৰং আগেয়ে নেদেখা ।

শৰৎ সোঁৱৰণী নহয় কেতিয়াও,
লাগিলে সেয়া হওঁক
শৰতৰ আগচোতালত পৰি থকা
ভাগৰুৱা শেৱালীৰ দলিচা ;
লাগিলে সেয়া হওঁক
প্লাষ্টিকৰ সন্ধিয়াটোক গিলি খোৱা
জোনাকী নিশা ।

# অশ্ৰুৰ উচুপনি





ধনজিৎ কলিতা
স্নাতক পঞ্চম ষান্মাসিক
ইংৰাজী বিভাগ

অন্ধকাৰ ৰাতি,
সেমেকা চকু,
পোৱা-নোপোৱাৰ মাজত জৰ্জৰিত মনত
হেৰুৱাৰ বেদনা ।
ভাল-বেয়াৰ দোমোজাত মই যেন হৈ পৰো এটি বোজা ।
সপোনৰ পম খেদি উৰি ফুৰা মনটিক বান্ধি
লিখি দিছো কামনাৰ বুকুত আত্মজীৱনী ।
এফালে ৰং বিহীন ৰঙীনতা,
আনফালে সুখ বিহীন সফলতা ।
দোমোজাত বাট হেৰাই কান্দিছে
ডেউকাবিহীন যাযাবৰী পখী
এবুকু শোকত কক্‌বকাই ।
জীৱনে যেন প্ৰতিটো সময়ত লৈছে দিঠক বিহীন
সপোনৰ শেষ উশাহ ।
দিঠক নামৰ কালধুমুহাত সপোনে হেৰুৱাইছে ঠিকনা
জোনাকহীন আকাশত তৰা গণি গণি
ভগ্ন হৃদয়ৰ বিকট চিঞৰত সৰি পৰে
অশ্ৰুৰ উচুপনি . . .

# তেওঁক বিচাৰি



মূল ঃ কৃষ্ণ মিশ্ৰ
অসমীয়া অনুবাদ ঃ

নিৰ্মল চন্দ্ৰ ভোই
সহযোগী অধ্যাপক
ইংৰাজী বিভাগ



শ্বাহ জামাল মোল্লা
সহযোগী অধ্যাপক
অসমীয়া বিভাগ

— তেওঁক বিচৰা
এক নিৰন্তৰ প্ৰক্ৰিয়া
তেওঁ হেৰাইছে নেকি
বিচাৰিব যে লাগে ?
— নাই ! তেওঁ ইয়াতেই থাকে যদিও
অ'লৈ ত'লৈ গৈ থাকেও নহয় !
— পোৱালী ছাত্ৰৰ যুক্তাক্ষৰ ভাঙি
অনুস্বাৰ লগাই আমি শব্দ লিখোঁ।
বতাহত আমি তাৰ সুবাস লওঁ।
বতাহজাক বৰদৈচিলা হ'লে
নাযাওঁ বুলিও তেওঁ ওলাই যায়।
— বান পীড়িতৰ উৰুখা পঁজাবোৰ
— নদীয়ে খহোৱা সময়ত তেওঁ
চাউল চিৰাৰ টোপোলা দলিয়ায়।
— আমাৰতো বিপিএল তালিকা বা
ইন্দিৰা আৱাস যোজনাত 'না' নাই।
তেওঁ ক'ত বৃদ্ধভাত্তাৰ বাবে শাৰী পাতিব !
— কেনেকৈ বিচাৰি উলিয়াম তেওঁক ?
মাত্ৰ ইতিহাসৰ পাতত তেওঁৰ চেহেৰা
চাই থাকিম।
— আৰ্যাৱৰ্ত গঢ়িবলৈ সিন্ধু সভ্যতাৰ প্ৰয়োজন,
কেৱল পুথিৰ পাঠ।
— লোহাৰ ব্যৱহাৰ নজনাজন
হেংদাঙৰ শাণ কেনেকৈ হ'ব ?
— ইমানকৈ চলাথ কৰাৰ দৰকাৰ কি
তেওঁক প্ৰতীক চিন হিচাপে লই
আমি মহাভাৰতহে যুঁজিম।

*(বিঃ দ্ৰঃ ওড়িশা সুপুত্ৰ সমাজসেৱী তথা আৰ্তজনৰ বন্ধু পণ্ডিত গোপবন্ধু দাস দেৱলৈ উৎসৰ্গিত।)*

# কুঁৱলী





যতীন দাস
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

শীতৰ সেমেকা নিশাৰ
বিনিদ্ৰ উজাগৰী সময়,
টোপ-টোপকৈ সৰিছিল
আবেগ হীন কুঁৱলী
ঠেৰেঙা মনৰ
আছুতীয়া অনুভৱো
আজি নীৰৱ
থৰ্থৰ্কৈ কঁপিছে
তল সৰা বকুলৰ পাহি
সপোনবোৰো আজি ধুঁৱলী,
ম্লান হৈ পৰি আছে
জোনাকৰ জোনাকী,
আশাবোৰ এতিয়াও জীপাল
বিচাৰো মাথো তোমাৰ
একাজলি হাঁহি . . . . ।।

# আহিনৰ নিয়ৰ



অপৰাজিতা কলিতা
স্নাতক পঞ্চম যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ



নিয়ৰ সেমেকা ৰাতি
মোৰ মন বাউলী
শেতেলিত টোপনি ক্ষতি
তেওঁৰে কথা ভাবি।

কহুৱাৰ শুভ্ৰ পাহি
নৈ পাৰত গজিছে সপোন
সপোনৰ আঙুলি ছুই
ৰুই থ'লো কলিজাত
জীৱন নামৰ তোমাৰ প্ৰেমৰ দাপোন।



# এমুঠি কবিতা



নৱনীতা পাঠক
সহকাৰী অধ্যাপিকা
প্ৰাণীবিজ্ঞান বিভাগ

(১)

সন্ধিয়াৰ আকাশত
সৌ যে ৰঙা মেঘ টুকুৰা,
তেজ বৰষুণে বৰষিলে
ৰঙা পাহাৰৰ ৰঙামাটি
জীপাল হ'ল
পাহাৰৰ বুকুত ফুলিব এতিয়া
হেজাৰ হেজাৰ ৰঙা ক্ৰিচেন্তিমাম

(২)

মাজনিশা গৰু গাড়ীৰ
টিলিঙাৰ শব্দত ঘুমটি যাওঁ ;
পুৱাবেলা বৰগীতৰ ৰাগত
সাৰ পাওঁ ।
এতিয়াচোন ঘুমটিও নধৰে
সাৰো নাপাওঁ
মাথো শুনো অনাগত
ভূমিকম্পৰ অন্তৰ্ভেদী আৱাজ ।

(৩)

জোনাক ৰাতি
যেতিয়া চোতালত পাটি পাৰি
আইতাৰ সাধু শুনো,
জোনটিলৈ একেথৰে চাই ৰওঁ ।
চাই ৰওঁ, কলিয়া মেঘ টুকুৰাই
লাহে লাহে জোনটিক ঢাকি আনিলে ।
আইতাৰ সাধুৰ অজগৰেও
ইতিমধ্যে দীপলিপ ৰাজকুমাৰীক
গিলি পেলালে ।

(৪)

এদিন তাৰ মহানগৰীত
জুই জ্বলিল . . . . ।
দুপৰ নিশা . . . .।
তাৰ দুৰ্জেয় শ্লোকবোৰ
হেৰাই গ'ল
এদল অশ্বাৰোহীৰ
পদধ্বনিত ।
আত্মাৰ কবৰত বহি
তাৰ বজ্ৰকঠিন অস্থিৰে
সি মাথোঁন ব্যস্ত হ'ল
এটি হাতুৰী সজাত ।

(৫)

নাৰী তুমি অনন্যা
নাৰী তুমি অৰ্ধআকাশ,
নাৰী তুমি মহিয়সী
নাৰী তুমি সৃষ্টিৰ আধাৰ,
নাৰী তুমি দুৰ্গতি নাশিনী
নাৰী তুমি প্ৰেমৰ প্ৰতীক
নাৰী তুমি উজ্জ্বল নক্ষত্ৰ
নাৰী তুমিয়েতো সমগ্ৰ বিশ্বৰ
প্ৰাণদাতা
জয়তু নাৰী
তুমি মহান
তোমাক কৰো প্ৰনাম ।

# জীৱন তৃষ্ণা





আছমা খাতুন
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

সুখৰ সংজ্ঞা বিচাৰি নুফুৰিবা
বৈভৱৰ পৃথিৱীত
সুখৰ মৰীচিকা খেদি হাবাথুৰি নাখাবা
শূন্যতাৰ পৃথিৱীত।

জীৱন মৰীচিকাত তৃষ্ণাতুৰ নহ'বা
বিচাৰি মৰমৰ সংজ্ঞা
মৰমৰ বুলি সাৰটি হাবাথুৰি খাবা
চাবা সকলো যেন উকা।

হাততেই আছে তোমাৰ সুখ
মন দি চাই লোৱা
হাততেই আছে তোমাৰ সুখ

কৰ্মৰে জীৱন গঢ়া
আঁতৰি থকা প্ৰেমৰ মায়াজালৰ পৰা

পাৰিলে সুখৰ সংজ্ঞা
তাতেই বিচাৰি পাবা

বৈভৱৰ সুখৰ সংজ্ঞা
জীৱন তৃষ্ণা।

কাব্যিক উপন্যাসিকা

# কাৰো স'তে তুলনা নহয় তেওঁৰ



ড° দিগন্ত কলিতা
সহকাৰী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ

(১)

গভীৰ নিশা আন্ধাৰ সাৰটি
মই যেতিয়া তেওঁৰ কথা ভাবোঁ
তৰাবোৰে মোক বাধা দি কয়
'তাই এতিয়া আমাৰ সখী।'
কেনে আছে তেওঁ ?
মই সোধোঁ তৰাবোৰক
'কেনে আছে তেওঁৰ ধুনীয়াবোৰ ?'
তৰাবোৰে একো নকয়
বোবা হৈ ৰয় সময়।

(২)

বাৰিষাৰ নদীৰ দৰেই
তেওঁ বাঢ়ি আহিছিল
কৃষ্ণচূড়া ফুলাৰ বতৰত,
মোৰ পদূলিৰ শেৱালিজোপাৰ তলত
হালি-জালি নাচিছিল।
কলিজাৰ খিৰিকীখনত টোকৰ এটা মাৰি
সুধিছিল . . .
'মোৰ সূৰ্যমুখী সপোনক
ঠিকনা এটা দিবানে ?'
সুখৰ আতিশয্যত সিদিনা
মইও বোবা হৈ পৰিছিলোঁ।

(৩)

এনেকৈয়ে ঠিকনা এটাই পোখা মেলিছিল
সপোনৰ মালা গুঠি সময়বোৰো
হৈ পৰিছিল যৌৱনোদ্দীপ্ত
দুচকুত গোটেই আকাশখন লৈ
তেওঁ সপোনবোৰ গুজি দিছিল
মোৰ দুচকুত।
তেওঁৰ সপোনৰ সদাগৰ হৈ
বণিজৰ নাও মেলি
ঘুৰি ফুৰিছিলোঁ ভালপোৱাৰ
সেউজীয়া পথাৰখনত
তেওঁৰ আঙুলিত ওলমি
শিল যেন অমৰ হ'বলৈ বিচাৰিছিলোঁ
তেওঁৰ কিচ্‌কিচীয়া ক'লা চুলিৰ অৰণ্যত
এজাক চঞ্চল বতাহ হৈ
দৌৰি ফুৰিছিল মোৰ যৌৱন।

(৪)

লাহে লাহে মই সম্পূৰ্ণ হৈ উঠিছিলোঁ
আৰু এদিন . . .
... ... ... ....
তেওঁ গ'লগৈ
এযাৰো মাত নলগোৱাকৈ
কপালত টিক্‌টিকীয়া ৰঙা বেলিটি লৈ
হাঁহি হাঁহি গুচি গ'ল
সৌ তৰাৰ দেশলৈ।

(৫)

যোৱা ৰাতি
আন্ধাৰৰ মাজেদিয়েই তেওঁ মোক ৰিঙিয়াই মাতিছিল
মই দৌৰিছিলোঁ
ঠিকনা হেৰোৱা যন্ত্ৰ এটাৰ দৰে
তেওঁৰ ওচৰলৈ
তেওঁৰ বৰ্তমানৰ ঠিকনা বিচাৰি
সুধিছিলোঁ,
'কুশলে আছানে ? কিয় তেনেকৈ গুচি আহিলা ?
মোলৈ এবাৰো নপৰে মনত ?'
তেওঁ নিৰুত্তৰ হৈ ৰৈছিল।
একো সোধাও নাছিল।
ময়েই কৈছিলোঁ . . .
'তোমাৰ অনুপস্থিতিত
উশাহ ল'বলৈ কষ্ট হৈছে মোৰ,
জীয়াই আছোঁ
তোমাৰ কপালৰ ৰঙা বেলিটোৰ বাবে।'
অভিমানে হেঁচি ধৰিছিল . . .
ইমানবোৰ কথা আছিল ক'বলৈ, সুধিবলৈ
অথচ . . .

(৬)

বোৱতী নদীৰ গতিৰেই বৈ আছে সময়
মই পাহৰিও পাহৰিব পৰা নাই
সেই সময়
দলিয়াই দিব পৰা নাই স্বপ্ন
(এৰো বুলিয়েই জানো এৰিব পাৰি দুখৰ নিচা !)
শূন্যতাৰ মাজতেই
এতিয়াও পূৰ্ণ হৈয়েই আছে ভালপোৱা
বিচাৰি নাপালেও জোন, বেলি, তৰাৰ ঠিকনা
আকাশৰ বুকুতেই ময়ো খোদিত কৰিছোঁ
মোৰ প্ৰেমৰ প্ৰাচুৰ্য্যতা।



উপসংহাৰঃ
ভাবনাৰ চেৰেকীত
মই এতিয়াও বন্দী
বন্দী তেওঁৰ ধুনীয়াবোৰৰ মাজত।
তেওঁ ধুনীয়া
মোৰ সপোনবোৰৰ দৰেই
সাগৰে আকাশক বুকুত সাৱটি লোৱাৰ দৰেই
তেওঁ কপালত আঁকি লোৱা
সেই ৰঙা বেলিটিৰ দৰেই,
আৰু
চঞ্চল ৰাতিৰ ঘন উশাহবোৰৰ দৰেই।
... ... ... ...
তুলনা ?
হ'বই নোৱাৰে;
কাৰো স'তে তুলনা নহয় তেওঁৰ।
তেওঁ ধুনীয়া, তেওঁৰ জোখেৰেই
তেওঁ ধুনীয়া, মোৰ ভালপোৱাৰ জোখেৰেই।

# মৌনময়ী





পৰিস্মিতা দাস
স্নাতক, প্ৰথম ষান্মাসিক
ভূগোল বিভাগ

নিমাত নিস্তব্ধ এটি প্ৰাণ
যি নেকি
সময়ৰ সোঁতত
মনৰ কোঠাত অলেখ শব্দ
বিলীন কৰি ৰাখিছে
মৌনতা আগৰ নহয়
সময়ৰ নতুন ৰূপ
সময়ৰ নতুন নাম
অতীতত আছিল...
মিষ্ট ভাষিনী, যি নেকি
সময়ৰ সোঁতত হৈ পৰিল মৌনময়ী।

মোৰো মন যায়...
মনৰ নিমাত নিস্তব্ধ কোঠাৰ পৰা বাহিৰ হৈ
প্ৰকৃতিৰ লগত খাপ খাবলৈ
ৰঙিলী হ'বলৈ
কিন্তু
নোৱাৰো মই। কিয়নো মই
সংগীবিহীন, এখিলা সৰাপাত
সেয়ে, মই আজি নিমাত, নিস্তব্ধ
মৌনময়ী।।

# সময়





বিকাশ কলিতা
সহকাৰী অধ্যাপক (অংশকালীন)
কম্পিউটাৰ বিজ্ঞান বিভাগ

সময় !!
সৌ সিদিনালৈ ভাবিছিলো তুমি গতিশীল?
তুমি স্থিৰ
সলনি হৈ আছো আমি
কালিৰ ভুল
আজিৰ অভ্যাস
আৰু অনাগত দিনত সেয়াই আইন
শুধৰণিৰ অন্ত সমাগত
হঠাৎ পৰিৱৰ্তন
ভুলৰ বাখ্যাৰ ওলোটা সংযোজন
শুধৰণি প্ৰক্ৰিয়াৰ পুনঃ আৰম্ভণি
চলি আছো আমি
তোমাৰ উপহাসত ধৰাশায়ী !
অভেদ্য শক্তিৰ পৰিধিত বন্দী?
বক্ৰশিৰে চালিত নীৰৱ পথিক এতিয়া আমি।।

# শৰৎ, তেওঁ আৰু মই





হিয়ামণি পাঠক
স্নাতক প্ৰথম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

স্নিগ্ধ জোনাকৰ পোহৰ
উখল-মাখল আকাশৰ বুকুৰেদি বগুৰা বাই
পৰিছেহি মোৰ চোতালত ।

পোহৰৰ পৰশত স্পন্দিত হৃদয়
নতুনকৈ অনুভৱ কৰিছো জীৱন,
প্ৰভাতী সূৰুজৰ কিৰণ, পখীৰ কিৰিলি
সদ্যজাত শিশুৰ জীৱন পোৱাৰ ক্ৰন্দন ।

নিয়ৰৰ টোপাল এটা হাতেৰে চুই
বুকুতে ৰুই থলো আকৌ এটা সপোন,
যিদৰে তুমিও লিখিছা
হৃদয়ৰ গভীৰত আপোনজনৰ নাম ।

'প্ৰেমেতো কাৰো বাধা নামানে'
শাৰদী বতাহজাকৰ দৰেই
ই নিঃশব্দে নিজৰ ঠিকনা বিচাৰে

আৰু এটি শৰতৰ
এই জোনাকৰ নিৰ্জন পোহৰত
আমি আকৌ মুখামুখি,
তেওঁৰ ওঁঠত এতিয়া
শৰতৰ শুকুলা হাঁহি ।

(সাহিত্য ক্লাবৰ দ্বাৰা আয়োজিত কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত )

# প্ৰিয়জন (এটা প্ৰশ্ন)



মফিদা বেগম
স্নাতক, তৃতীয় ষান্মাসিক
ভূগোল বিভাগ



তুমি জানো মোৰ সেই প্ৰিয়জন
যাৰ বাবে মই লভিছো জনম ?
যাক বিচাৰিছো মই
পৰ্বতৰ নিজান গুহাত,
কুলি কেতেকীৰ উতলা মাতত
তুমি জানো মোৰ সেই প্ৰিয়জন
যাক বিচাৰি থাকোতেই
ফাগুনৰ বতাহজাকে
মনত পলাশৰ ৰং সানি দিয়ে
তুমি জানো মোৰ সেই প্ৰিয়জন
যাৰ বাবে মই লভিছো জনম ?

# বৰষুণ





আতিকুল ইছলাম
স্নাতক তৃতীয় ষান্মাসিক
ইতিহাস বিভাগ

তুমি আকৌ আহিবানে
শুকান পৰিৱেশ সেউজ কৰিবলৈ !
কি যে ধূলিময় জগত
অশান্তিৰে ভৰি পৰে জীৱন ।

তোমাৰ অবিহনে এই জগত
নিথৰুৱা হৈ পৰিব
তোমাৰ ৰিম ঝিম শব্দই
কঁপাই তুলিব হৃদয়

তোমাৰ কিঞ্চিত পৰশত
সজীৱ হৈ উঠিব ধৰণী
আকাশৰ মেঘৰ লগত লুকা-ভাকু খেলি
ধৰণীলৈ অহা নামি

শাওঁনৰ বৰষুণে ওপচায়
বাৰিষাৰ বান
আছো মই সেই দিনৰ বাবে
অতি আগ্ৰহেৰে ।

# এইখন নৈ





জিণ্টু কলিতা
স্নাতক প্ৰথম ষান্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

বিশাল  নৈখন
মণিব নোৱাৰি ইপাৰ-সিপাৰ ।
নৈৰ পাৰত দৃঢ়তাৰে বহিছো আজি
বহু দিনৰ মূৰত ।
নৈৰ কুলু কুলু ধ্বনিয়ে চুইছে হৃদয়
এক শান্তিৰ সম্ভেদ  দিছে মোক
মন ভৰি যোৱা সুখ ।

কিন্তু হঠাৎ অস্থিৰ হৈ পৰিল নৈখন
শান্তিৰে ভৰা সম্পূৰ্ণ বিপৰীত ছবি
হৃদয় চুই যোৱা ধ্বনিবোৰ যেন
চিঞৰ আৰু প্ৰতিধ্বনিত ৰূপান্তৰ হ'ল;
ৰাঙলী হৈ পৰিল নৈৰ বকুখন
অস্থিৰ হৈ পৰিল চাৰিওকাষ
বিয়পি পৰিল নিঃসংগতাৰে
ভাঙি পৰিলো মই ।

নৈখনে উটুৱাই আনিছে সকলো
চাৰিওপিনে মাথো হত্যাকাণ্ড
শুনো মই কেৱল প্ৰতিধ্বনি আৰু চিঞৰ
শান্তি পাবনে নৈখনে ?
হ'বনে ৰোধ প্ৰতিধ্বনিবোৰৰ ?
নিজৰ জন্মভূমিক কিয় ঠেলিছো
গহ্বৰলৈ নে আমি ?
ইয়াতে স্তব্ধ আমি !
নিজৰ জন্মভূমিত থাকিও
ক্ষণে ক্ষণে আমি সন্ত্ৰাসিত কিয় ?
কোনে দিব উত্তৰ ?

# শৰতৰ খোজ



ছন্দামিতা দাস
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

কোনোবা আহিছিল,
অথচ ;
নেজানো কোন ?
এখোজ দুখোজ . . . .
এখোজ দুখোজ ;
দিগন্তৰ প্ৰতীক্ষাত
জোনাকী বন্তি জ্বলাই
হৃদয়ত এটোপোলা স্বপ্ন লৈ
দিঠকৰ সন্ধানত ।
নিলাজী বনে চুচুক-চামাক কৰিছিল
নিলীম আকাশে গাঁঠিছিল মালা
টোপে টোপে সৰা মুকুতাৰ ধাৰা,
দুবৰিৰ কংকাল ভগা
শৰীৰৰ ওপৰেৰে আগুৰাইছিল,
দুটি নিজান খোজ ।
দূৰণিৰ পৰা ভাঁহি আহিছিল
কাৰোবাৰ হিয়াভগা ক্ৰন্দন ;
শেৱালীৰ শুধবগা আঁচলে
অভিনন্দন জনাইছিল হেনো
কিন্তু,
সকলো স্তব্ধ ;
সৰাপাতৰ বুলনিত
এখন্তেক ৰৈছিল মাথো ,
ফেঁচাটিৰ কুৰুলিত
বকুল জুপিৰ তলতে
কিন্তু কোন আহিছিল,
কাৰ বাবে,
আকৌ উভটি চাবনে তেওঁ ?

(সাহিত্য ক্লাবৰ দ্বাৰা আয়োজিত কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)



# শূন্য





লীনা নাথ
স্নাতক প্ৰথম ষান্মাসিক
অসমীয়া বিভাগ

কংকাল হৈ পৰা জীৱনৰ
জুই পোৰা অস্ত
মৰীচিকাৰ বাট গণি
কাঁইটৰ অৰণ্য
শূন্যতাৰ আৰম্ভণি
জীৱন ৰুদ্ধ ।

কলিজাৰ হেঁপাহৰ মৰম আজি
দোমোজাত বিধস্ত ;
অমানিশাৰ কাল গ্ৰাসত
জীৱন প্ৰায় লুপ্ত ।

ব্যথিত মন আজি নিঃস্বাৰ্থ
মৰমৰ প্ৰতিদান অভিশপ্ত ,
নিষ্ঠুৰ সময় বাটত আজি
জীৱন যুদ্ধত মই শূন্য . . . . ।

# পৰম পিতা



ৰিনা পাৰবিন
স্নাতক প্ৰথম যান্মাসিক
ইতিহাস বিভাগ



হে মোৰ পৰম পিতা
তুমিয়েই বিধি, তুমিয়েই ঈশ্বৰ
তুমিয়েই আল্লাহ ।
বিশ্ব-ব্ৰহ্মাণ্ডখনক তুমি ৰাখিছা সজাই
মন-মোহিনী ৰূপ ধৰি
তুমি আদি-অনন্ত, চিৰন্তন সত্য
তোমাৰ নাই কোনো সমাধি ।
হিমালয় পৰ্বত, সাগৰ-মহাসাগৰ
তোমাৰ অপূৰ্ব সৃষ্টি
সামান্য দৃষ্টিত মনিব নোৱাৰি
তোমাৰ যাদুময় নানান কৃষ্টি ।

# যন্ত্ৰণাৰ দিনলিপি



ৰিতুমণি কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)



নিশব্দে ভৰি থকা বুকুৰ ভিতৰৰ যন্ত্ৰণাবোৰ
শব্দবদ্ধ কৰাৰ প্ৰয়াস . . . .
চকুৰ পচাৰ নিথৰ হৈ থকা
কলীয়া বৰণৰ মুখখন

চোতালত বগা কাপোৰেৰে
আৱৰি থোৱা আপোনাৰ দেহটো
নোৱাৰো মুচিব সেই প্ৰতি মূহুৰ্তৰ কথাবোৰ ।

উভতিছিলো ভগ্ন হৃদয়েৰে
বিচাৰি পোৱা নাছিলো
মোৰ সপোনৰ সেউজীয়া আলিবাটটো
নানা ৰঙীন তুলিকাত আঁকিবলৈ
আপোনাৰ মুখৰ অস্ফুত শব্দবোৰ

উৰি গ'ল সকলো
আকাশৰ নীলা ৰং ভেদ কৰি
এতিয়া নীলা মোৰ খুবেই প্ৰিয়
যিদৰে আপুনি মোৰ প্ৰিয় আছিল।

# ফাগুন





দ্বিপান্দিতা মেধি
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

কৰ পৰা তই আহিলি ফাগুন
কোন দিশে যাব উৰি
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলে অকলে ঘূৰি ।
নাজানো তই অকলে উৰি আহ
ক'ৰ পৰা হঠাৎ
নপৰিল তোৰ চাৱনি কিয়
দুখীয়াৰ নিৰলা পঁজাত ।
গছ-গছনি ভাঙিলি ধূলিবোৰ উৰুৱালি
উৰুৱালি ওপজা ঠাই ;
বালিৰে সঁজা ঘৰটি ভাঙিলি
কাৰ কি আহুদি পাই ।
দেশৰ দুৰ্লভ আনিছ কি ধন
কাকনো বিলাই দিবি
আমাৰ দেশৰ ধূলি বালিবোৰ
কোন দেশলৈ উৰুৱাই নিবি ।

# পুৱতিৰ নিয়ৰ





থুনুপ্ৰভা কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

আহিনৰ পুৱতি নিশা,
শুভ্ৰ শেৱালিৰ দলিচাই
চোতাল কৰিলে শুৱনি ।
ধীৰে ধীৰে বৈ অহা বতাহজাকে
হৃদয়ত তুলিলে খলকনি ।
কি যে এই অপূৰ্ব দৃশ্য !
হৃদয় কপাই তোলা শিহৰণ ।
লাহে লাহে সুৰুজৰ কিৰণে
সাৰটি ধৰিছে হেজাৰ মণি-মুকুতা ।
সেই যে, নিশা সৰি পৰিছিল
সুন্দৰী নৰ্তকীৰ নূপুৰৰ টুকুৰা
ধৰাত সৰি নাম পালে নিয়ৰৰ টোপাল
হেজাৰ ফুলৰ পাঁহে পাঁহে,
মুকুতা হৈ জিলিকিছে,
সৰি পৰিছে আজি
সেয়া নহয় কোনো আন,
সেয়াই নিয়ৰ
সেয়াই মুকুতা ।

# আশাৰ ৰেঙনি





প্ৰতীক্ষা কলিতা
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

নৈখনৰ কাষতেই পৰি থকা বৃহৎ গছজোপাৰ কাটি থোৱা ডাল এটাত বহি সন্মুখলৈ দৃষ্টি নিক্ষেপ কৰিছে হৰাধনে। ওচৰত পেলাই থৈছে তাৰ কামলৈ বুলি ওলাই আহোতে ঘৈনীয়েকে বান্ধি দিয়া খোৱা বস্তুৰ টোপোলাটো। ঘৈনীয়েক কুলমনিয়ে পুৱাই ৰান্ধি পঠাই দিয়া ভাতকেইটাৰ লগত তাই অ'ৰ ত'ৰ বাৰীৰ পৰা বুটলি অনা শাক-পাতৰ তৰকাৰী। বজাৰত বিক্ৰী কৰা শাক-পাচলি কিনি খোৱাৰ সামৰ্থ্যও সি হেৰুৱাই পেলাইছে। আজি এসপ্তাহে হ'ব সি কাম এটা যোগাৰ কৰিব পৰা নাই। তাৰ যি অলপ সাঁচতীয়া ধন আছিল সেয়াও প্ৰায় শেষ হোৱা উপক্ৰম। এনেদৰে আৰু দুদিনমান চলিলে সি হয়তো তাৰ পৰিয়ালটো পোহপাল দিবলৈও অ-সমৰ্থ হ'ব।

হৰাধন, কৰোণা কালত নিজৰ সংস্থাপন হেৰুওৱা এজন শ্ৰমিক। পিতৃহীন হৰাধন পঢ়ি থকা সময়তে ঘৰৰ দুৰ্বল আৰ্থিক অৱস্থাৰ বাবে গাঁৱৰ দদায়েক এজনৰ সহযোগত মাকে এটা ফেক্টৰীত শ্ৰমিক হিচাপে কাম কৰিবলৈ পঠিয়ায়। কাম কৰিবলৈ ধৰাৰ পিছৰে পৰা তাৰ ঘৰখন ধীৰে ধীৰে ভাল অৱস্থালৈ আহে। মাকৰ জোৰত সি তাৰ গাঁৱৰেই ছোৱালী ফুলমণিক বিয়াও কৰায়। বিয়াৰ এবছৰ পিছত সিহঁতৰ এটা সন্তানো জন্ম হয়। কম আয়েৰে হ'লেও মুঠতে এটা সুখী পৰিয়াল। কিন্তু সময়তেই লাগিল কেণাটো। গোটেই বিশ্বজুৰি সৃষ্টি হোৱা কৰোণা ভাইৰাছৰ দ্ৰুত গতিত সংক্ৰণৰ ফলত গোটেই ভাৰতবৰ্ষতেই প্ৰধানমন্ত্ৰীয়ে লক্‌ডাউন ঘোষণা কৰে। ফলত ফেক্টৰীৰ সকলো শ্ৰমিক নিজ নিজ ঘৰলৈ উভতি যায়। প্ৰথমে একৈশ দিনলৈ ঘোষণা কৰা লকডাউনত সি বৰ চিন্তিত হোৱা নাছিল। কিন্তু ক্ৰমে লক্‌ডাউনৰ পৰিসীমা বৃদ্ধি হোৱাৰ লগে লগে তাৰ জমা ধনৰ পৰিমাণ হ্ৰাস পাই আহি থাকিল। ফলত সি গাঁৱৰে দুই-এঘৰত কাম বিচাৰি যাবলৈ আৰম্ভ কৰে। কেতিয়াবা পায়, কেতিয়াবা বিমুখ হৈ উভতিব লগা হয়। আজিও পুৱায়েই ভাতকেইটা গুজি সি কাম বিচাৰি ওলাই আহিছিল কিন্তু বেলি মূৰৰ ওপৰ পালে এতিয়ালৈ এটাও কাম বিচাৰি নাপালে। এইকেইদিন ধৰি সেই একেই পুনৰাবৃত্তি ঘটি আছে। সি হতাশ হৈ পৰিছে জীৱনটোৰ প্ৰতি। ভাগ্য ভাল যে জনসাধাৰণৰ সাহাযাৰ্থে দিয়া বিনামূলীয়া চাউল আৰু বুটখিনি মাহেকৰ মূৰত পায়। অন্ততঃ সেইখিনিৰ বাবেই পৰিয়ালটো লঘোণে থাকিবলগীয়া হোৱা নাই।

এনেদৰে আকাশ-পাতাল চিন্তি থাকোতে কাৰোবাৰ মাত তাৰ কাণত পৰে। ঘুৰি চাই দেখে সিহঁতৰ ওচৰৰে ৰামচৰণ। চাইকেলেৰে আহি ঠিক তাৰ কাষতে ৰ'ল। তাৰ লগত কিছু পৰিমাণে শাক-পাচলি। হৰাধনে কৌতুহলবশত সেই শাক-পাচলিৰ বিষয়ে সুধিলে। সুধি গম পালে যে সেই শাক-পাচলিসমূহ তাৰেই খেতিৰ। বিক্ৰী কৰিবলৈ বজাৰ নোহোৱাত সি গাঁৱৰ মাষ্টৰখুৰাহঁতক দিবলৈ আনিছে। ৰামচৰণৰ পৰা সি গম পালে যে বজাৰৰ অভাৱত বহু লোকে উৎপাদিত পাচলিসমূহ বিক্ৰী কৰিব নোৱাৰি এনেই পথাৰতে পেলাই থৈছে। এই কথা জানি সি আচৰিত হ'ল। কাৰণ এইকেইদিন সি যিকেইঘৰ মানুহৰ ঘৰত কাম কৰিবলৈ গৈছিল প্ৰতিঘৰতে ৰান্ধিবলৈ পাচলি নোহোৱাৰ অভিযোগ শুনিবলৈ পাইছিল। হঠাতে তাৰ মনত এক ভাৱৰ সৃষ্টি হয় যদি সি এই ক্ষতিগ্ৰস্ত কৃষকসকলৰ পৰা কম মূল্যত পাচলি কিনি কাষৰে গাঁওকেইখনলৈ নিব পাৰে হয়তো সি কিছু মুনাফা অৰ্জন কৰিব পাৰিব। পুৱাৰে পৰা হতাশাত ভুগি থকা হৰাধনৰ মনটো কিছু ফৰকাল হ'ল। এক নতুন উদ্যমেৰে সি ঘৰলৈ উভতিল। □

# নমিতাৰ সেউজীয়া ঘৰ



যতীন্দ্ৰ নাথ তালুকদাৰ
সহযোগী অধ্যাপক, পৰিসংখ্যা বিভাগ



আলি কেঁকুৰিটো পাৰ হৈয়েই এজোপা আঁহত গছ। এই জোপা আঁহত গছৰ বাওঁফালেদি এটা অক'মানি লুঙলুঙীয়া ৰাস্তা। ৰাস্তাৰ দুয়োপাৰে শাৰী শাৰী তামোল-পাণৰ বাৰী। অকনমান আগুৱাই গ'লেই নমিতাৰ ঘৰ। এটা অকনমান সৰু ঘৰ। ঘৰৰ মুধচত কেইটামান বগা কোমোৰা মোক খা মোক খা কৈ ওলমি আছে। ৰঙচুৰা বৰনৰ উৰহী গছৰ লতা ডালে আৱৰি ৰাখিছে তৰাৰ ঘৰখন। ওচৰতে থকা জাতিলাওৰ হেদালিৰ তলতে পখৰা দামুৰী এটাই ঘাঁহ পাগুলি শুই আছে।

নমিতাৰ চোতালত এচুকত থকা জাকৈ, খালৈ আৰু লাঙি জালখনৰ ওচৰতে থকা খৰিৰ দমৰ পৰা শুকান খৰি কেইডালমান আনি নমিতাই পাকঘৰলৈ সোমাই আহিল। জুহালৰ ওপৰতে অঙঠাৰ ওপৰৰ চালনিখনৰ পৰা কেইটামান শুকানমাছ আনি নমিতাই ওচৰতে বহি থকা মেকুৰী পোৱালীটোক খাবলৈ দিলে। জুহালত খৰিখিনি সুমোৱাই দিয়ে চাহৰ 'টি-পট'টো ওপৰলৈ উঠাই দি বুকুৰ মেথনিটো ভালদৰে বান্ধি সান্দহ গুৰিৰ টেমাটোৰ পৰা কেইচামুছমান সান্দহগুড়ি উলিয়াই লৈ চাহ এবাটি বাকি ল'লে। ভেদাইলতাৰ জোল বনাম বুলি মনতে ঠিৰাং কৰি টেকেলিটোৰ পৰা বাচি বাচি দুটা মাগুৰ মাছ উলিয়াই ল'লে নমিতাই।

দুপৰীয়াৰ ৰান্ধনী বেলি মূৰৰ ওপৰ পাইছেহি। খাওঁ খাওঁকৈ বেলিটোৱে মূৰৰ ওপৰ পাইছে। গৰমতে বুকুৰ বান্ধনিটো অকমান ঢিলাকৈ দি সান্দহগুড়ি মুখত দিলে নমিতাই। পাকঘৰৰ মজিয়াত সিঁচৰতি হৈ থকা মাগুৰ মাছ দুটা জপিয়াই উঠিল। মেকুৰী পোৱালীটোৱে মেওঁ মেওঁ কৰি চিঞৰি উঠিল।

নমিতাই মেকুৰী পোৱালীটোক সৰু বাটিৰে এবাটি গাখীৰ আৰু মাছ খাবলৈ দিলে। মেকুৰী পোৱালীটোৱে একেজাপে তাৰ ভাগৰ মাছ আৰু গাখীৰ খাই জিভাৰে হাত-ভৰি চেলেকি ৰ'দ পৰা বস্তাখনত বহি লৈ পৰম তৃপ্তিৰে নমিতালৈ চাই ৰ'ল।

মাগুৰ মাছ ভেদাইলতাৰ জোলখন ৰঙচুৰাকৈ বনাই চালৰ পৰা কোমোৰাৰ জালিটো চিঙিবলৈ লওঁতেই নমিতাৰ চকুহালি মৰমতে ওফন্দি উঠিল। হয়। তৰাহঁত আহিছে। তৰা নমিতাৰ একমাত্ৰ ছোৱালী। এজাক গাভৰুৰ চিঞৰ-বাখৰত হাতৰ কোমোৰা জালিটো নমিতাৰ হাততে থাকিল।

"মা ! এয়া কোন আহিছে চোৱা !" নমিতাৰ ফালে চাই তৰাই অনৰ্গল কৈ গ'ল—

"এয়া ডেইজী, এয়া হাচনা আৰু এয়া ডৰথী।

"মেঘালয়ৰ। মোৰ লগতেই পঢ়ে"— তৰাই মাকক চিনাকী কৰি দিলে।

কোমোৰাৰ জালিটো মাটিত নমাই থৈ নমিতাই ছোৱালী কেইজনীক প্ৰতি নমস্কাৰ জনাই বহিবলৈ ইংগিত দি কোমোৰাৰ জালিটো হাতত লৈ কোবাকুবিকৈ পাকঘৰৰ ফালে বাট ল'লে।

কি যে প্ৰাণ চঞ্চল, জীপাল উমেৰে ভৰা ঘৰ এখন আছিল নমিতাৰ। দেউতাক মাকৰ অমতত নমিতাই ডিগ্ৰী পঢ়ি থাকোতেই পলাই আহিছিল ৰণ্টুৰ সৈতে। ৰণ্টুৱে ভাৰতীয় সামৰিক বাহিনীত চাকৰি কৰিছিল। ৰণ্টুৰ কথা মনলৈ অহাত নমিতাৰ চকুৰ পানী ওলাই আহিল। অশেষ কষ্ট কৰিও বাধা দিব নোৱাৰিলে নমিতাই।

চিনেমাৰ ৰীলৰ দৰে ঘূৰ্ণায়মান জীৱন। বোঁৱতী নদীৰ গতিৰ দৰেই প্ৰাত্যহিক জীৱনৰ ছন্দ। নমিতাৰ মনলৈ আহিল প্ৰায় বিশ বছৰ আগৰ কথা। বিশ বছৰ আগতে লগ পোৱা ৰণ্টুৰ কথা মনলৈ আহি উচুপি উঠিল নমিতা।

শাৰী শাৰী এলানি কাকিনী তামোলৰ বাৰী। তামোলবোৰৰ লগতে পাণ আৰু জালুকৰ গছ। বাৰীখনৰ একেবাৰে মূৰত সৰু এটা পুখুৰী। পুখুৰীৰ পাৰতে থকা পকা বগৰী খাবলৈ নমিতাহঁত যায়।

এদিন ভৰদুপৰীয়া। স্কুল সোনকালে ছুটী হৈছিল। নমিতাই বগৰী বুটুলিবলৈ যোৱাৰ সময়তে ৰণ্টুক দেখা পাই মাত লগালে,

"ককাইদেউ ! ৰণ্টু ককাইদেউ ! বগৰী গছজোপা জোকাৰি দিয়াছোন। বগৰী খাবলৈ মন গৈছে", ৰণ্টুক চিঞৰি চিঞৰি ক'লে।

ৰণ্টুৱে নমিতাৰ কথা মতেই বগৰী পাৰি দিলে। পুখুৰীৰ পাৰতে দুয়ো বহি ভাগৰ পলুৱাই বগৰী খালে।

নমিতা ! তইনো ভালদৰে নপঢ় কিয় ? ৰণ্টুৱে ক'লে।

"তোমাৰ দৰে পঢ়িব পাৰিলেতো মা-দেউতাই মোক অসম কিয় আমেৰিকাতে পঢ়ালেহেঁতেন", উত্তৰ দিলে।

"হ'ব হ'ব ঠাট্টা কৰিব নালাগে। ভালদৰে নপঢ়িলে কিন্তু তোক মই মৰমো নকৰো আৰু বগৰীও পাৰি নিদিওঁ। কিন্তু তোক মই বহুত ভালপাওঁ", ৰণ্টুৱে নমিতালৈ চাই হাঁহি এটা মাৰি ক'লে।

নমিতাই লাজতে মুঁছকচ গ'ল। কেতিয়া আৰু কেনেকৈ নমিতাই ৰণ্টুৰ বুকুৰ মাজত সোমাই পৰিল গমকে নাপালে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ ৰণ্টুৱে কটন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰি ছাত্ৰাবাসত থকাৰ সময়তে নমিতাইও নৱম শ্ৰেণী পাৰ হৈ দশম শ্ৰেণী পাইছিল। দুয়োৰে মাজৰ প্ৰেম ইতিমধ্যে সমাজৰ মাজত বিয়পি পৰিছিল যদিও নিজ নিজ কৰ্তব্যৰ পৰা বিচলিত হোৱা নাছিল ৰণ্টু আৰু নমিতাই।

প্ৰকৃতিৰ নিয়মবোৰ আৰু সমাজৰ ওপৰত কাৰো একো অধিকাৰ নথকাৰ দৰে সময়বোৰ পাখি লগা কাড়ঁৰ দৰে উৰি ফুৰাৰ সময়ত ৰণ্টুৱে স্নাতক পাঠ্যক্ৰম শেষ কৰি সৰ্বভাৰতীয় পুলিচ সেৱা পদত বাচনিত উঠাৰ সময়তে নমিতাইও ওচৰৰে কলেজ এখনত নাম ভৰ্ত্তি কৰিছিল।

"নমিতা, মই কাইলৈ জইন কৰিম" ৰণ্টুৱে অনৰ্গল কৈ গ'ল।

"তুমি ইমান ভাবুক হৈছা যে !", নমিতাই চাদৰ আঁচলেৰে চকুলো মচি ঈষৎ হাঁহি এটা মাৰিলে।

"যদি তুমি বেয়া নোপোৱা তোমাক মই আজিয়েই বিয়া পাতিম। শিৱ মন্দিৰত", ৰণ্টুৱে নমিতাৰ ক'পালত চুমা খাই অনৰ্গল কৈ গ'ল—

সন্ধিয়া ক্ৰমে গাঢ় হৈ পৰাৰ সময়তে কথামতেই ততাতৈয়াকৈ অনুষ্ঠুপীয়াকৈ নমিতাক শিৰত সেন্দূৰ পিন্ধাই মাথোন এসপ্তাহৰ বাবে ছুটী অতিৰিক্তকৈ মঞ্জুৰী লৈ নতুন দিল্লী অভিমুখী বিমান যাত্ৰীৰ আছুতীয়া আসনত বহি ৰণ্টুৱে নমিতাৰ কথা মনলৈ অহাৰ সময়তে নমিতাই দস্তৰমতে উচুপি উচুপি কান্দিছিল।

এক অনাহুত আহুকলীয়া পৰিস্থিতিৰ কাহানিও সন্মুখীন নোহোৱা নমিতাই নিজৰ মনটোক পাৰ্য্যমানে বুজনি দিলে। ৰণ্টুৱে সঘনে কোৱা কেম্যুৰ কথা মনলৈ আহিল। কেম্যুৰ জীৱন দৰ্শনক নিজস্ব এক সাৰ্বিক ৰূপত— এক মননশীল ব্যঙ্গময়ী ৰূপত ৰূপকাৰে প্ৰতিষ্ঠা কৰাৰ দৰে ৰণ্টুৰ জীৱন পৰিক্ৰমাত এক সু-সংহতি ৰূপ দেখি নমিতাৰ চকুলো ওলাল।

নমিতা-ৰণ্টুৰ এই অৰ্থ সৰ্ব্বস্বহীন-আড়ম্বপূৰ্ণ জীৱন-সংসাৰ এৰি ভাৰতীয় পুলিচ সেৱাৰ উচ্চতম বিষয়া ৰূপে অভিসিক্ত ৰণ্টুৰ জীৱনবোধ আৰু দেশ প্ৰেমবোধৰ আগত নমিতাৰ অকমানি সংসাৰখন এটা ক্ষুদ্ৰ বিন্দুলৈ পৰিণত হোৱাৰ সময়তে নমিতাৰ তলপেটত বাঢ়ি অহা ভ্ৰূণটোৱেও একলা-দুকলাকৈ চন্দ্ৰকলাৰ দৰে বাঢ়ি আহি তৰা নামৰ কণমানিটোৱে নমিতাহঁতৰ তৰানি গাঁৱত ধূলি-বালিৰ লগত খেলিব পৰা সময়তে কাশ্মীৰ জিলা আৰক্ষী অধীক্ষক ৰূপে কৰ্মৰত আছিল।

সময়বোৰ পাৰ হৈ গৈছিল। সুদীৰ্ঘ আঠমাহৰ বিৰতিৰ অন্তত ৰণ্টু ঘৰলৈ উভতি আহিছিল। ৰণ্টু উভতি আহিল এটা নিথৰ দেহ লৈ। কফিনত শুই থকা ৰণ্টুৰ দুচকুত তেতিয়াও জিলিকি আছিল প্ৰজ্ঞা আৰু দেশ প্ৰেমৰ জ্যোতি।

মা ! কি হ'ল ! ভাত দিয়া আকৌ ! খুউব ভোক লাগিছে ! কি যে ভাবি থাকা তুমি ! তোমাক মই গুৱাহাটীলৈ লৈ যাম !! তৰাই মাক নমিতাৰ ফালে চাই ক'লে।

তৰাৰ মাততহে যেন বাস্তৱ জগতলৈ উভতিল নমিতা।

তেতিয়া বেলিটোৱেও লহিয়াইছিলহে মাথোন। আকাশত তেতিয়া অকমানো মেঘ নাছিল। □

# বিষাদগ্ৰস্ততা



ভূমিজা বৰ্মন
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ



**লা**হে লাহে নদীখন শুকাবলৈ আৰম্ভ কৰিছে। আজি বহুত দিনৰ মূৰত ভাৱনাই নৈৰ পাৰলৈ আহিছে। নৈৰ পাৰত থিয় হৈ বহুত দিন তাই সূৰ্য্যাস্ত চোৱা নাই। নৈ খনৰ সিটো পাৰে বালিচৰ বোৰ ওলাইছে, এদল কৃষিজীৱি লোকে শ্ৰম আৰম্ভ কৰিছে নৈৰ পাৰৰ সৰিয়হ ডৰাত। দূৰৈত এডৰা কহুঁৱা। এজাক শামুক ভঙা চৰাইৰ মুক্ত ক্ৰীড়া। এজাক পৰে, এজাক উৰে। নৈখনৰ কাষতে সেউজ পাহৰখন থিয় হৈ আছে নীৰৱে। ভাৱনাই মুগ্ধ নয়নে চাই আছে প্ৰকৃতিৰ নীৰৱ সৌন্দৰ্য্যক। লাহে লাহে বেলিটোও পশ্চিম আকাশত ডুবো ডুবো। প্ৰকৃতিৰ অপৰূপত মুগ্ধ হৈ ভাৱনাই হেৰাই গ'ল প্ৰকৃতিৰ সৈতে একাত্ম হৈ । তাইৰ মোবাইল ফোনটো বাজি উঠিল। প্ৰকৃতিৰ নিবিড় সান্নিধ্যত বিজ্ঞান প্ৰযুক্তিৰ শব্দই ভাৱনাক আকুল কৰি নুতুলিলে। সেয়ে ভাৱনাই ফোনটো ৰিচিভ নকৰিলে। আকৌ এবাৰ বাজি উঠিল মোবাইল ফোনটো। ভাৱনা মানে ভাৱনা দত্তৰ সহকৰ্মী অপৰূপা চলিহাৰ ফোন। অপৰূপাই ক'লে বাইদেউ ক'তনো ? আজি কলেজতো আপোনাক বিচাৰি ফুৰিছো, লগ পোৱা নাই। ভাৱনাই সুধিলে কোৱা কিয় বিচাৰি ফুৰিছিলা। অপৰূপাই ক'লে বাইদেউ কলেজ আলোচনী খনৰ বাবে আপুনি একো নিলিখে জানো। আপোনাৰ লিখা এটাৰ বাবে বৈ থাকিম। অপৰূপাৰ মাতটো যেন কিছু বিষন্ন। ভাৱনাই সুধিলে তুমি ভালে আছা নে ? অপৰূপা অলপ সময় স্তব্ধ হৈ পৰিল আৰু ক'লে আপুনি খবৰটো চাগে শুনা নাই। ভাৱনাই সুধিলে কি হ'লনো ? উত্তৰত অপৰূপাই ক'লে আপুনি যে লগ পাইছিল অনন্যাক She is no more. Last night she is expired. খবৰটো শুনি ভাৱনা অবাক হৈ পৰিল আৰু মৃত্যুৰ কাৰণটো জানি ল'লে।

নৈৰ পাৰৰ পৰা ভাৱনা উভতি আহিল ঘৰলৈ। অলপ আগত প্ৰকৃতিৰ নিবিড় সান্নিধ্যত থকা সুখখিনি ম্লান হৈ পৰিল। মনৰ ভাৰত সোমাই পৰিল অনন্যা।

অনন্যা এজনী ধুনীয়া ছোৱালী। শান্ত, নম্ৰ, ভদ্ৰ, মুখত এটা মধুৰ হাঁহি, পঢ়াত চোকা, সুন্দৰকৈ গীত গাব জানে ..... এটা জীৱন্ত প্ৰতিভাৰ অকাল মৃত্যু। কি নাছিল তাইৰ ! মৰমিয়াল পিতৃ-মাতৃৰে সৈতে এখন ভৰা ঘৰত তাই ডাঙৰ হৈছিল। ঘৰখনও আছিল প্ৰাচুৰ্য্যৰে পৰিপূৰ্ণ। তথাপিও তাইৰ মনৰ ভাৰত আছিল তীব্ৰ হতাশা। বিশ বছৰীয়া ছোৱালীজনীৰনো কি এনে হতাশা আছিল, তাই ইমান বিষন্ন আছিল যে শেষত ডিপ্ৰেছনৰ কবলত পৰি অকাল মৃত্যুক আকোঁৱালি ল'লে।

ভাৱনাই গধূলি চাহ কাপ খাই খাই ভাবিলে অপৰূপাই কিবা লিখিব দিছে। কলেজ মেগাজিনৰ কাৰণে। অন্ততঃ এই কলেজ মেগাজিনখন ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব। দীৰ্ঘকাল কলেজৰ শিক্ষকতা কৰি ভাৱনাই নিচেই ওচৰৰ পৰা লগ পাইছে যৌৱনময়ী ছাত্ৰ-ছাত্ৰীসকলক। ভাৱনা দত্ত ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই কাম কৰা শিক্ষক। গতিকে ছাত্ৰ-ছাত্ৰীৰ মনৰ খবৰো তেওঁ প্ৰায়ে ৰাখে। যোৱা কেই বছৰ মানৰ পৰা তেওঁ এটা কথা প্ৰায় লক্ষ্য কৰি পাইছে ছাত্ৰ-ছাত্ৰীৰ দুটা চৰিত্ৰ। এটা পিতৃ-মাতৃ বা অভিভাৱকক দেখুৱা চৰিত্ৰ আৰু এটা একান্তই ব্যক্তিগত চৰিত্ৰ। বাহিৰত দেখুৱা শান্ত শিষ্ট বা গম্ভীৰ স্বভাৱৰ বহুতো ছাত্ৰ-ছাত্ৰী নিজৰ ভিতৰত, নিজৰ ভাৱৰ জগতত বৰ অস্থিৰ। চিন্তাৰ বিশৃংখলতাই সিহঁতক অনবৰত ভিতৰি অস্থিৰ কৰি ৰাখে আৰু কেতিয়াবা জীৱনৰ সিদ্ধান্তবোৰ সঠিক নহৈ বিপদগামী হৈ পৰে। অনন্যাৰ ধুনীয়া মুখখন ভাৱনাৰ ভাৱ মণ্ডলত কেন্দ্ৰবিন্দু হৈ পৰিল। অনন্যাক ভাৱনাই লগ পাইছিল 'ভূপেন্দ্ৰ সংগীত'ৰ এখন কৰ্মশালাত। ভাৱনাক লগ পাই তাইও বৰ সুখী হৈছিল আৰু দহদিনীয়া কৰ্মশালাৰ অন্তিম দিনা তাই ভাৱনা মেমক নিজ হাতে অঁকা কেইখনমান ছবি উপহাৰ দি গৈছিল। ভাৱনাই ছবি কেইখন উলিয়াই ল'লে। ধুনীয়াকৈ ছবি আঁকিব জনা অনন্যাৰ ছবি আগতকৈ গভীৰ মনোযোগেৰে তেওঁ চালে। আশাবাদৰ ছবি। হঠাৎ এখন ছবিত ভাৱনা ৰৈ গ'ল। ভাৱনাৰ দৃষ্টিত ছবিখনত আছে অস্থিৰ সমাজ ব্যৱস্থাৰ বিক্ষিপ্ত প্ৰতীক আৰু সুদূৰত এটা অকলশৰীয়া সত্বা। ভাৱনাই অনন্যাৰ লগত যেতিয়া কথা পাতিছিল, তেতিয়া ভাৱনাই উপলব্ধি কৰিছিল তাই ইমান সৰুতে যিকোনো বিষয়ৰ ওপৰত কথা পাতিব পাৰিছিল। ৰাজনীতিৰ ওপৰতো দখল আছিল। কথাৰ মাজতে ৰবীন্দ্ৰ সংগীতো গাইছিল।

ভাৱনাই ছাত্ৰ-ছাত্ৰীসকলৰ লগত যেতিয়া কথা পাতি থাকে, তাই সিহঁতবোৰৰ কথাবোৰ গভীৰ মনোযোগেৰে শুনিছিল আৰু নীৰৱে লক্ষ্য কৰিছিল বহুতো ছাত্ৰ-ছাত্ৰী হঠাৎ যেন হেৰাই যায় বুকুৰ ভিতৰত সংগোপনে লুকাই ৰাখা আপোন পৃথিৱীখনত। অনন্যাৰ ক্ষেত্ৰটো একেখিনি কথা ভাৱনাই লক্ষ্য কৰিছিল। কিন্তু তাইৰ মনৰ মাজত লুকাই ৰখা আপোন জগতখনত ভাৱবোৰ যে ইমান বিশৃংখল আছিল, তাইৰ আপোন সত্বা আৰু বাহিৰৰ জগত তথা অন্য সত্বাৰ সৈতে নিজক সমাযোজন কৰাত হয়তো বিফল হৈ গৈছিল আৰু নিজে বিচৰা ধৰণে জীৱন যাপনত বাধাপ্ৰাপ্ত হৈছিল যাৰ ফলত ডিপ্ৰেছনৰ কবলত পৰিব লগা হৈছিল। হয়তো নিজৰ মনৰ কথাবোৰ ক'বলৈ যেতিয়া এজন উপযুক্ত সংগী বিচাৰি নপায়, যেতিয়া অতি আপোন বুলি ভবা জনেও কথাবোৰ গুৰুত্ব সহকাৰে নুশুনি কেৱল গোপন স্বাৰ্থত ব্যৱহাৰ কৰে, তেতিয়াই মনৰ আঁত হেৰায়। মনৰ ভিতৰত ভাৱবোৰ বিশৃংখল হয় আৰু লাহে লাহে ডিপ্ৰেচনলৈ গুচি যাব পাৰে। আৰু এটা সময়ত জীৱনৰ প্ৰতি থকা মোহ অশান্তিময় ভাৱবোৰে কাঢ়ি লৈ যায়।

এদিন ক্লাছৰ শেষত অনন্যাৰ কথা ভাবি থাকোঁতে ভাৱনাৰ কাষলৈ এগৰাকী ছাত্ৰী আহি অতি ভদ্ৰভাৱে ক'লে মেম আপুনি ব্যস্ত আছে নেকি ! ভাৱনাই ক'লে কোৱাচোন কি হ'ল, তেতিয়া ছাত্ৰী গৰাকীয়ে ক'লে মেম অলপ মোৰ ব্যক্তিগত কথা আপোনাক ক'ব খুজিছিলোঁ। মোক অলপ সময় দিব নে? ভাৱনাই ছাত্ৰী গৰাকীৰ মুখলৈ চালে। এটা যেন কৰুণ বিননি তাইৰ মুখ মণ্ডলত গোপনে লুকাই আছে। ভাৱনাই ছাত্ৰী গৰাকীক বহিবলৈ দি ক'লে, কোৱাচোন মোক কি ক'বলৈ আহিছা। ছাত্ৰী গৰাকীয়ে যেন কিবা এটা সকাহ পালে আৰু ক'বলৈ ধৰিলে তাইৰ মনৰ কথাখিনি। গভীৰভাৱে ভাৱনাই কথাখিনি শুনিলে। ছাত্ৰীগৰাকীৰ মনৰ ভিতৰত উকমুকাই থকা কথাখিনি শুনি ভাৱনাই আকৌ অনন্যাৰ ভাবলৈ উভটি আহিল। ডিপ্ৰেছনৰ কবললৈ আকৌ এজনী অনন্যা গৈ থকা নাইতো !

ছাত্ৰী গৰাকীয়ে কথাখিনি কৈ আঁতৰি গ'ল। ভাৱনাৰ মনলৈ আহিল দৰিদ্ৰতাৰ কৰুণ বাস্তৱ ছবিখন। ছাত্ৰীজনীৰ দেউতাকে দিন হাজিৰা কৰি পাঁচজনীয়া পৰিয়ালটোৰ পোহপাল দি আছে। ঘৰত ৰুগীয়া মাক। ছাত্ৰী গৰাকী ভাৱনাই শিক্ষকতা কৰা কলেজখনতে (পঞ্চম যান্মাসিকত) পঢ়ি আছে। কলেজৰ পৰা তাইৰ ঘৰৰ দুৰত্ব প্ৰায় পোন্ধৰ কিলোমিটাৰ। কেতিয়াবা শ্ৰেণীত উপস্থিত থাকিব পাৰে, কেতিয়াবা নোৱাৰে। কাৰণ তাইৰ গাড়ী ভাড়াৰ টকা কেইটাও জোগাৰ নহয়। এদিন বাপেক হঠাৎ অসুস্থ হৈ পৰিল। আগৰে পৰা বাপেকৰ এটা চকুৰ দৃষ্টি কম আছিল। অসুস্থতাৰ পিচত দুয়োটা চকুৰে দৃষ্টি শক্তি নাইকিয়া হ'ল। আনহাতে ক'ভিদৰ বাবে হোৱা লক ডাউনে আকৌ কোঙা কৰি পেলালে আন দৰিদ্ৰ পৰিয়ালবোৰৰ দৰে সেই পৰিয়ালটোকো। ছাত্ৰী গৰাকীয়ে আহি সিদিনা ভাৱনাক কৈছিল- কিয় তাই শ্ৰেণীত নিয়মীয়াকৈ উপস্থিত থাকিব নোৱাৰে। আনহাতে শান্ত শিষ্ট, নিৰ্জু ছাত্ৰী গৰাকীৰ বুকুত আছিল তীব্ৰ বিষাদ। বাপেকৰ চকুৰ চিকিৎসাৰ বাবেও তাই সংগ্ৰাম কৰি আছিল।

ছাত্ৰী গৰাকীক লগ পোৱাৰ পোন্ধৰ দিন মান পিছতে সেই দুসংবাদটো ভাৰনাই পালে। ছাত্ৰী গৰাকীয়ে আত্মহত্যা কৰিলে। সিদিনা ভাৰনাই গোটেই শ্ৰেণী কোঠাটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সেমেকা মন আৰু সেমেকা চকু প্ৰত্যক্ষ কৰিছিল। তেওঁ ক্লাছটো ন'ললে।

ভাৰনাৰ মনলৈ বাৰে বাৰে এটাই প্ৰশ্ন আহিল কিয়নো ইমান কম বয়সতে কিছুমান ডেকা-গাভৰুৱে আত্মহত্যাৰ দৰে কথা ভাবিবলৈ লৈছে! সিহঁতবোৰ বিষাদগ্ৰস্ত হৈ পৰিছে আৰু তাৰ কিছু সংখ্যকৰ ড্ৰাগছ, গুটখা জাতীয় দ্ৰব্যৰ প্ৰতি ক্ৰমশ আশক্তি বাঢ়ি গৈছে। দোষবোৰ ক'ত ক'ত হৈ আছে।

মনৰ বিশৃংখল ভাৱবোৰ কেনেকৈ শৃংখল কৰিব পাৰি। আত্মাৰ আহাৰ সমূহ কি কি, শৰীৰ আৰু মন সুস্থ ৰখাৰ বিভিন্ন কৌশল ভাৰনাই প্ৰতিটো ক্লাচতে ছাত্ৰ-ছাত্ৰীক কয়। আনকি পাঠদানৰ আগত প্ৰতিটো ক্লাছতে তেওঁ দুই মিনিট সময় মৌনতা আৰু দুই মিনিট সময় মেডিটেচন কৰিহে পাঠ আৰম্ভ কৰে। যদিও ছাত্ৰী গৰাকীৰ মৃত্যুত ভাৰনাই অতি আঘাট পাইছে, তথাপিও নিজৰ মনৰ বিশৃংখল ভাবৰ অদম্য ইচ্ছা শক্তিক মৃত্যুৰে আত্মসমৰ্পণ কৰাত, নিজৰ পৰিয়ালটোক আকৌ দুখত পেলায় পলায়ন কৰা কথাটো সহজভাৱে তেওঁ নল'লে।

দুজনী ছোৱালীৰ অকাল মৃত্যু। এমাহৰ ভিতৰত হোৱা ঘটনা। এগৰাকী সম্ভ্ৰান্ত ঘৰৰ, এগৰাকী দৰিদ্ৰ ঘৰৰ। দুয়ো গৰাকী যুৱতীৰ স্বভাৱ, চৰিত্ৰ, আচৰণ মধুৰ আছিল। অথচ মনৰ ভিতৰত কি ভয়ংকৰ ধুমুহা। যি মনৰ ভাৱৰ প্ৰচণ্ড ধুমুহাত মৃত্যুৰ নিচিনা কথা চিন্তা কৰি অকাল মৃত্যুক আকোঁৱালি ল'লে।

বাৰান্দাত নীৰৱে বহি ভাৰনাই পূৰ্ণিমাৰ জোনটোলৈ চাই ৰ'ল। তেওঁৰ ওচৰতে থকা কৃষ্ণ মন্দিৰটোৰ পৰা ভাহি আহিল হৰিনামৰ ধ্বনি। কোনোবা ভকতে হৃদয়ৰ পৰা প্ৰাণ ঢালি গাইছে —

'ব্ৰহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যাই।
তুমিসে চৈতন্য সনাতন ৰাম ৰাম ৰাম ৰাম
আমি অচেতন নিয়োক নাথ জগাই।।' ▯ ▯

<u>অনুগল্প</u>

# আশা




মৃদুস্মিতা কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)


**ম**ঞ্চত সুন্দৰ নৃত্য। বিচাৰকৰ আসনত মই। সমিতিয়ে বাচনি কৰিবলৈ দিয়া প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান ইতিমধ্যে বাচনি হৈছিল। মঞ্চলৈ এইবাৰ ১১/১২ বছৰীয়া কিশোৰী। উজ্জ্বল চকুহালেৰে নাম তাইৰ 'আশা'। মঞ্চৰ কাষত আশাৰে ৰৈছে মাক-দেউতাক। শেষত সহযোগী বিচাৰক-সকলৰ লগত মিলাই নিৰূপণ কৰা স্থানত নাহিল তাইৰ নাম।



পৰিবেশন আছিল ভালেই। মঞ্চত উঠি গৈ বিজয়ীৰ নাম ঘোষণা কৰিবলৈ লওঁতেই চকুত পৰিল সন্মুখত মাক-দেউতাকৰ সৈতে 'আশা'। নাম ঘোষণা হ'ল, বিজয়ীয়ে পুৰস্কাৰ ল'লে, মঞ্চৰ পৰা নামি আহোতে সৰুকৈ কাণত পৰিল, 'মা ঘৰলৈ যাওঁ ব'ল'। তাইৰ মুখৰ প্ৰকাশভংগীয়ে যেন স্পষ্টকৈ ক'লে— এই পৃথিৱীৰ প্ৰতিজনেই আশাৰে ৰৈ থকা মোৰ দৰে একোজন প্ৰতিযোগী। ▯

# মহাদান





সাগৰিকা কলিতা
স্নাতক প্ৰথম ষাম্মাসিক
অসমীয়া বিভাগ

**বি**ক্ৰম বৰুৱা প্ৰাথমিক স্কুলৰ শিক্ষয়িত্ৰী অনুপমা শইকীয়া এগৰাকী শিক্ষিত আৰু শান্ত মহিলা। স্বামীৰ মৃত্যুৰ পিছত বহু দুখ কষ্টৰ মাজেৰে ল'ৰা দীপক আৰু ছোৱালী পাপৰিক পঢ়াই-শুনাই মানুহ ৰূপে গঢ় দিলে। দিনৰ পিছত দিন অনুপমা শইকীয়াই ল'ৰা-ছোৱালী দুটাৰ লগত বৰ সুখেৰে পাৰ কৰিলে।

তেনেকৈ দিন বাগৰি যোৱাৰ লগে লগে অনুপমাই তেওঁৰ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিলে।

কিছুদিন যোৱাৰ পিছত অনুপমাৰ ল'ৰা-ছোৱালী দুয়ো উন্নত শিক্ষাৰ বাবে বাহিৰলৈ যাবলৈ ওলাল। অনুপমাই মনত অলপ দুখ পালে যদিও তেওঁ ল'ৰা-ছোৱালী দুটাৰ ভৱিষ্যতৰ কথা ভাবি সিহঁতক যাবলৈ অনুমতি দিলে আৰু ক'লে "সোনহঁত যাগৈ ভালদৰে পঢ়িবি আৰু ভাল মানুহ হবি যাতে তহঁত দুটাক লৈ মই সদাই গৌৰৱ কৰিব পাৰো"। মাকৰ কথা শুনি দুয়ো চকুপানী টুকিলে আৰু মাকৰ আশীৰ্বাদ লৈ দুয়ো উন্নত শিক্ষাৰ বাবে বাহিৰলৈ গ'ল।

তাত গৈ কিছুদিন সিহঁতে মাকৰ খা-খবৰ ঠিকে ঠাকে লৈ আছিল কিন্তু দিন বাগৰাৰ লগে লগে সিহঁত দুয়োৱে ইমানেই ব্যস্ত হৈ পৰিল যে মাকৰ খবৰ ল'বলৈও সিহঁতৰ আহৰি নাই। ইফালে মাকে সদায়ে আশাৰে বাট চাই থাকে সিহঁতৰ ফোন আহিব বুলি...।

অনুপমা শইকীয়াই ল'ৰা-ছোৱালী দুটাৰ কথা ভাবোতে ভাবোতে অসুস্থ হৈ পৰিল। বিভিন্ন বেমাৰ আজাৰে যেন তেওঁৰ লগ নেৰা হ'ল। দিনৰ পিছত দিন তেওঁ বিচনাত পাৰ কৰিব লগা হ'ল।

তেওঁৰ এনে অসুস্থ অৱস্থা দেখি ওচৰৰে ল'ৰা হৰিয়ে এদিন অনুপমাৰ ঘৰলৈ গ'ল আৰু ক'লে— বাইদেউ আপুনি ইমান অসুস্থ অথচ দীপক আৰু পাপৰি অহা নাই। আপোনাক এনেদৰে বিচনাৰ ওপৰত আমি চাই থাকিব নোৱাৰো। সৰুৰে পৰা আপুনি আমাক শিক্ষাৰ পোহৰেৰে নিজৰ ভৰিত থিয় হ'বলৈ শিকাইছে। গতিকে বাইদেউ মই আপোনাক কালিলৈ চহৰৰ ডাক্তৰৰ ওচৰলৈ লৈ যাম।

ছাত্ৰ হৰিৰ মুখত এনেকুৱা কথা শুনি অনুপমা শইকীয়াৰ দুচকুৰে চকু পানী বৈ আহিল আৰু নিজৰ ল'ৰা-ছোৱালী দুটালৈ বৰকৈ মনত পৰিলে।

দ্বিতীয় দিনা পুৱা হৰিয়ে অনুপমাক চহৰৰ ডাক্তৰৰ ওচৰলৈ লৈ গ'ল আৰু চহৰৰে এখন ভাল চিকিৎসালয়ৰ ডাক্তৰ এজনক দেখুৱালে। ডাক্তৰ জনে তেওঁক চাই ক'লে মানুহ গৰাকীক তেজৰ প্ৰয়োজন হৈছে। যিমান সোনকালে পাৰে তেওঁক কোনোবাই তেজ দান কৰক।

কিছু সময় হৰিয়ে চিকিৎসালয়খনৰ বাহিৰতে বহি থাকিল আৰু তেনেতে তাত উপস্থিত হ'ল দীপক আৰু পাপৰি। সিহঁতক দেখা পাই হৰি সিহঁতৰ ওচৰলৈ আহিল আৰু সুধিলে— তোমালোক ইমান দিনে তোমালোক ক'ত আছিলা? তোমালোকে জানানে বাইদেউ কিমান অসুস্থ? তোমালোক অহাৰ আশাৰে বাট চাই চাই বাইদেউ দুখতে বেমাৰত পৰিছে আৰু এতিয়া তেওঁক তেজৰ প্ৰয়োজন হৈছে।

হৰিৰ কথা শুনি দীপক আৰু পাপৰি কেনেকৈ তাৰ পৰা আঁতৰি যাব পাৰে সেই কথা চিন্তা কৰাত লাগিল। তেনেতে ভিতৰৰ পৰা নাৰ্চ এজনী ওলাই আহি সুধিলে মানুহজনীক কোনে তেজ দান কৰিব? দীপক আৰু পাপৰিয়ে কোনো উত্তৰ নিদিয়াত হৰিয়ে ক'লে—

বাইদেউ, মই কিছু মাহ আগত মোৰ দেউতাক তেজ দান কৰিছোঁ। যদি মোৰ পৰা তেজ লোৱাত কোনো অসুবিধা নহয় মোৰ পৰা বাইদেউক তেজ দিয়ক।

তেতিয়া নাৰ্চগৰাকীয়ে ক'লে নাই কোনো অসুবিধা নহয়। প্ৰতিজন সুস্থ মানুহে প্ৰতি তিনি মাহৰ মূৰে মূৰে তেজ দান কৰিব পাৰে। তেজ দান মহান দান।

নাৰ্চ আৰু হৰিৰ মুখৰ কথা শুনি দীপক আৰু পাপৰি দুয়ো লাজ পালে আৰু তাৰ পৰা গুছি গ'ল।

হৰিয়ে অনুপমা শইকীয়াক সুস্থ কৰি পুনৰ ঘৰলৈ উভতাই লৈ আহিল।

(সাহিত্য ক্লাবৰ দ্বাৰা আয়োজিত গল্প লিখা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)

# আইতা আৰু নাতি ল'ৰা




অঞ্জনা কলিতা
স্নাতক, তৃতীয় যান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ




টিংকুৰ বয়স চৈধ্য বছৰ। সি নৱম শ্ৰেণীত পঢ়ে । ঘৰৰ একমাত্ৰ ল'ৰা বাবে সি সকলোৰে বৰ মৰমৰ। দেউতাক চৰকাৰী চাকৰিয়াল। তেওঁ ৰাতিপুৱা খাই-বৈ ওলাই যায়, আবেলি উভতি আহে। টিংকুৰে দেউতাক নোহোৱা সময়খিনি নিজৰ মোবাইলটো লৈ ব্যস্ত থাকে। তাৰ আইতাক অৰ্থাৎ বিৰুতিয়ে ঘৰখন চোৱাচিতা কৰে। কামৰ মাজত বিৰুতিয়ে টিংকুৰ কোঠালৈ এবাৰ ভুমুকি মাৰি চায়, কিন্তু তাৰ সেইফালে কাণ-সাৰ নাই। সি তাৰ মোবাইলটো দুই হাতেৰে ধৰি মুখৰ ভিতৰতে কিবা পঢ়ি থাকে। আইতাকে বহু সময় ধৰি তাৰ ফালে চাই থাকি মাত লগাই “হেৰৌ তই নো কি বিৰ্ বিৰাই মন্ত্ৰ পঢ়ি আছ'? পৰীক্ষালৈ কেইটা দিন আছে, মোবাইলটোৰ দৰে অলপ কিতাপখনত মন দে চোন কামত আহিব !” আইতাকৰ কথাত সি গেঙেৰি মাৰি উঠে— “তইনো কি বক্ বকাই আছ? কাম বন নাই যদি শুই থাক গৈ যা।” নাতিৰ খং উঠিলে বুঢ়ীয়ে বৰ ভাল পায় সেয়েহে তাৰ কাষত গৈ বহিল- “বাৰু ক'চোন তাত তই কি পঢ়িছ”? আইতাকৰ প্ৰশ্নৰ উত্তৰত সি কয় “তোক কেলেই লাগে? মই কি পঢ়িছো ইমান জনাৰ ইচ্ছা আছে যদি পাপাক খুজি মোবাইল এটা নোলোৱা কিয়”? “নালাগে দে বোপা তোৰ আছে নহয় সেয়াই যথেষ্ট মোৰ নহ'লেও চলিব”। ভোৰ্ভোৰাই আইতাকে কোঠালীৰ পৰা ওলাই যায়। এদিন আইতাকে তাক সুধিছিল তই যে দিনটো মোবাইলত ব্যস্ত থাক সেইটো যদি নোহোৱা হয় তেতিয়া কি হ'ব? কি হ'ব আৰু যি হয় হ'ব সেইটো সময়ত দেখা যাব। নাতি ল'ৰাৰ সৰল উত্তৰত আইতাকে কিছু সময় ভেবা লাগি তাৰ ফালে চাই ৰয়। আচলতে তাৰ কি দোষ তাৰ বয়সৰ প্ৰায় সকলো ল'ৰা-ছোৱালীয়ে মোবাইল ব্যৱহাৰ কৰে, সি নো কিয় নকৰিব? সিটো দুখীয়া ঘৰৰ ল'ৰা নহয় ! টিংকুক যিদিনা দেউতাকে মোবাইলটো আনি দিছিল আইতাকে কৈছিল— “তাকনো এতিয়াই মোবাইল কিয় লাগিছে ইমান প্ৰয়োজন হোৱা নাই নহয়”। দেউতাকে একো ক'বলৈ নৌ পাওঁতেই টিংকুৰে ক'লে— “অই বুঢ়ী তইনো মোৰ প্ৰতিটো কামতে কিয় বাধা দিয়? এইটো মোৰ দৰকাৰ হৈছে সেয়েহে পাপাই আনি দিছে”। টিংকুৰ কথাত তাৰ মুখলৈ চাই প্ৰশ্ন কৰিলে— “বাৰু ক'ছোন সেইটোৰে তই কি কৰিবি”? ওলোটাই টিংকুৰে প্ৰশ্ন কৰিলে— “অই বুঢ়ী দুদিনৰ মূৰে মূৰে তই যে দোকানলৈ ধপাত আনিবলৈ যাৱ তাৰে কি কৰনো”? লাজত বুঢ়ীয়ে উত্তৰহীন হৈ ভিতৰলৈ লৰ মাৰিলে। কাৰণ তাইৰ পুতেকে নিচা জাতীয় বস্তু খোৱাটো পছন্দ নকৰে।

ক'বলৈ গ'লে টিংকু বৰ ভাল ল'ৰা কিন্তু সি আইতাকক জনা হ'বৰ পৰা মানে ছয়-সাত বছৰ বয়সৰ পৰাই বুঢ়ী বুলি মাতে। দেউতাকে হাজাৰ চেষ্টা কৰিও তাক আইতা বুলি মতাব নোৱাৰিলে। কথাই প্ৰতি সি আইতাকক বুঢ়ী বুলিয়ে সম্বোধন কৰে। বিৰুতিৰ কেতিয়াবা বৰ বেয়া লাগে। নাতি পোৱাটো কি যে ভাগ্যৰ কথা ! কিন্তু নাতি থাকিও যদি আইতাকক আইতা বুলি নামাতে কিবা লাভ হ'ব জানো? বিৰুতিয়ে কেতিয়াবা ভাবে এবাৰ তাৰ ওচৰলৈ গৈ তাক ক'ব নেকি— টিংকু, মোক এবাৰ আইতা বুলি মাতচোন ! কিন্তু পিছ মুহূৰ্ততে তেওঁ মনৰ ভাৱ সলনি কৰি দিয়ে। সি মোক আইতা বুলি নামাতিলে কি হ'ল সি তো মোৰেই নাতি। এয়া ৰাইজে জানে, সমাজে জানে টিংকু ৰাজীৱৰ পুত্ৰ আৰু বিৰুতিৰ নাতি।

বিৰুতিয়ে মনত পেলাবলৈ চেষ্টা কৰে; টিংকুৰ মাকৰ কথা। তাৰ পাঁচ বছৰ বয়সতে মাক ঢুকাইছিল, এবছৰ মান পিছত তেওঁ

পুতেকক দ্বিতীয় বিবাহ কৰাৰ প্ৰস্তাৱ দিছিল, কিন্তু ৰাজীৱ মান্তি নহ'ল। তেওঁ জনালে যে যদি মই আকৌ বিয়া কৰাও অন্য নহ'লেও ঘৰখনত কাম কৰা মানুহ আহিব কিন্তু টিংকুক যদি নিজৰ ল'ৰাৰ দৰে মৰম নকৰে, যদি তাক অত্যাচাৰ কৰে তেতিয়া কি হ'ব?

বিৰুতিয়ে আৰু একে নকলে। তেতিয়াৰ পৰাই তেওঁ টিংকুৰ যতন ল'বলৈ আৰম্ভ কৰিলে। টিংকুৱে জন্মৰ পৰাই যিমান দিন এই বুঢ়ীৰ স'তে আছে হয়তো দেউতাকৰ স'তে সিমান দিন থকা নাই। তথাপি যেন সি বুঢ়ীক অৱহেলা কৰে। আচলতে সি যে বুঢ়ীক মৰম নকৰে সেয়া নহয়। বুঢ়ীৰ প্ৰতি তাৰ বহুত মৰম আছে। তথাপি সি প্ৰকাশ কৰিব নোৱাৰে। বিৰুতিয়ে এদিন তাক আবেলি ফুৰিবলৈ লগ ধৰিছিল কাৰণ সৰু থাকোঁতে সি আইতাকৰ স'তে প্ৰায়ে নদীৰ পাৰলৈ বা সৰিয়হৰ খেতিলৈ ফুৰাবলৈ নিছিল। কিন্তু এতিয়া হেনো তাৰ আইতাকৰ স'তে যাবলৈ লাজ লাগে। কিয় লাজ লাগে সেই কথা সুধিবলৈ তেওঁৰ সাহস নহ'ল। কিয়নো উত্তৰত সি কি ক'ব সেয়া তেওঁ ভালকৈ জানে।

এদিন ভাত খাবলৈ বহি টিংকুৱে আইতাকক সুধিলে—"অই বুঢ়ী তই মাছৰ ইংৰাজী জান"? তাৰ প্ৰশ্নৰ উত্তৰত বুঢ়ীয়ে ক'লে— "কিয় নাজানিম নো, খাই চাচোন ইংৰাজীতে ৰান্ধি দিছো খালেহে বুজিবি"। টিংকুৱে কিছু সময় মনে মনে ৰ'ল। তাৰ পিছত পুনৰ সুধিলে "অ' বুঢ়ী তই সৰু তাকোঁতে তোক কোনে বেছি মৰম কৰিছিলনো"? বুঢ়ীয়ে ঘপ্‌কৈকৈ কৈ দিলে আইতাই। এইবাৰ টিংকুৱে পুনৰ সুধিলে তই কাক বেছি মৰম কৰিছিলি? এইবাৰো বুঢ়ীয়ে একে উত্তৰ দিলে— 'আইতাক'।

সিদিনা শনিবাৰ। টিংকুই তাৰ বিচনাত বহি মোবাইলত কিবা চাই আছিল। নাতি ল'ৰাৰ লগত কাজিয়া কৰাতো বুঢ়ীৰ অভ্যাসত পৰিণত হৈছে। সেয়েহে এখোজ-দুখোজকৈ তাৰ কাষলৈ বুলি খোজ ল'লে। হঠাৎ তেওঁ থমকি ৰ'ল। টিংকুই মোবাইলত কাৰোবাৰ স'তে কথা পাতি আছে। আগতে কি কৈছিল সেয়া বুঢ়ীৰ কাণত নপৰিল কিন্তু কেইটামান কথা তেওঁ স্পষ্টকৈ শুনিলে— "মোৰ কি অসুবিধা হ'ব, আইতাই মোক খুব মৰম কৰে"। কথাখিনি বেছ সৰুকৈ কৈছিল কিন্তু বুঢ়ীয়ে স্পষ্টকৈ শুনিলে। তাৰ পাছত টিংকুৱে পুনৰ ক'লে— 'অ কাম কৰা মানুহ এজন আছে কিন্তু ৰন্ধা-বঢ়া আইতাই কৰে। তেওঁ হেনো লোকৰ ৰন্ধা খাবলৈ ভাল নাপায়"। কিছু সময় ৰৈ সি পুনৰ ক'লে—"ঠিক আছে এদিন আহিবা আইতাই তোমাৰ কথা কৈয়ে থাকে। আহিলে খুব ভাল পাব"। তাৰ পাছত আৰু টিংকুৰ কথা বুঢ়ীৰ কাণত নপৰিল।

তেওঁৰ ইচ্ছা গ'ল নাতি ল'ৰাক দেখা দিবলৈ। কিন্তু তেওঁ দেখা নিদিলে। হয়তো নাতিৰ খং উঠিবও পাৰে। অলপ পিছত টিংকুৱে মাত লগালে— অই বুঢ়ী কিনো ভূঁইকপৰ দৰে অহা-যোৱা কৰি আছ', এইফালে আহচোন ভাল খবৰ এটা আছে।

"কি খবৰ নো"? গহীনভাৱে সুধিলে বুঢ়ীয়ে। এইটো মাহতে হেনো সঞ্জীৱ দা আমাৰ ঘৰলৈ আহিব ! সঞ্জীৱ অহা খবৰটো পাই বুঢ়ীৰ বৰ ভাল লাগিল। সি টিংকুৰ মোমায়েকৰ লৰা । বুঢ়ীয়ে তাক খুব ভাল পায়। সিও বুঢ়ীক বৰ মৰম কৰে । বুঢ়ীৰ মনত পৰিল সঞ্জীৱ সৰু থাকোঁতে অহাৰ কথা। তেতিয়া টিংকু বেচ সৰু আছিল। তাৰ আইতাকক সঞ্জীৱে আইতা বুলি মাতোতে সি তাক কৈছিল এয়া মোৰহে আইতা তোমাৰ আইতা নহয়। মোৰ আইতাক তুমি কিয় আইতা বুলি মাতা? তোমাৰ আইতা নাই নেকি? নদীৰ পাৰলৈ ফুৰিবলৈ মই অকলে আইতাৰ লগত যাম তোমাক নিনিও ইত্যাদি। সঞ্জীৱেও তাৰ খং উঠাবলৈ মুখৰ পাক দি কৈছিল আইতাই মোকহে বেছি মৰম কৰে...

বুঢ়ীয়ে টিং কুৰ ফালে চালে — তাৰ মুখখন কলা পৰি গৈছে চকু দুটাও সেমেকি উঠিছে, বুঢ়ীয়ে সুধিলে— কি হ'ল বোপা? ওলোতাই সি প্ৰশ্ন কৰিলে— তোৰ কি হৈছে? তই কান্দিছ কিয়? সেই সময়ত বুঢ়ীয়ে নিজে গম পোৱা নাছিল তেওঁৰ চকুত যে চকুপানী আছিল।

দেওবাৰৰ দিনা ৰাজীৱ ঘৰতে আছিল। হঠাৎ টিংকু তেওঁৰ ওচৰলৈ গৈ কলে— "পাপা তোমাক আইতাই মাতিছে ! ৰাজীৱে সুধিলে আইতা মানে"?

কি যে বাজে প্ৰশ্ন, আইতা মানে আইতা আকৌ ! টিংকুৱে ভিতৰলৈ দৌৰ মাৰিলে। ৰাজীৱে পাক্‌ঘৰলৈ সোমাই গ'ল— "মা মোক মাতিছিলা"?

— এনেয়ে মাতিছিলোঁ ! কি বুলি ক'লেনো সি?

আঁচৰিত কথা টিংকুৱে ক'লে— তোমাক আইতাই মাতিছে।

সি তোমাক আইতা বুলি মাতে নেকি? বুঢ়ী যেন এতিয়া ৰাজীৱৰ প্ৰশ্নটোৰ সৈতে একেবাৰে অচিনাকি। বুঢ়ীয়ে ক'লে— "কিয় মই তাৰ আইতা নহয় নেকি"?

কিন্তু হঠাৎ যে ইমান পৰিৱৰ্তন হ'ল কিয়? সৰুৰ পৰা বুঢ়ী বুলি মাতি এতিয়া যে আইতা বুলি মাতিছে কাৰণটো কি?

বুঢ়ীয়ে কৈ গ'ল— "যোৱাকালি সঞ্জীৱে ফোন কৰিছিল ! সি হেনো এইটো মাহতে ইয়ালৈ আহিব সেয়েহে ই ভয় খাইছে বুজিছা? সঞ্জীৱকতো তই জানই কথাই প্ৰতি সি মোক আইতা আইতা কৈ মাতি থাকে। টিংকুৱে যদি তাৰ আগতে মোক বুঢ়ী বুলি মাতে কম লাজ নাপাবনে? সেয়েহে সি অভ্যাস কৰিছে বুজিছা"?

আবেলি বুঢ়ীক আচৰিত কৰি সি শুধিলে— অ' আইতা বল আজি নদীৰ পাৰৰ পৰা এপাক ফুৰি আহোঁ। তোৰ যদি একো কাম নাই সৰিয়হ দৰাও চাই আহিম ! বুঢ়ীয়ে ফিটাহি মাৰি ক'লে— "কিয় তোৰ লাজ নালাগিব জানো"?

সেইটো গলেহে গম পাবি বলচোন আগতে ! বুঢ়ীয়ে সুযোগটো এৰি নিদিলে। নাতি ল'ৰাৰ লগত নৈৰ পাৰলৈ বুলি ওলাই গ'ল ! ❑

---

❑ (সাহিত্য ক্লাবৰ দ্বাৰা আয়োজিত গল্প লিখা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

# চলচিত্ৰ পৰিচালক ৰীমা দাসৰ সৈতে সাক্ষাৎকাৰ



*১৯৮২ চনত কামৰূপ জিলাৰ ছয়গাঁৱৰ এক মধ্যবিত্ত পৰিয়ালত ৰীমা দাসৰ জন্ম হয় । সৰুৰে পৰা তেওঁৰ অভিনয়ৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ আছিল । সেয়ে প্ৰথমে অভিনেত্ৰী হিচাপে ৰীমা দাস চলচিত্ৰ জগতত প্ৰৱেশ কৰিছিল । পিছত মুম্বাইত অধ্যয়নৰত কালছোৱাত তেওঁ লাহে লাহে চলচিত্ৰ পৰিচালনাৰ ফালে ঢাল খায় । ৰীমা দাসে ২০১৭ চনত পৰিচালনা কৰা "ভিলেজ ৰকষ্টাৰ" বোলছবি খন প্ৰায় ৮০ খন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হয় আৰু ৪৪ টা ভিন্ন শিতানত পুৰস্কাৰ লাভ কৰে । এই বোলছবি খনে স্বৰ্ণকমল বঁটাৰ দৰে সন্মান আজুৰি লবলৈও সক্ষম হয় । তেওঁৰ প্ৰথমখন চুটী ছবি "প্ৰথা"ৰ পিছত "অৰ্ন্তদৃষ্টি "(২০১৬), "ভিলেজ ৰকষ্টাৰ" (২০১৭), "বুল বুল কেন চিং " (২০১৮) আদি মৌলিক, সৃজনীশীল চলচিত্ৰৰে অসম তথা ভাৰতবৰ্ষৰ চলচিত্ৰ জগতখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াইছে । ৰীমা দাসৰ অভিনেত্ৰীৰ পৰা চলচিত্ৰ পৰিচালিকালৈ এই পৰিক্ৰমাৰ বিষয়ে আমাৰ লগত হোৱা কথোপকথন সম্পাদিত ৰূপত আগবঢ়োৱা হ'ল ।*

*যুগুতাইছে — ড° অলকা হুজুৰী, সহযোগী অধ্যাপিকা, অৰ্থনীতি বিভাগ ।*

১। **প্ৰশ্ন ঃ** আপোনাৰ আনুষ্ঠানিক শিক্ষা সম্পৰ্কে আমাক কিছু কথা জনাওকচোন।

**উত্তৰ ঃ** মই ছয়গাওঁ এম. ভি. স্কুলৰ পৰাই আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰিছিলোঁ। তাৰ পিছত ছম্পক নগৰ ছোৱালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ছয়গাওঁ কলেজৰ পৰা হায়াৰ চেকেণ্ডাৰী উত্তীৰ্ণ হওঁ। ইয়াৰ পিছত গুৱাহাটীৰ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰো আৰু পুনে বিশ্ববিদ্যালয়ৰ পৰা সমাজ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰো । তাতেই মই NET (National Eligibility Test) পৰীক্ষাতো উত্তীৰ্ণ হওঁ ।

২। **প্ৰশ্ন ঃ** চিনেমা সম্পৰ্কীয় আপোনাৰ কিবা আনুষ্ঠানিক শিক্ষা আছিল নে ?

**উত্তৰ ঃ** চিনেমা সম্পৰ্কীয় তেনে কোনো আনুষ্ঠানিক শিক্ষা মোৰ নাছিল আৰু সেই সময়ত ইয়াত তেনে ধৰণৰ কোনো সুবিধাও নাছিল। সৰুৰে পৰা অভিনয়ৰ প্ৰতি মোৰ খুব আগ্ৰহ আছিল, যদিও

অভিনয়ৰ ক্ষেত্ৰতো মোৰ তেনেধৰণৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল।

৩।**প্ৰশ্ন ঃ** ৰীমা দাস চলচিত্ৰ পৰিচালক হোৱাৰ আঁৰৰ কাহিনী সম্পৰ্কে দুআষাৰ কওকচোন ।

**উত্তৰ ঃ** মই আগতেই উল্লেখ কৰিছো যে চলচিত্ৰৰ ওপৰত মোৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল আৰু সেইবাবেই হয়তো যদিও মোৰ অভিনয়ৰ প্ৰতি যথেষ্ট আগ্ৰহ আছিল, তথাপিও চিনেমা বনোৱা বা পৰিচালনা কৰা কথাটো ভাবিবও পৰা নাছিলো। আনকি আমাৰ অঞ্চলবোৰত চিনেমা চোৱাৰো তেনে ধৰণৰ বিশেষ সুবিধা নাছিল। শনিবাৰ, দেওবাৰে যিখন চিনেমা দূৰদৰ্শনত দিয়ে, তাকো কেতিয়াবা অনিয়মীয়া বিদ্যুৎ যোগানৰ বাবে সম্পূৰ্ণকৈ চাব নোৱাৰো। ডিগ্ৰী পঢ়িবলৈ গৈ মই কটন কলেজৰ হোষ্টেলত থাকিবলৈ লওঁ যদিও তাতো চিনেমা চাবলৈ ওলাই যাবলৈ অনুমতি নাছিল। গতিকে তেতিয়ালৈকে পৰিচালক বা চিনেমা বনোৱা ধৰণৰ কোনো জ্ঞানেই মোৰ নাছিল। এই কথাবোৰৰ জ্ঞান নাছিল বাবেই হয়তো মোৰ তাৰ ওপৰত আগ্ৰহখিনিও ধৰিব পৰা নাছিলো। মোৰ সৰুৰে পৰাই লিখা-মেলাত আগ্ৰহ আছিল আৰু অলপ অচৰপ লিখা-মেলা কৰিছিলোঁ তেতিয়া। সেই সময়ত অভিনয় বা সংগীতৰ পৰিবেশ ছয়গাওঁ অঞ্চলত আছিল। সেইবাবেই হয়তো মোৰ সেই সময়খিনিত অভিনয়ৰ ওপৰতহে আগ্ৰহ আছিল ; চিনেমা পৰিচালনা সম্পৰ্কে কোনো আগ্ৰহ তেতিয়া গঢ় লৈ উঠা নাছিল। পুনে বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পিছত মই মুম্বাইত থাকিবলৈ গ'লো আৰু তাত মই এই কাৰণেই গৈছিলো যে তাত থাকিলে অভিনয়ৰ ওপৰত মই কিবা-কিবি শিকিব পাৰিম । সেই সময়চোৱাত তাত থাকোতে মই মোৰ বিভিন্ন বন্ধু - বান্ধৱীৰ সহযোগত বিশ্বৰ বিভিন্ন চিনেমা চোৱাৰ সুবিধা পালো। তেতিয়া কিন্তু এতিয়াৰ দৰে internet ইমান সহজলভ্য নাছিল। তথাপিও মই মোৰ বন্ধু-বান্ধৱীসকলৰ পৰাই বিভিন্ন চিনেমা চোৱা বা তাৰ ওপৰত মোৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ যথেষ্ট সুবিধা পালো আৰু লাহে লাহে চিনেমাৰ ওপৰত আগ্ৰহ বাঢ়িল। তেতিয়া মই এটা কথাৰ লগত পৰিচিত হ'লো যে কিছু কম খৰচত চুটি চিনেমা বনাব পাৰি । পৃথিৱীৰ বিভিন্ন দেশৰ ছবি সমূহত চলি থকা story telling type টো মোৰ ভাল লাগিল। চিনেমাৰ এই ধৰণটো মই আগতে চোৱা চিনেমাৰ পৰা কিছু পৃথক আছিল ; লাহে লাহে এই ধৰণৰ চিনেমাৰ প্ৰতি মোৰ আগ্ৰহ বাঢ়িল। অসমত আহিয়েই মই প্ৰথমে 'প্ৰথা' বুলি এখন চুটি ছবি বনাইছিলোঁ। 'প্ৰথা' খন আড্ডা চুটি ছবি প্ৰতিযোগিতা আৰু Chicago short film festival ত নিৰ্বাচিত হৈছিল। চিনেমা এখন ক'ত কেনেকৈ পঠিয়াব লাগে, সেইটো মই ইমানকৈ নাজানিছিলোঁ । মুঠতে মই চাৰিখনমান film festival ত পঠিয়াইছিলো আৰু তাৰে দুখনত চিনেমাখন নিৰ্বাচিত হ'ল আৰু সেই কথাটোৱে মোক কিছু হ'লেও আত্মবিশ্বাস আনি দিলে। মোৰ এনে লাগিল যে মই অন্ততঃ সঠিক দিশত গৈ আছো । এনেবোৰ কথাৰ পৰা মোৰ আত্মবিশ্বাসৰ ভেটিটো সবল হ'ল যদিও, চিনেমা এখন বনাবৰ কাৰণে প্ৰয়োজনীয় সুবিধাসমূহৰ মই যথেষ্ট অভাৱ অনুভৱ কৰিছিলো। গতিকে মই অভিনয়ৰ ওপৰতে গুৰুত্ব দি থাকিলো । তেনেকুৱা সময়তে মই চুটি চিনেমা এখনত অভিনয় কৰি থাকোতে খুব সম্ভৱ ২০১১ চনত canonৰ digital camera এটা কিনিলো। এই canon ৰ কেমেৰাটোৰ ৰিজাল্টটো খুব cinematic পাইছিলোঁ । সৰু কেমেৰা এটা, মই এই কেমেৰাটো handle কৰিবলৈ শিকি লৈছিলো । নিজৰ কেমেৰা এটা থকা কাৰণে হয়তো মই কিছু সাহস পাইছিলোঁ আৰু এনেকৈয়ে তাত থকা সময়তে মই প্ৰথম চিনেমাখন লিখিছিলোঁ — Antardisti (Man with the Binoculars). এই চিনেমাখনৰ 90 শতাংশ কাম মই মুম্বাইত থাকিয়েই কৰিছিলোঁ। মুম্বাইতে থকা মোৰ বান্ধৱী এজনীয়ে চুটি ছবি এখন নিৰ্মাণ কৰি আছিল । তাতে সংগীত কৰিছিল আমাৰ অসমৰ এজন ল'ৰাই। তেওঁৰ তাত যাওঁতে কথাই কথাই তেওঁ মোক এটা বাইন'কুলাৰ দেখালে যিটো তেওঁ এজনক উপহাৰ দিবলৈ কিনিছিল আৰু আচলতে সেই বাইন'কুলাৰটোৰ পৰাই মোৰ প্ৰথম চিনেমাখনৰ কাহিনীৰ সমল মই পাইছিলোঁ যিটো সম্পূৰ্ণ কল্পনাভিত্তিক আছিল। তেতিয়া মোৰ হাতত চিনেমা এখন বনাবৰ কাৰণে খুবেই সীমিত টকা আছিল। তথাপিও মই এজন cinematographer যোগাৰ কৰিলো। লাহে লাহে সেই চিনেমাখন আৰম্ভ কৰিলো। সেইখন চিনেমাত মই নিজেও অভিনয় কৰিছিলোঁ। তিনিজন আমাৰ ইয়াৰে ল'ৰা — তেওঁলোকে production ৰ কামটো চাইছিল। বিষ্ণু খাৰঘৰীয়াদেৱক মই এই চিনেমাখনত মুখ্য চৰিত্ৰৰ অভিনয়ৰ বাবে লৈছিলো। গোটেই প্ৰক্ৰিয়াটোত মই ভবাতকৈ যথেষ্ট খৰচ বেছি হ'ল ; যিটো মোৰ বাবে অতি সহজ নাছিল। তথাপি চিনেমাখন হৈ উঠিল। কিন্তু মই ক'ব খোজো যে এই চিনেমাখন কৰি মই খুব সুখী হোৱা নাছিলো। যিয়েই নহওক, এই চিনেমাখনৰ editing কৰি থাকোতে মই ভালেখিনি সময় গাঁৱত আছিলো। ছয়গাওঁ কলেজৰ পৰা গৈ কটন কলেজ বা পুণে বিশ্ববিদ্যালয়ত কটোৱা সময়খিনিত গাওঁখন বা অঞ্চলটোৰ লগত নাইবা তাৰ প্ৰাকৃতিক পৰিবেশৰ লগত মোৰ সংযোগ যেন কিছু পৰিমাণে কমি গৈছিল । ঘৰলৈ আহিলে খুব কম সময়ৰ বাবে আহিছিলো আৰু তেতিয়া নিজৰ পৰিয়াল বা সম্পৰ্কীয় মানুহখিনিৰ মাজতেই সময়খিনি পাৰ কৰিছিলোঁ। এই চিনেমাখন editing কৰি থকা সময়খিনিত মই এটি দীঘলীয়া সময় গাঁৱত থকাৰ সুযোগ পাইছিলোঁ। কামৰ ফাঁকে ফাঁকে মই মোৰ আপোন মানুহ, প্ৰকৃতি তথা পৰিবেশৰ মাজত যেন

এক নতুনত্বৰ সোৱাদ বিচাৰি পালো। এই পৰিবেশৰ পৰা বহুদিন আঁতৰি থকাৰ পিছত ইয়াৰ প্ৰতিটো বস্তুৰ প্ৰতি মই এক মোহ, এক আকৰ্ষণ, তাৰ উপৰিও যেন তাৰ মাজত থকা চিৰস্বাস্বত ৰূপটোক নতুনকৈ অৱগাহন কৰিবলৈ ল'লো। অসমৰ প্ৰতিখন গাওঁৰেই হয়তো মোৰ গাওঁখনৰ নিচিনাই সুশীল, সমৃদ্ধিশালী । সেই সেউজ পৰিবেশত বহুদিন ধৰি থকাৰ পিছত তাৰ পুখুৰীটো, নৈ খন, ধাননি পথাৰখন, গাঁৱৰ বানপানী হয়তো নতুনকৈ চাবলৈ বিশেষ একো বিচাৰি নাপাব পাৰে। কিন্তু মই এক দীঘলীয়া বিৰতিৰ পিছত এই পৰিবেশলৈ ঘুৰি আহিছিলোঁ ; হয়তো মই এইবোৰৰ লগত এটা পুৰ্নমিলন হোৱাৰ নিচিনা অনুভৱ কৰিছিলো। প্ৰতিটো বস্তুকেই মই অলপ বেছি মূল্য দি চাইছিলো যেন। মোৰ সেই সময়ৰ সেই অনুভৱখিনিয়েই কিজানি Village Rock Star চিনেমাখনত প্ৰতিফলিত হৈছিল। ইতিমধ্যে মই মোৰ প্ৰথম চিনেমাখনৰ কাম শেষ কৰিছিলোঁ । সেই চিনেমাখনৰ অভিজ্ঞতাৰ পৰা মোৰ এনেকুৱা অনুভৱ হৈছিল যে এইটো মোৰ ষ্টাইল নহয়। গোটেই সময়খিনিয়ে মোৰ মনত এক ধৰণৰ বিশৃংখলতা বা অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। আনহাতে আৰ্থিকভাৱেও মোৰ ইমানখিনি সামৰ্থ্য নাছিল যে মই অইন কাৰোবাক মাতি আনি চিনেমা কৰো। গতিকে মই লাহে লাহে youtube ত বা অন্য চিনেমা সম্পৰ্কীয় ভিডিঅ'বোৰ সংগ্ৰহ কৰি এই সম্পৰ্কে যথাসম্ভৱ কথাবোৰ জানিবলৈ চেষ্টা কৰিবলৈ ধৰিলো। যদিও মোৰ lighting, sound ইত্যাদিৰ বিষয়ে তেনে কোনো জ্ঞান নাছিল, মই যিমান পাৰি সিমানেই চিনেমা চাবলৈ ল'লো আৰু তাৰ পৰা কথাবোৰ নিজে বুজিবলৈ চেষ্টা কৰিলো। মই যেতিয়া মুম্বাইত থাকিছিলোঁ — মোৰ অনুভৱ হৈছিল যে তাৰ মানুহবোৰে যেন খুব যান্ত্ৰিক জীৱন এটা জীয়াই থাকে। অনবৰত কিবা এটা বিচাৰি ফুৰে আৰু অহৰহ তাৰ পিছে পিছেই যেন নিপাত কৰে জীৱন । মই ঘৰত থকা সময়খিনিতে, তেতিয়া বহাগ মাহ আছিল মোৰ ঘৰৰ ওচৰতে সৰু সৰু ল'ৰা কেইজনমান, খুব সম্ভৱ দিন হাজিৰা কৰি খোৱা মানুহখিনিৰ ল'ৰা কেইজনমানে বহাগী বিদায় পাতিছে। তাতে সিহঁতে থাৰ্মকলৰ গীতাৰ বা অন্য অন্য বাদ্যযন্ত্ৰ কিছুমান বনাই সেই সময়ৰ জনপ্ৰিয় গায়ক কেইজনমানৰ গীতসমূহ medley কৰি পৰিবেশন কৰিছে। তাকেই লৈ সিহঁতে খুব স্ফুৰ্তি কৰিছে। সেই ল'ৰাখিনিয়ে হয়তো জানে যে জীৱনত সিহঁতে কেতিয়াবা সেইবোৰ বাদ্যযন্ত্ৰ কিনিবতো নোৱাৰেই, হাতেৰেও চুই চাব নোৱাৰে। মোৰ তেতিয়া অনুভৱ হৈছিল যে সুখী হবলৈ বা সন্তুষ্টি পাবলৈ আচলতে বহু বস্তুৰ প্ৰয়োজন নাই। সেই সময়ত মই প্ৰত্যক্ষ কৰা এনেধৰণৰ সৰু সৰু ঘটনাবোৰেই মোৰ মনত Village Rockstar চিনেমাখনৰ কাহিনীটোৰ জন্ম দিলে। গাঁৱৰে ওচৰ-পাজৰৰ ল'ৰা -ছোৱালীখিনিক লগত ল'লো আৰু লাহে লাহে সিহঁতক অলপ-অচৰপ ট্ৰেইন কৰাবলৈ ল'লো। মোৰ লগত কাম কৰিছিল মোৰ খুৰাৰ ছোৱালী মল্লিকা দাসে । শব্দ গ্ৰহণৰ বাবে যাৱতীয় কিছু কথা মই ইণ্টাৰনেটৰ পৰা অধ্যয়ন কৰি তাইক শিকাই দিলো। মই নিজেই চুট (shoot) কৰিলো। গোটেই কামখিনি মই মোৰ চিনাকি মিউজিচিয়ান এজনক দেখুৱালোঁ। তেওঁ মোক ক'লে — its fine. তেওঁৰ সেই কথাটোৱে মোক যথেষ্ট সাহস দিলে। এই চিনেমাখনৰ কাম কৰি থাকোতে তাত 'ভনিতা' বুলি যিজনী ছোৱালী আছিল, তাইক মই লক্ষ্য কৰিলো যে ছোৱালীজনীৰ স্বভাৱটো এনেকুৱা যে তাই উলুংপুলুংকৈ কিবাকিবি কৰি ঘুৰি ফুৰে। মোৰ তাইৰ ওপৰত চকু পৰিল। মই তাইক কলো - তয়ো আহচোন। পৃথিৱীৰ বিভিন্ন চিনেমা চাই মই শিকিছিলো যে চিনেমাখনৰ চৰিত্ৰবোৰ খুব ধুনীয়া হ'বই লাগিব, এনে ধৰণৰ কোনো কথা নাথাকে। ভনিতাক যেতিয়া মই লক্ষ্য কৰিছিলো মোৰ এনে লাগিছিল যেন তাইৰ কাৰ্যকলাপবোৰ স্বতঃস্ফুৰ্ত। তাই যিবোৰ কাম কৰে গছত উঠা, ঘাঁহ কটা - এই কামবোৰ তাই ল'ৰাৰ নিচিনাকৈ কৰো বুলি নকৰে। মোৰ এনেকুৱা লাগিল যেন এই কামবোৰ কৰি তাই খুব উপভোগ কৰে, সেইবাবেহে তাই তেনেবোৰ কাম কৰে। আচলতে মই ভাবো যে ল'ৰাৰ কাম বা ছোৱালীৰ কাম বুলি তেনে কোনো ধৰাবন্ধা নিয়ম নাথাকে। সৰুৰে পৰা মা-দেউতা, আমাৰ অভিভাৱকে বা সমাজে সেইবোৰ আমাৰ মনত সোমাই দিয়ে আৰু পিছলৈ সেইমতেই আমি পৰিচালিত হওঁ। এই ভনিতাৰ চৰিত্ৰটো লৈয়েই লাহে লাহে মই কাহিনীভাগ লিখিবলৈ ল'লো । Village Rockstar মোৰ জীৱনৰ এটা life changing event আছিল। মই তেতিয়ালৈ যিমানখিনি শিকি আহিছিলো সকলোবোৰ unlearn কৰি, মই যেন এটি শিশুৰ নিচিনাকৈ কথাবোৰ নতুনকৈ চাবলৈ, নতুনকৈ অনুভৱ কৰিবলৈ শিকিলো। Village Rockstar চিনেমাখন বনাবলৈ মোৰ মুঠ চাৰে তিনি বছৰ সময় লাগিছিল। মোৰ জীৱনৰ কিছু অনুভৱ মই ছবিখনত আঁকিবলৈ চেষ্টা কৰিছিলো। মোৰ প্ৰথম চিনেমাখন লৈ মোৰ যিটো সপোন আছিল, সেই সপোনটো যেন মোৰ পূৰণ হোৱা নাছিল মোৰ এনে লাগিছিল । সেইবাবেই হয়তো Village Rockstar ত যেতিয়ালৈকে মই নিজে সন্তুষ্ট নহও, তেতিয়ালৈকে মই কাম কৰিয়ে থাকিলো। মোৰ গাওঁখনৰ বা অঞ্চলটোৰ মানুহে প্ৰথমতে মোক হয়তো অবিশ্বাস কৰিছিল। কাৰণ তেওঁলোকে চিনেমা বনোৱা মানে ডাঙৰ এটা set up ৰ কথাহে দেখিছে বা বুজি আহিছে। মানুহে ভাবিবলৈ লৈছিল যে মই এই সৰু সৰু ল'ৰা-ছোৱালীখিনি নষ্ট কৰি আছো। এই সৰু ল'ৰা-ছোৱালীখিনিক ধৰি ৰাখিবলৈও মই কিছু motivate কৰিব লগা হৈছিল। মই সিহঁতক এনেদৰে বুজাইছিলো যে আমি কিবা এটা ভাল কাম কৰি আছো। সেইবাবেই তোমালোক বিশেষ (special) হয়। চিনেমাখন কি হ'ব মই নাজানো। যদি চিনেমাখন খুব ভাল নহয়ো, তথাপিও তোমালোকে আজিৰ পৰা দহ বছৰ বিশ বছৰ

পিছতো নিজকে আজিৰ ৰূপত দেখা পাবা । সেইটো জানো কম কথা ? কেতিয়াবা কেতিয়াবা সিহঁতৰ মাক-দেউতাকেও সিহঁতক সহযোগ কৰা নাছিল। মইতো এটা উদ্দেশ্য লৈ কাম এটা কৰি আছিলো ; কিন্তু সিহঁতেতো একোৰেই নাজানিছিল। তথাপিও যে সিহঁতে সুদীৰ্ঘ চাৰে তিনি বছৰ মোৰ লগত থাকিছিল বা মই সিহঁতক ৰাখিব পাৰিছিলো, সেয়া হয়তো মোৰ কিবা এটা শুভশক্তি আছিল। চিনেমাখন মুক্তি লাভ কৰাৰ পিছত মোৰ এনেকুৱা লাগিছিল যেন ভাৰতৰ বাহিৰৰ মানুহেহে চিনেমাখন বেছিকৈ ভাল পাব। Torrento film festival ৰ পৰা Mumbai film festival লৈকে যেতিয়া চিনেমাখনে তিনিটা পুৰস্কাৰ পালে সেই কথাটোৱে মোক যথেষ্ট সাহস দিলে। তাৰ পিছত ভাব হ'ল অসমত বা মানুহে কিদৰে লয়। Guwahati film festival ত চিনেমাখন Screening হ'ল । তাতো চিনেমাখনে যথেষ্ট সমাদৰ লাভ কৰিলে। সাধাৰণ দৰ্শক বা চিনেমা প্ৰেমীয়ে চিনেমাখন খুব ভালকৈ আকোৱালি ল'লে। সেইটো মোৰ বাবে এটা ডাঙৰ প্ৰাপ্তি আছিল। এনেদৰেই মই পৰিচালিকা হিচাপে আগবাঢ়িছিলো।

৪।**প্ৰশ্ন ঃ** চলচিত্ৰ পৰিচালক নোহোৱা হ'লে ৰীমা দাসক আমি কি হিচাপে জানিলোহেতেঁন ?

**উত্তৰ ঃ** চিনেমা জগতখনত মই প্ৰবেশ কৰিছিলো অভিনেত্ৰী হিচাপে । কিন্তু তাত মই সফলতা অৰ্জন কৰিব নোৱাৰিলো। মই কিজানি সিমান সাহসী নাছিলো বা যিখিনি তাৰ বাবে থাকিব লাগে সেইখিনি হয়তো মোৰ নাছিল। ইয়াত স্কুল বা কলেজত থাকোতে মই বহুবাৰ best actress হৈছিলো। পুণে বিশ্ববিদ্যালয়ত থাকোতেও মোৰ অভিনয়ৰ বাবে বহুতো প্ৰশংসা পাইছিলো। কিন্তু মুম্বাইত যোৱাৰ লগে লগে মোৰ কিবা এটা ভয় সোমাই গ'ল । এক প্ৰকাৰৰ ফ'বিয়া বুলি ক'ব পাৰি আৰু মই অনুভৱ কৰো যে কোনো কামৰ প্ৰতি যদি মনত ভয় সোমাই যায়, সি কেতিয়াবা সৰ্বনাশী হ'ব পাৰে। মোৰ ক্ষেত্ৰতো সেয়াই হৈছিল। তাৰ পিছৰ পৰাই মোৰ film making ৰ প্ৰতি আগ্ৰহ বাঢ়িল। আমি একে সময়তে কেতিয়াও দুটা ৰাস্তাৰে আগবাঢ়িব নোৱাৰো। গতিকে মই নিজকে প্ৰশ্ন কৰিলো মই অভিনয় নে পৰিচালনা —কোনটো কাম কৰিববৈলে বেছি ভাল পাম ? মোৰ এনেকুৱা লাগিল যে অভিনয়ৰ বাবে যিমান কষ্ট কৰিব লাগে, সেইখিনি মই কৰি থকা নাই ; পৰিচালনাৰ বাবে কৰিবলগীয়া খিনিহে মই কৰি আছো। তেতিয়াই মই সিদ্ধান্ত লৈছিলো যে মই অভিনয় বন্ধ কৰিম আৰু চিনেমা পৰিচালক হিচাপে মনোনিবেশ কৰিম । এতিয়ালৈকে অৰ্থাৎ ২০১৬ চনৰ পৰা আজি ২০২১ চনলৈকে মোৰ এদিনো এনে অনুভৱ হোৱা নাই যে মই অভিনয় কৰিব লাগিছিল। মোৰ সিদ্ধান্তত মই সন্তুষ্ট ।

৫।**প্ৰশ্ন ঃ** আপোনাৰ ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিক আপুনি কেনেদৰে গ্ৰহণ কৰিছে ?

**উত্তৰ ঃ** মই যিখিনি স্বীকৃতি পালো, তাৰ বাবে মই খুব সুখী । এনেকুৱা ধৰণৰ স্বীকৃতি যেতিয়া পোৱা যায়, তেতিয়া আচলতে আমি শুদ্ধ পথত গৈ আছো বুলি আস্বস্ত হ'ব পাৰো আৰু একেলগে যেতিয়া দুয়োটাই হয় — এফালে স্বীকৃতি আনফালে দৰ্শকেও ছবিখন ঠিকেই আদৰি লৈছে, সেইটোৱে মনত যথেষ্ট সাহস দিয়ে। প্ৰতিখন চিনেমাৰ অভিজ্ঞতা সুকীয়া । এটি শিশুৰ জন্মৰ আগৰ কালছোৱাৰ নিচিনা । আমি নাজানো কি হ'ব, কেনেকুৱা হ'ব । কিন্তু উৎসুকতা থাকে খুব । তেনেকুৱা এটা যাত্ৰা যেন এইটো । চিনেমাখন মুক্তি লাভ কৰাৰ পিছত যেতিয়া সকলো সুন্দৰ হয় — কোনোবাই তাক স্বীকৃতি দিছে, মানুহে আদৰি লৈছে আন্তৰিকতাৰে, খুব ভাল লাগে । সুন্দৰ অনুভৱ। এই স্বীকৃতিক মই এটা আশীৰ্বাদ হিচাপে লৈছো । সেই আশীৰ্বাদ লৈ মই আগবাঢ়িবলৈ চেষ্টা কৰিছো ।

৬।**প্ৰশ্ন ঃ** সাম্প্ৰতিক অসমীয়া চিনেমা সম্পৰ্কে আপোনাৰ মতামত কি ?

**উত্তৰ ঃ** সাম্প্ৰতিক চিনেমাৰ জগতখনত এক সুখকৰ পৰিবেশ আছে বুলিয়েই ক'ব পাৰো । এক জাগৰণ হোৱা বুলি ক'ব পৰা যায় । আগতে চিনেমা এখন বনোৱাটো এটা ডাঙৰ কথা আছিল। আজিকালি মবাইলতো চিনেমা এখন বনাব পাৰি। আগৰ তুলনাত বহুত কম খৰচতে বিভিন্ন মাধ্যমৰ মাজেৰে দৰ্শকৰ আগত তুলি ধৰিব পাৰি। ইতিমধ্যে আমাৰ সন্মানীয় জাহ্নু বৰুৱাদেৱে অসমীয়া চিনেমালৈ গৰিমা কঢ়িয়াই আনিছিল । তেনেদৰে ভাস্কৰ হাজৰিকাৰ 'কথানদী' য়ে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে। এই কথাবোৰে চিনেমা জগতখনত নতুন প্ৰজন্মৰ বাবে এটি আশাপ্ৰদ পৰিবেশ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও আগতে এনেকুৱা আছিল যে চিনেমা এখন বনালে theatre তহে চিনেমাখন release কৰিব পাৰি আৰু সেইটো যথেষ্ট খৰচীও হয়। কিন্তু এতিয়া তেনেকুৱা নহয়। চিনেমা এখন বনাই এতিয়া আমি youtube তো চিনেমাখন দৰ্শকৰ বাবে মুকলি কৰিব পাৰো। সেই সুবিধাবিলাক আমাক প্ৰযুক্তিয়ে প্ৰদান কৰিছে। ই নিশ্চয়কৈ চিনেমা নিৰ্মাতা বা তাৰ কলা-কুশলীসকলৰ বাবে বা সাম্প্ৰতিক অসমীয়া চিনেমা জগতৰ বাবে এটি আশাপ্ৰদ কথা ।

৭।**প্ৰশ্ন ঃ** 'চলচিত্ৰ জগতখন বৰ্ত্তমান প্ৰজন্মৰ জীৱিকাৰ অন্য এক মাধ্যম ' — এই বিষয়ে আপোনাৰ মন্তব্য কি ?

**উত্তৰ ঃ** নিশ্চয়কৈ চলচিত্ৰ জীৱিকাৰ মাধ্যম হ'ব পাৰে । হলীউড বা দক্ষিণত সুবিধাবোৰ বেছি । তাৰ তুলনাত অসমীয়া চলচিত্ৰ জগতখনত এই সুবিধাবোৰ কম । তথাপিও ই হোৱাৰ পথত । আচলতে আপুনি য লৈকে যাব বা যিটো পথত যাব বিচাৰিছে then you have to learn the language of the profession. আপুনি তাত ক'ত

কি কেনেদৰে হ'ব সেয়া নিশ্চয়কৈ জানিব লাগিব । তাৰ পিছত যদিহে নিজৰ অধ্যবসায় থাকে তেতিয়াহলে নিশ্চয়কৈ চিনেমাও এটা বৃত্তি হ'ব পাৰে ।

৮।**প্ৰশ্ন ঃ** বৰ্ত্তমান অসমৰ শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰমত মূল বিষয় হিচাপে চিনেমা সম্পৰ্কীয় কোনো বিষয় অন্তৰ্ভুক্ত হৈ থকা নাই। সাম্প্ৰতিক সময়ত বিষয়টোৰ গুৰুত্ব অনুভৱ কৰি উচ্চতৰ মাধ্যমিক বা স্নাতক পৰ্যায়ত ইয়াৰ অন্তৰ্ভুক্তি সম্পৰ্কে আপোনাৰ অভিমত কি ?

**উত্তৰ ঃ** নিশ্চয় কব পাৰো । আচলতে Arts বুলি ক'লে Architecture ৰ পৰা আৰম্ভ হয়, লগতে painting কে ধৰি বহুতো বিষয় তাত সোমাই থাকে । এতিয়া যদিহে অকল চিনেমাহে পাঠ্যক্ৰমত সোমাই লোৱা হয়, তেতিয়া Painting তো বা Architecture তো কিয় লোৱা হোৱা নাই, এনে প্ৰশ্ন আহিব পাৰে। সকলোৰে গুৰুত্ব আছে। গতিকে কথাবোৰ এনেকুৱা যে প্ৰতিটো কলা বা দক্ষতাৰে সমাজত মূল্য আছে, যেনেকৈ ধৰক বাঁহ-বেতেৰে সঁজুলি বনোৱা, সেই কলাটোৰো সমাজত মূল্য আছে। এটা মাধ্যম হিচাপে সমাজত চিনেমাৰ যথেষ্ট গুৰুত্ব আছে । কাৰণ ই এটা visual মাধ্যমো হয়। গতিকে সকলো কলাৰ ভিন্ন দিশসমূহ সামৰি এটা বিষয় হিচাপে পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰিব পৰা যায়। এই সমূহ বিষয় কিদৰে জীৱিকাৰ উৎস হ'ব পাৰে তাক ফঁহিয়াই বা এনেকুৱা ধৰণৰ কথাবোৰ সামৰি অন্য নহলেও chapter কিছু অন্তৰ্ভুক্তি কৰিব পাৰি ।

৯। **প্ৰশ্ন ঃ** আপোনাৰ আগন্তুক পৰিকল্পনা কি ?

**উত্তৰ ঃ** মই এতিয়া এখন family drama ৰ কাম কৰি আছো। Village Rockstar ৰ sequel খনো কৰি আছো। লগতে চৰকাৰৰ এটা project আছে, তাৰো কাম চলি আছে। এই কামটো আগৰেই আছিল মানে মই যেতিয়া national award পাইছিলো, তেতিয়াই মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে মই এখন চিনেমা বনাব লাগিব। গতিকে সময় সুবিধা মিলাই এনেকৈয়ে multiple project ত মই কাম কৰি আছো ।

১০। **প্ৰশ্ন ঃ** চিনেমা সম্পৰ্কীয় আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত অসম চৰকাৰে লবলগীয়া পদক্ষেপ সম্পৰ্কে আপোনাৰ মতামত ?

**উত্তৰ ঃ** তেওঁলোকৰ ফালৰ পৰা মই জনাত ২০১৭ চনৰ পৰা Guwahati International Film Festival খন আৰম্ভ কৰিছিল। সেইটো বহুত ভাল কথা । Guwahati International Film Festival ত পৃথিৱীৰ বিভিন্ন ঠাইৰ ভাল ভাল চিনেমা খিনিৰ প্ৰদৰ্শন হয়। সেই সময়বোৰত কিন্তু কলেজ বা স্কুলৰ ল'ৰা-ছোৱালীখিনিক তালৈ নি চিনেমাসমূহ চোৱাৰ ব্যৱস্থা কৰি দিব লাগে। তাৰ উপৰিও খুব প্ৰয়োজন children film festival এখনৰ । মই যেতিয়া বিদেশৰ film festival বিলাকলৈ যাও তাত দেখা পাও যে তাৰ সৰু সৰু ল'ৰা-ছোৱালীবিলাকৰ চিনেমা সম্পৰ্কীয় বহুত জ্ঞান আছে। সিহঁতে সৰুৰে পৰা এই ধৰণৰ সুবিধাবোৰ পাই কাৰণেই চিনেমা সম্পৰ্কীয় কথাবোৰ বহু সৰুৰ পৰাই বুজি পায়। কিন্তু আমাৰ সেই পৰিৱেশটো নাই । পৃথিৱীত বহুত ভাল ভাল শিশুৰ চিনেমা আছে। আমাৰ ল'ৰা-ছোৱালীক যদি সেই সমূহ চিনেমা চোৱাৰ সুবিধাটো দিব পৰা যায়, সৰুৰে পৰাই তেওঁলোকৰ মাজত এই চিন্তাৰ বীজটো ৰোপন কৰিব পৰা যায়। অকল বাণিজ্যিক চিনেমাই নহয় , এই ধৰণৰ চিনেমাবোৰো যে সেই উদ্যোগটোত থাকে তাৰে পৰিচিত হ'ব। দ্বিতীয়তে children film festival খন অকল গুৱাহাটীতেই সীমাবদ্ধ কৰি নাৰাখি অসমৰ ভিতৰুৱা ঠাইবোৰতো প্ৰদৰ্শনীৰ ব্যৱস্থা কৰিলে ভিতৰ অঞ্চলৰ ল'ৰা-ছোৱালীখিনি উপকৃত হ'ব । তাতেই তেওঁলোকৰ মাজত কিছুমান story writing বা এনেকুৱা ধৰণৰ spot competition পাতিও ইয়াৰ প্ৰতি ল'ৰা-ছোৱালীৰ আগ্ৰহ বঢ়াব পাৰি। মই বিদেশৰ children film festival বোৰলৈ যেতিয়া যাও, তাত দেখা পাও যে সেই সময়খিনি লৰা-ছোৱালীখিনিৰ বাবে এটা উৎসৱৰ নিচিনা হৈ উঠে । সেইটো খুব প্ৰয়োজন । তাৰ উপৰিও স্কুল-কলেজবোৰত সময়ে সময়ে চিনেমা সম্পৰ্কীয় জ্ঞান থকা কিছু মানুহক মাতি কিছুমান কৰ্মশালা আদিও পাতিব পাৰে। সেইবোৰ ল'ৰা-ছোৱালীখিনিৰ যথেষ্ট ফলপ্ৰসু হ'ব ।

১১।**প্ৰশ্ন ঃ** বৰ্তমান যুৱ প্ৰজন্মক আপুনি কি পৰামৰ্শ দিব বিচাৰে ?

**উত্তৰ ঃ** যুৱ প্ৰজন্মক মই ক'ব খোজো যে তেওঁলোকে অকল আবেগক প্ৰাধান্য নিদি মূল্যবোধক গুৰুত্ব দিয়াটো জৰুৰী। সময় অতি মূল্যবান। নিজৰ সময়খিনিত তেওঁলোকে কৰি থকা কামটোৰ মূল্যটো কি — সেইটো যদি তেওঁলোকে নিজকে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰে, তেতিয়াহ'লে তেওঁলোকে সময়ৰ সঠিক ব্যৱহাৰ কৰিবলৈকো শিকিব । তাৰ উপৰিও নিজৰ লক্ষ্যসমূহ লিখি উলিওৱা খুব জৰুৰী — long term goal বা short term goal ইত্যাদি । যেনে ধৰক এই মাহটোত মই কি কৰিম বা এই বছৰটোত মই কি কৰিম বা অহা পাঁচ বছৰৰ পিছত মই নিজকে কিদৰে চাব বিচাৰিম তাৰ বাবে নিজৰ পৰিকল্পনাসমূহ লিখি উলিওৱাটো খুব জৰুৰী । লিখি থলে focus টো তাত যাব । মানুহৰ temptation এটা থাকে। এই ধৰক মোবাইলটো খুচুৰি থাকি ভাল লাগে। সেইটোকে কৰি আছে। গতিকে নিজৰ লক্ষ্যসমূহ লিখি ৰাখিলে, এই আবেগবোৰক প্ৰাধান্য নিদি নিজৰ লক্ষ্য পূৰণত মনোনিবেশ কৰা এক মানসিকতাৰ সৃষ্টি হ'ব পাৰে। তেতিয়াই তেওঁলোক সফল হ'ব বুলি মই ভাবো । □

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ খতিয়ান

## প্ৰাচীৰ পঞ্জী (২০১৯-২০২০)

**ফল্গু ঃ** মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ দ্বাৰা বছৰি প্ৰকাশ কৰা হয় প্ৰাচীৰ পত্ৰিকা ফল্গু। এই বৰ্ষৰ পত্ৰিকাখনিৰ সম্পাদক যতীন দাস। পৰিবেশক মূল বিষয় হিচাপে লৈ প্ৰকাশ কৰা পত্ৰিকাখনিৰ সাজ-সজ্জা আৰু অলংকৰণ মনোমোহা হৈছে। কবিতা, গল্প, প্ৰবন্ধ, কৌতুক আদিৰে ভৰপূৰ পত্ৰিকাখনিৰ অংগসজ্জা কৰিছে মাধৱ দাসে আৰু অক্ষৰবিন্যাস কৰিছে ডেভিদ মেধিয়ে।

**Informatics :** অৰ্থনীতি বিভাগৰ এই বৰ্ষৰ প্ৰাচীৰ পত্ৰিকাখন খুবেই সুন্দৰ আৰু উচ্চ মানদণ্ডৰ। ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক বিষয়সমূহক মূল বিষয়বস্তু হিচাপে লৈ প্ৰাচীৰ পত্ৰিকাখনি প্ৰস্তুত কৰা হৈছে। পত্ৰিকাখনিৰ সাজ-সজ্জা, অলংকৰণ অতি মনোমোহা। বিভিন্ন তথ্য সমৃদ্ধ লেখনিৰে বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা পত্ৰিকাখনিৰ তত্বাৱধানত আছে ড° ত্ৰৈলোক্য ডেকা। Informatics শিৰোনামৰ এই পত্ৰিকাখনিৰ সম্পাদনা সমিতিখনৰ সদস্যসকল হ'ল ক্ৰমে — চাহিল আখতাৰ, আল আমান, জিন্তু দাস, ৰিয়াজউদ্দিন, বাবৰ আলি আৰু হাফিজুৰ ৰহমান।

**অবলোকন ঃ** ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'অবলোকন'ৰ এই বৰ্ষৰ সম্পাদক হ'ল বিশ্বজিত দাস। ড° দিগন্ত কলিতাৰ তত্ত্বত্বাৱধানত প্ৰস্তুত কৰি উলিওৱা এইবেলিৰ প্ৰাচীৰ পত্ৰিকাখনি যথেষ্ট তথ্য সমৃদ্ধ আৰু উৎকৃষ্ট মানদণ্ডৰ হৈছে। প্ৰৱন্ধ, গল্প, কবিতা, ভ্ৰমণ কাহিনী আদিৰে পৰিপুষ্ট পত্ৰিকাখনিৰ এইবাৰৰ মূল বিষয়বস্তু আছিল মহিলা সৱলীকৰণ। পত্ৰিকাখনিৰ অলংকৰণ কৰিছে মিৰা কাকতিয়ে। বেটুপাত অপৰাজিতা কলিতাৰ। অক্ষৰ বিন্যাস কৰিছে ক্ৰমে ইনচান আলী আৰু অপৰাজিতা কলিতাই। পত্ৰিকাখনিৰ সম্পাদনা কক্ষত থকা আন আন সদস্য সকল হ'ল ক্ৰমে — হিৰু, মাণিক, ভণিতা আৰু মকিবুৰ।

**উত্তৰণ ঃ** গণিত বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনিৰ তত্বাৱধায়কৰ দায়িত্বত আছিল ড° দ্বীপজ্যোতি বৰগোহাঁই । সম্পাদক নুৰমিৰাজ আহমেদৰ সহিতে সম্পাদনা সমিতিৰ আন আন সদস্যসকল আছিল ক্ৰমে — চাবিকন নাহাৰ, আফচানা আখতাৰ, আমিনা শাতুন। বিভিন্ন গাণিতিক প্ৰৱন্ধ আৰু আন আন তথ্য সমৃদ্ধ লেখনিৰে ভৰপুৰ এই পত্ৰিকাখনিও এখন উৎকৃষ্ট মানদণ্ডৰ প্ৰাচীৰ পত্ৰিকা।

**অন্বেষণ ঃ** 'অন্বেষণ' বাণিজ্য শাখাৰ পৰা প্ৰকাশ পোৱা প্ৰথমখন প্ৰাচীৰ পত্ৰিকা। প্ৰথমটো খোজতেই 'অন্বেষণ' উৎকৃষ্ট আৰু সৰ্বাংগ সুন্দৰ হৈছে। পত্ৰিকাখনিৰ সম্পাদনা সমিতিৰ সদস্যসকল আছিল ক্ৰমে যুগান্তৰ পাঠক, সৌৰভ সাহা, হজৰত মহম্মদ, বিশ্বজিত দাস। অধ্যাপিকা চিমি নেওগৰ তত্বাৱধানত প্ৰস্তুত কৰি উলিওৱা পত্ৰিকাখনিৰ অংগসজ্জা কৰিছে চিমি নেওগ আৰু শিল্পীশিখা বনিয়াই। পত্ৰিকাখনিত প্ৰকাশ পোৱা বিভিন্ন প্ৰৱন্ধসমূহৰ ভিতৰত 'বাণিজ্যে বসতি লক্ষ্মী', 'প্ৰখ্যাত লোকৰ প্ৰথম জীৱন' ইত্যাদি অন্যতম।

**দৃষ্টি ঃ** 'দৃষ্টি' শীৰ্ষক অসমীয়া বিভাগৰ পত্ৰিকাখন অসমীয়া ঐতিহ্যৰ বিভিন্ন প্ৰতীকীসমল ব্যৱহাৰেৰে অংগসজ্জা কৰি তোলা হৈছে, যিয়ে পত্ৰিকাখনিক দৃষ্টিনন্দন কৰি তুলিছে। পত্ৰিকাখনিৰ সম্পাদনা সমিতিৰ সভাপতি অধ্যাপক শ্বাহজামাল মোল্লা, মুখ্য সম্পাদক তাহেৰ আলি আৰু সহঃসম্পাদিকা ছন্দামিতা দাস। বেটুপাট পৰিকল্পনা কৰিছে অংকুমা দাসে আৰু অংগসজ্জা ছন্দামিতা দাস আৰু অংকুমা দাসৰ । পত্ৰিকাখনিৰ সম্পাদনা সমিতিৰ আন আন সদস্য সদস্যাসকল হ'ল ক্ৰমে প্ৰস্তুতি, পুৰ্ণিমা, হাফিজা, ৰুবুল আৰু মেহেৰভানু।

**ধৰিত্ৰী ঃ** ভুগোল বিভাগৰ এই বৰ্ষৰ প্ৰাচীৰ পত্ৰিকাখন খুবেই মনোৰম। ‘ধৰিত্ৰী’ শীৰ্ষক পত্ৰিকাখন প্ৰস্তুতৰ আঁৰত থকা বিভাগীয় ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন তথ্য সমৃদ্ধ লেখনিৰে অতি আকৰ্ষণীয় ৰূপত বিষয়বস্তু সমূহ উপস্থাপন কৰিবলৈ সক্ষম হৈছে। অধ্যাপক বিষ্ণু ৰাম তালুকদাৰ, অধ্যাপিকা অনিতা কেওঁট আৰু অধ্যাপক গণেশ দাসৰ তত্বাৱধানত পত্ৰিকাখনি প্ৰস্তুত কৰি উলিওৱা হয়।

**সোপান ঃ** শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা ‘সোপান’ৰ এই বৰ্ষৰ সম্পাদিকা চন্দনা কলিতা আৰু লিজা মেধি। ২৩ সংখ্যক ‘সোপান’ ৰ তত্বাৱধানত আছে অধ্যাপিকা ভূমিজা বৰ্মন। আটক ধুনীয়াকৈ সজাই তোলা ‘সোপান’ শীৰ্ষক পত্ৰিকাখনিত শিক্ষা বিভাগৰ জেষ্ঠ সহযোগী অধ্যাপিকা ড° গধুলি ঠাকুৰীয়াৰ কৰ্ম জীৱনৰ সোঁৱৰণিক বিশেষ গুৰুত্ব দিয়া হৈছে। এই সম্পৰ্কত প্ৰকাশিত প্ৰৱন্ধ ক্ৰমে ‘সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ’ আৰু ‘বৰ্ণিল জীৱনৰ সোঁৱৰণী’ পত্ৰিকাখনিৰ বিশেষ সংযোজন। পত্ৰিকাখনিৰ সম্পাদনা সমিতিৰ আন আন সদস্যসকল হ’ল ক্ৰমে - শিখা দেবী, জিমি কলিতা, সুজাতা দে, জেচমিন, লতিকা, নিলাক্ষী, নাজিমা আৰু ধনমণি।

**ANIMALIA :** জীৱ বিজ্ঞান বিভাগৰ ‘ANIMALIA’ শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনিৰ মূল বিষয়বস্তু হৈছে পৰিবেশ আৰু ইয়াৰ গুৰুত্ব। অধ্যাপক হেমেন পাটোৱাৰীৰ তত্বাৱধানত প্ৰস্তুত হোৱা পত্ৰিকাখনিৰ পৰিকল্পনা ময়ুৰজ্যোতি ৰয় আৰু ৰাফিজুৰ ৰহমানৰ। সম্পাদনা সমিতিৰ আন সদস্য-সদস্যাসকল হ’ল ক্ৰমে আলিফ লেইলা ফাৰজিন, নাৰ্গিছ চুলতানা, ফাটেমা বেগম আৰু নুৰজাহান।

**QUANTA :** ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰপত্ৰিকাখন ‘QUANTA’ । ড° দীনেশ চন্দ্ৰ কলিতাক মুখ্য উপদেষ্টা হিচাপে লৈ ড° ধীৰেশ চক্ৰৱৰ্তী আৰু অধ্যাপক বিপ্লৱ নাগৰ তত্বাৱধানত প্ৰস্তুত কৰা পত্ৰিকাখনিৰ ছাত্ৰ সদস্যসকল আছিল ক্ৰমে বাবুল হ’ক, মাহমুদ ফাৰুক, আকিবুৰ জামান, আলি আকবৰ, মহিবুল ইছলাম আৰু নবিৰ হুছেইন ।

**SPECTRA :** পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা ‘SPECTRA’ ৰ এই বৰ্ষৰ সংখ্যাটিৰ মূখ্য উপদেষ্টাৰ দায়িত্বত আছিল অধ্যাপক সুকুমাৰ দেৱান আৰু এ. কে. আলি আহমেদ। বিকাশ কলিতা সম্পাদকৰ দায়িত্ব আৰু মৃগাংক, মিৰাজ, ৰিয়া, ৰিমজাউল আদি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত প্ৰকাশ পোৱা ‘SPECTRA’ ৰ বিভিন্ন প্ৰবন্ধসমূহৰ মূল কেইটামান হ’ল - Development of Wave Optocs, Development of Physics in 20$^{th}$ Century, Chandrajan 2 ইত্যাদি ।

**পাৰিজাত ঃ** উদ্ভিদ বিজ্ঞান বিভাগৰ এই বৰ্ষৰ প্ৰাচীৰ পত্ৰিকাখন অতি সুন্দৰ আৰু উন্নতমানৰ। অসমৰ উদ্ভিদ জগত আৰু ইয়াৰ সাম্প্ৰতিক অৱস্থিতিক মূল বিষয়বস্তু হিচাবে লৈ পত্ৰিকাখনি প্ৰস্তুত কৰা এই পত্ৰিকাখনিৰ তত্বাৱধায়ক আছিল ড° সূৰ্য কলিতা। সম্পাদনা সমিতিত থকা সদস্যসকল হ’ল — ক্ৰমে চান কুমাৰ কলিতা, মনটাজ আলি, যুগস্মিতা কলিতা, চুফিয়া ৰহমান, ৰেজিনা আহমেদ আৰু দ্বীপজ্যোতি তালুকদাৰ।

# Environmental Degradation and Economy



**Shahil Aktar Alaman**
B.A. 5th Semester
Dept. of Economics

''Save the environment ! Save the world ''

Environment and the Economy are closely related to one another. The environment provides the resources for consumption and production in the economy and receives the waste from these activities. In broader sence, there may be threefold relation between the environment and the economy. Firstly, the environment provides the raw materials which are transformed into consumption through effective production process. Secondly, the environment provides services which are used directly by consumers. The environment provides air, water etc. which are considered as critical life - support services. Thirdly, the environment provides important services to the economy by acting as a receptacle or a sink for all the waste products that are the result of the process of consumption as well as production. It should be noted that the environment is not a passive sink, but it acts upon the waste products to clean up the environment and recycle the waste into material which can further be used.

The environment provides many services to the producer and consumer without which human life cannot exist on this earth. The energy and the material resources are the products of nature which have great economic value directly for the producer. The natural resources reflect human priorities among the many options for satisfying needs. Resources are social constructs rather than entities in the natural world which provide inputs for man's production activities.

The environment helps in the removal, disbursal and degradation of wastes produce on the earth. The environment not only assimilates the waste, but also helps in supporting depletable renewable resources like fresh air and clean water. The wastes which are biodegradable, can be assimilated to a great extent. If the earth has the power to assimilate, then, there will be no pollution at all. The maintenance of the gaseous consumption of the atmosphere, the regulation of the temperature of earth and maintenance of the weather patterns all constitute the life support services provide by the environment.

In modern times, relationship between the environment and the economy can be studied with the help of micro-economic and macro-economic variables. The micro-econimic variables are related to stability and growth.

* Efficiency in the utilisation of resources exists when all goods are being produced at the lowest possible cost with the optimal use of the resources. But strong competition and monopolistic tendencies play an important role for damaging the environment.

* The relationship between environment and the economy is maintained through stability. If new pollution control measures are introduced in already existing industry there involves greater capital and operating cost on the farms. It completely plays an important role for creating inflationary spirit in economic activity.

* Interaction between the environment and the economy is maintained through economic growth. All economic system aims for achieving higher rate of growth. Generally, the production of capital goods result higher future production of consumer goods. As long as the rate of growth of real output exceeds the rate of growth of population, the standard of living improves. Environmentalists attack the growth goals where they argue that pollution results from faster depletion of natural resources.

Thus, it can be concluded that there exists a close relationship between the environment and the economy. If such relationship is well managed, then it is better for the economy to maintain sustainable growth.

**Reference :**

1. Sarma, A. (2019) : Introduction to Environmental Economics
2. Purkayastha, G. (2014) : Environmental Economics - Theory, Problems & Solutions.

# Effective Education for Employment



**Dr. Dhiresh Chakravarty**
Associate Professor & Former
Head, Dept. of Chemistry

India's Higher Education (HE) system is the world's third largest in terms of number of students which lies next to China and USA. India's HE has witnessed a tremendous increase in the number of Higher Educational Institutions (HEI) such as Universities and Colleges since independence.

India already produced the most talented and intelligent students and workers but quality access and equity is still a challenge. It is rightly stated that there is huge mismatch between what is being taught in the educational institutions (schools, colleges & universities) and there by acquired the knowledge, skill, behavior by stakeholder and the organizations are looking for in their new recruitments. It is felt by the stakeholder the missing of "linking of education to careers".

The multiple and diverse responsibilities of HEIs are ultimately key to the well-being of modern society but this expanded role adds considerable complexity and many challenges. The HE should provide strong, vibrant post-secondary institutions to support the knowledge economy as well as provide the knowledge necessary for the social mobility and economic progress essential for society across the globe. There are so many issues and chal1enges in India's HE such as -

i) **Enrolment :**

The Gross Enrolment Ratio (GER) of India in HE is 25.2% only which is quite low as compared to the developed and other developing countries and even well behind from the global average of 27%. The total population of 18-23 age group in India is 14.85 crores (2018) whereas during the 2018-19 academic session the enrolment status is as tabulated below -

| | | |
|---|---|---|
| Total population (age 18-23) | 14,85,03,660 | |
| Total Enrolment | 3,73,99,388 | 25.18 (% of total population) |
| UG Level | 2,98,29,075 | 20.09 (% of total enrolment) |
| PG Level | 40,42,000 | 02.72 (% of total enrolment) |
| Others | 35,28,313 | 02.38 (% of total enrolment) |

Source : UGC Annual Report 2018-19

Total students' enrolment in HE has been classified as follows (2018-19) -

| SI No | Level | % | Sl No | Level | % |
|---|---|---|---|---|---|
| 1 | PhD | 0.08 | 5 | Integrated | 0.64 |
| 2 | MPhil | 0.45 | 6 | PG Diploma | 0.60 |
| 3 | PG | 10.81 | 7 | Diploma | 7.22 |
| 4 | UG | 79.76 | 8 | Certificate | 0.44 |

Source : UGC Annual Report 2018-19

With regard to the program of study students concentration are as follows (2018-19) -

| SI No | Programme | Numbers (In Lakh) | SI No | Programme | Numbers (In Lakh) |
|---|---|---|---|---|---|
| 1 | BA | 93.49 | 8 | MSc | 05.79 |
| 2 | BA (Honours) | 16.39 | 9 | BE | 16.45 |
| 3 | BCom | 40.30 | 10 | BTech | 21.25 |
| 4 | BSc | 46.80 | 11 | MBA | 05.88 |
| 5 | BSc (Honours) | 05.83 | 12 | BEd | 12.23 |
| 6 | MA | 15.12 | 13 | Medical Science | 06.06 |
| 7 | MCom | 04.50 | 14 | Others | 83.90 |

Source : UGC Annual Report 2018-19

**ii) Equity :**

There is no equity not only in GER but also among different social status such as gender, category, location, distribution etc. GER of male & female is almost same, i.e. 26.3% & 25.4% respectively. Whereas category wise, it is seeming to be very odd such as SC (21.8%) and ST (15.9%). Unfortunate things are that at the diamond jubilee years of independent, there is a regional variation too. Some states are far behind the national average. The college density (number of colleges per lakh of eligible popuJation) varies distinctly as compared to the national average of 28. Moreover, most of the premier institutions are located to the metro cities or any urban area leading to the regional disparity in access to HE.

**iii) Quality :**

Quality in higher education is a multi-dimensional, multilevel, and a dynamic concept. Ensuring quality in

higher education is amongst the foremost challenges being faced in India today. However, Government is continuously focusing on the quality education. Still Large number of colleges and universities in India are unable to meet the minimum requirements laid down by the UGC. The Indian universities are not in a position to mark its place among the top universities of the world.

**iv) Infrastructure :**

Poor infrastructure is another challenge to the higher education system of India particularly the institutes run by the public sector suffer from poor physical facilities and infrastructure. There are large number of institutes which are functioning on upper floor of a building and on ground or other lower floor there exists market of various shops. The statutory bodies are not concern with the primary requirement such as books & journals for library, equipment & consumable for laboratory, power & internet connectivity, computer & teaching aids, games & sports facilities. It is a cause of grief that many more institutions are not having hygienic drinking water & toilet facilities, no hygienic refreshment for the stakeholders, no sufficient hostel for students, no quarter for teachers & staff. Inefficient administrative pattern of HEI is a significant cause for such deficiencies of the system as a whole.

**v) Political interference :**

Most of the educational Institutions are owned by some political leaders and playing key role in governing bodies. They are using the innocent students for their selfish means. Students organise campaigns, they have been used as political worker thus forget their own objectives and begin to develop their careers in politics, of course ultimately becomes good for nothing. It is a matter of concern that many state university appointments including that of vice-chancellors as well as executive bodies have been politicized. There are complaints of favouritism and corruption. This is not as it should be.

**vi) Faculty :**

Faculty shortage and inability of state educational system to attract and retain well qualified teachers have been posing challenge for many years. Large numbers of NET / PhD candidates are unemployed even though there are vacancies in higher educational institutions. These deserving candidates are applying in other jobs which is a biggest blow to the higher education system in our country. In some cases, the unholy interference of state government on the UGC regulations demoralise the teaching community of colleges and universities.

**vii) Quality Administration :**

The quality of administration of many state educational institution is a cause of concern. The appointment in such institutions, including that of Governing Bodies, Vice-Chancellors and Principals have been politicized and have become subject to caste and communal considerations. There are so many complaints of favouritism and corruption. As a result, such institutional heads are not competent and hence, they are not interested to face any other authority of any kinds regarding recognition of quality of their institution. Poor quality of the institution is the results of the failure of administration of the institution itself.

**viii) Accreditation :**

The Assessment and Accreditation of an institution should be done periodically so as to sustain the quality as well as enhancing its grade. The National Assessment and Accreditation Council (NAAC), an autonomous body founded by University Grants Commission (UGC) is established in the year 1994. The NAAC was established with a vision - “To make quality the defining element of higher education in India through a combination of self and external quality evaluation, promotion and sustenance initiatives.” Since inception, NAAC has been modified its methodologies for assessment and accreditation for several times.

**ix) Research and Innovation :**

There are very nominal scholars in our country whose writing is cited by the famous world class authors. There is inadequate focus on research in higher education institutes. There are insufficient resources and facilities, as well as, limited numbers of quality faculty to guide students on research. Most of the research scholars are without fellowships or not getting their fellowships on time which directly or indirectly affects their research. Moreover, Indian higher education institutions are poorly connected to research centres. Degree oriented research work has been encouraged by HEI for recruitment and promotion only is another area of challenge to the higher education in India. The curriculum should be designed such a way that "Making Students Leaders in Every Walk of Life". Innovative idea should be initiated by HEI in their respective curriculum that "Fostering Social Responsibility in Young Minds through Community Engagement".

**x) Structure of Higher Education :**

Management of Indian education faces challenges of over centralisation, heavy bureaucratic red-tapism and lack of accountability, transparency, and professionalism. As a result of increase in number of affiliated colleges , the burden of administrative functions of universities has significantly increased and the core focus on academics and research is diluted. The role of university should be to guide the colleges academically and monitor the best practices done by them instead of an ordinary affiliating agency.

**Conclusion :**

In order to promote development of a country the primary need is the capacity to develop skilled man power of good quality in adequate number, thereby increasing the employment rate. Employment rate refers to the number of persons in employment as a percentage of the population of working age of 18 and beyond. This can be done only through a well-designed choice-based curriculum.

Education is a wealth of knowledge gained by an individual after studying particular subject matter for a period. Most common forms of education result from years of schooling that incorporates studies of a variety of subjects through educational institutions. That is why, it is essential to know, what to learn by an individual as required by the job of own choice. Every student should keep in their mind the selectivity of course and subjects is an important task for future scope of employability.

We need to make better the higher education system so that it becomes self-sufficient of access and excellence with skill enhancement and capacity building. To do so, firstly we need a massive expansion of higher education opportunities through-out every corners of the country. Secondly, we need to upgrade the quality of the higher educational institutions for the common societal benefit. The higher education system therefore must be grown on these two pillars; hence the higher education process may play pivotal role in the nation building by generating a huge employment opportunity.

